
গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

দ্বাদশ বছৰ ■ সংখ্যা ২৯৬ ■ গুৱাহাটী ■ দেওবাৰ, ৫ জুন, ২০২২, ২১ জেঠ, ১৯৪৪ শক
RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২
VOL. XII ISSUE NO. 296 Dainandin Barta ■ Guwahati, Sunday ■ 5 June, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only





## ভাবী স্বামীৰ নামত ২০ লক্ষাধিক ধনৰ সৰবৰাহ কৰা এছ আই জোনমণি ৰাভাক গ্ৰেপ্তাৰ

### মাজুলী জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে প্ৰেৰণ কৰিলে ১৪ দিনৰ ন্যায়িক জিম্মালৈ

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ৪ জুন ঃ** নিজৰ ভাবী স্বামী ৰাণা পগাগৰ বিৰুদ্ধে নিজেই গোচৰ তৰি আৰু নিজ হাতেৰে গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ নিক্ষেপ কৰা জোনমণি ৰাভা অৱশেষত নিজেই সোমাল ৰঙাঘৰত। আজি মাজুলীৰ গড়মুৰ আৰক্ষীয়ে এইগৰাকী বহুৰূপী আৰক্ষী বিষয়াক প্ৰৱঞ্চনা ■ ৮ পৃষ্ঠাত



অভিশাপ লাগিল নেকি বিধায়ক অমিয় ভূঞাৰ



*গ্ৰেপ্তাৰবৰণ কৰা জোনমণি ৰাভাৰ সংসাৰৰ প্ৰথম খোজতে খালে উজুটি, ভাবি স্বামী ৰাণা পগাগৰ সৈতে সুখৰ দিনৰ প্ৰস্তুতিৰ এটি মধু ক্ষণ*

লোকলৈ খুঁটি পুতি নিজে খালে উজুটি...

## বন্ধ কৰিব মধুপুৰ সত্ৰৰ সত্ৰীয়া পৰম্পৰাবিৰোধী নিৰ্মাণ কাৰ্য

### চৰকাৰৰ পদক্ষেপত সত্ৰ সমিতিৰ আদৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ৪ জুন ঃ** অসমীয়া জাতিৰ জনক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহাপ্ৰয়াণৰ পৱিত্ৰ তীৰ্থভূমি কোচবিহাৰৰ মধুপুৰ সত্ৰত দুগৰাকী আতা পুৰুষ শ্ৰীৰাম আতা আৰু হৰিহৰ আতাৰ ভিঠিৰ ঐতিহ্যক আঘাত কৰি সেই ঐতিহাসিক ভিঠিৰ ওপৰত আৰু সত্ৰ চৌহদত থকা কীৰ্তন ঘৰৰ গুৰু আসনৰ মৰ্যাদা লাঘৱ কৰি সত্ৰ চৌহদৰ ভিতৰত সকলো ধৰণৰ সত্ৰীয়া পৰম্পৰা আৰু ৰীতি-নীতিক মষিমূৰ কৰি এটা মুনাফালোভী আৰু মহাপুৰুষীয়া কৃষ্টি-সংস্কৃতিবিৰোধী চক্ৰ এটাই নিৰ্মাণ কাৰ্য চলাই থকা এক তিনিমহলীয়া ভৱনৰ নিৰ্মাণ কাৰ্য সম্প্ৰতি ধুবুৰী জিলাৰ উপায়ুক্তই এক নিৰ্দেশ মৰ্মে বন্ধ ৰখিছে। মধুপুৰ সত্ৰৰ বৰ্তমানৰ সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্তই ■ ৮ পৃষ্ঠাত

## বিজেপিৰ ৮জনকে ধৰি ৰাজ্যসভাৰ ১১ প্ৰাৰ্থী বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত

**ৰাজ্যসভাৰ নিৰ্বাচনক লৈ বিজেপি, কংগ্ৰেছকে ধৰি বহুকেইটা দলে ৰণকৌশল ৰচনা কৰি থকাৰ সময়তে ওলাল ফলাফল**

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৪ জুন ঃ** ৰাজ্য সভাৰ নিৰ্বাচনক লৈ বিজেপি, কংগ্ৰেছকে ধৰি বহুকেইটা দলে ৰণ-কৌশল ৰচনা কৰি থকাৰ সময়তে ৰাজ্য সভাৰ এঘাৰজন সদস্য বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত সাংসদসকলৰ ভিতৰত ভাৰতীয় জনতা পাৰ্টীৰ আঠজন সদস্যও আছে। তেওঁলোকে উত্তৰ প্ৰদেশৰ পৰা বিনা ■ ৮ পৃষ্ঠাত



## ১২ বছৰৰ পিছত বিবাহ বিচ্ছেদ ঘোষণা ফুটবলাৰ জেৰাৰ্ড পিক আৰু পপ ষ্টাৰ ছাকিৰাৰ

দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৪ জুন ঃ এফ চি বাৰ্চিলোনাৰ ডিফেণ্ডাৰ জেৰাৰ্ড পিক ■ ৮ পৃষ্ঠাত






*বঙাইগাঁৱত চাইকেল ৰেলীৰে বিশ্ব পৰিবেশ দিৱসৰ সজাগতা, শনিবাৰে*

## ফ্ৰান্স অপেনৰ ছেমি ফাইনেলত হঠাতে লাগিল হুৱা-দুৱা !

## ছ’ল’গেমী নিজৰ সৈতেই বিয়া হ’ব এগৰাকী যুৱতীয়ে !


**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৪ জুন ঃ** নিজৰ সৈতেই বিয়া হ’ব এগৰাকী যুৱতীয়ে। !কথাষাৰ শুনিবলৈ আচহুৱা যেন লাগিলেও সেয়া সঁচা হ’বলৈ ওলাইছে। নিজৰ সৈতে বিয়া হ’ব বিচৰা যুৱতীগৰাকীৰ নাম ক্ষমা বিন্দু। ক্ষমা বিন্দুৰ ১১ জুনত বিয়া ঠিক কৰা হৈছে। সেই মৰ্মে তেওঁ সাজু কৰিছে কইনাৰ সাজ, আন প্ৰস্তুতিও পূৰ্ণগতিত চলিছে। কিন্তু আন যুৱতীৰ দৰে নহয় ২৪ বছৰীয়া ক্ষমা। ■ ৮ পৃষ্ঠাত



**আজি বিশ্ব পৰিৱেশ দিৱস**

কি ঘটালে যুৱতীয়ে ?

# জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে অভিনৱ প্ৰতিবাদ আলিজিৰ



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৪ জুন ঃ** হঠাতে হুৱা-দুৱা লাগিছিল। বিগত কিছুদিন ধৰি বিশ্বৰ ক্ৰীড়াপ্ৰেমীসকলৰ দৃষ্টি নিবদ্ধ হৈ থকা ফ্ৰান্স অপেনৰ ছেমি ফাইনেলৰ খেল হঠাতে বন্ধ হৈ পৰিল। সেই সময়ত ফ্ৰান্স অপেনৰ ছেমি ফাইনেলত খেলি আছিল কেচপাৰ ৰুড আৰু মাৰিন চিলিকে। কিন্তু খেল চলি থকাৰ মাজতে ক’ৰ্টৰ ভিতৰলৈ এগৰাকী যুৱতীয়ে দৌৰি গৈ নিজকে নেটত বান্ধি পেলালে। ফলত বন্ধ হৈ পৰে খেল। লগে লগে দৰ্শক আৰু নিৰাপত্তাকৰ্মীৰ মাজত হুৱা-দুৱা লাগে? কোন এই যুৱতী, কিয় প্ৰৱেশ কৰিলে ক’ৰ্ট? এনে প্ৰশ্নই দৰ্শকৰ মনত ক্ৰিয়া কৰিবলৈ লোৱাৰ সময়তে উৰহী গছৰ ওৰ উলিয়াবলৈ সক্ষম হয় তাত উপস্থিত ■ ৮ পৃষ্ঠাত



## ভাৰতে স্থাপন কৰিলে বিশ্বৰ প্ৰথম তৰল দাপোণ দূৰবীণ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৪ জুন ঃ** ভাৰতে উত্তৰাখণ্ডৰ দেৱাস্তলত প্ৰথমবাৰৰ বাবে ‘লিকুইড মিৰ’ৰ টেলিস্কোপ’ ■ ৮ পৃষ্ঠাত

| এতিয়া খেতিৰ বতৰ আহৰি নাই কৃষকৰ | তথাপি যেন এলাগি হ’ব ধৰিছে হালৰ গৰুহাল | কৃষকৰ মৰমৰ বলধ হালৰ স্থান ল’লে আধুনিক ট্ৰেক্টৰে |
| --- | --- | --- |

## কান্ধত নাঙল-যুৱলি লৈ পথাৰলৈ যোৱাৰ দৃশ্য আজি যেন অতীত

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৪ জুন ঃ** সম্প্ৰতি সমগ্ৰ ৰাজ্যতে বান পৰিস্থিতিৰ কিছু শাম কটাৰ লগে লগে সমগ্ৰ ৰাজ্যখনৰ লগতে নগাঁও জিলাখনৰো চৌপাশে এতিয়া দৃশ্যমান হৈছে খেতিৰ বতৰৰ এক সুন্দৰ মনোৰম প্ৰতিচ্ছবি। কৃষকৰ বাবে ব্যস্ততাৰ সময়ৰূপে পৰিচিত এই জেঠ মাহ এতিয়া সকলো কৃষক ৰাইজৰ বাবেই হৈ পৰিছে অতিকৈ আপোন তথা ব্যস্ততাৰে ■ ৮ পৃষ্ঠাত



## গুণোৎসৱৰ মাজতে ইংৰাজী মাধ্যমৰ বিদ্যালয়ত ছাত্ৰ প্ৰহৃত

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৪ জুন ঃ** তেজপুৰত গুণোৎসৱ চলি থকাৰ মাজতে এখন ব্যক্তিগত ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠানৰ এগৰাকী ছাত্ৰ শিক্ষকৰ দ্বাৰা প্ৰহৃত হোৱা ঘটনাই চহৰখনত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। অভিযোগ অনুসৰি তেজপুৰ কছাৰীগাঁওস্থিত মুনলিট হাইস্কুলত চলি থকা পৰীক্ষাৰ মাজতে আন কোনো ■ ৮ পৃষ্ঠাত

## তেজপুৰৰ সোণাবিলত তিনিটি শিশুৰ সলিল সমাধি

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৪ জুন ঃ** তেজপুৰৰ সোণাবিলত অঘটন। তিনিটা শিশুৰ পানীত পৰি মৃত্যু হয়। সোণাবিলৰ বোকাজান চাহ বাগিচাত এই ঘটনা। দিনত ঘৰৰ পিছফালে থকা এটা পুখুৰীত খেলি থকা অৱস্থাত এই ঘটনা সংঘটিত হয়। আৰক্ষীয়ে জনোৱা মতে অনিল দাহাংগা (৬), প্ৰিয়ংকা ■ ৮ পৃষ্ঠাত

## ৰেচন কাৰ্ড আছে, চাউল আহে কিন্তু নাপায় হিতাধিকাৰীয়ে

**চাউল বিচাৰি গ’লেই ধন দাবী গোচৰ দিয়াৰ ভাবুকি হিতাধিকাৰীক**

প্ৰতিবেদন ১

### বিশ্বনাথ প্ৰশাসনৰ যোগান বিভাগৰ বিষয়াক মেনেজ কৰি লুণ্ঠনৰাজ চলাইছে বাঘমাৰীৰ ব্ৰহ্মপুত্ৰ চাপৰিৰ সুলভ মূল্যৰ এজেণ্ট আব্দুল কাদেৰে

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ৪ জুন ঃ** দুৰ্নীতিৰ ক্ষেত্ৰত শূন্য সহনশীলতাৰ কথা কোৱা শাসনাধিষ্ঠিত বিজেপি চৰকাৰৰ দিনত চলিছে অবাধ দুৰ্নীতি। বিশ্বনাথ যোগান বিভাগৰ বিৰুদ্ধে ব্যাপক দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উঠিছে। দৰিদ্ৰ হিতাধিকাৰীৰ ভাগৰ চাউল আত্মসাতৰ ভয়ংকৰ অভিযোগ উত্থাপিত হৈছে পশ্চিম বাঘমাৰী সমবায় ■ ৮ পৃষ্ঠাত

## গোগামুখৰ জোনমণি হোটেলত দেহ ব্যৱসায় চক্ৰ উৎখাত

**আটক হোটেলৰ স্বত্বাধিকাৰী**

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ৪ জুন ঃ** ধেমাজি জিলাৰ গোগামুখ থানাৰ অন্তৰ্গত গোগামুখ ■ ৮ পৃষ্ঠাত







জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
৫ জুন, ২০২২ ■ দেওবাৰ ■ গুৱাহাটী ■ ২১ জেঠ, ১৯৪৪ শক


বিশুদ্ধ পানীৰ অপচয়!

## বছৰ বছৰ ধৰি পানী পোৱা নাই শ শ পৰিয়ালে

### এসপ্তাহে এডাল ফুটা পাইপেৰে নিৰ্গত হৈ আছে শ শ লিটাৰ পানী

### বন্ধ কৰাৰ আহৰি নাই নলবাৰী পৌৰসভাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৪ জুন ঃ** নলবাৰী পৌৰসভাই যোগান ধৰা বিশুদ্ধ পানী যোগানৰ পৰা বছৰ বছৰ ধৰি পৌৰসভা এলেকাৰ শ শ পৰিয়ালে বঞ্চিত - অৱহেলিত হৈ থকাৰ সময়তে বিশুদ্ধ পানী অপচয় হোৱাৰ অভিযোগ উঠিছে।অভিযোগ অনুসৰি পৌৰসভা এলেকাৰ কলেজ ৰোডৰ বি এছ এন এলৰ কাৰ্যালয়ৰ কাষত বিশুদ্ধ পানী সৰবৰাহ হোৱা এডাল পাইপ ফাটি পানী নিগৰিত হৈ থকাৰ ফলত বহু বিশুদ্ধ পানী আজি ৰাতিপুৰাৰ ভাগলৈ অপচয় হোৱা পৰিলক্ষিত হৈছে। স্থানীয় লোকে অভিযোগ কৰা মতে প্ৰায় এসপ্তাহ ধৰি পাইপ ডালেৰে



পৌৰ সভাই সময়ে সময়ে যোগান ধৰা পানী অত্যধিক ভাবে নিগৰিত হৈ আছে।ফলত উক্ত অংশ পথত পানীৰ দম বান্ধিছে।আজিও ৰাতিপুৰা ভাগতো পাইপৰ ফুটা অংশৰে পানী ওলাই থকা প্ৰত্যক্ষ কৰা যায়।বি এছ এন এল কাৰ্যালয়লৈ নলবাৰী পৌৰসভা কাৰ্যালয়ৰ পৰা ৰিং এটাৰ বাট।তথাপিও বিশুদ্ধ পানী নিগৰিত ফুটা পাইপডাল মেৰামতি কৰিবলৈ পৌৰসভাৰ আহৰি নাই। প্ৰসংগ ক্ৰমে উল্লেখ্য, নলবাৰী পৌৰসভা এলেকাৰ এক বৃহৎ সংখ্যক পৰিয়ালে আজিলৈকে চৰকাৰৰ বিশুদ্ধ খোৱা পানী যোগান আওতাত পৰা নাই। বছৰি কোটি কোটি টকা ৰাজহ সংগ্ৰহ কৰা পৌৰসভাই এই সকলক পৰিয়ালক নিম্নতম এটুপি খোৱা পানীও যোগান ধৰিব পৰা নাই।

## জৰুৱাৰ চৰ পাব্লিক হাইস্কুলৰ প্ৰধান শিক্ষক আয়ুব আলীৰ বিৰুদ্ধে দুৰ্নীতি-অনিয়ম তথা বিয়াগোম জালিয়াতিৰ অভিযোগ

### জিলা উপায়ুক্তক লিখিত অভিযোগ দাখিল, দুদিন ধৰি বিদ্যালয় সম্পূৰ্ণৰূপে বন্ধ কৰি দিছে প্ৰধান শিক্ষক আয়ুব আলীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, গৌৰীপুৰ, ৪ জুন ঃ** নামনি অসমৰ ধুবুৰী জিলাৰ বিভিন্ন বিভাগৰ দুৰ্নীতিৰ বাতৰিয়ে বাতৰি কাকতৰ শিৰোনাম দখল কৰি অহাৰ সময়তে ধুবুৰী জিলাৰ জৰুৱাৰ চৰ পাব্লিক হাই স্কুলত শিক্ষা বিভাগৰ দুৰ্নীতিয়ে বাৰু কৈ হতচকিত কৰি তুলিছে শৈক্ষিক মহলক। ঘটনাৰ বিৱৰণী মতে, ধুবুৰী জিলাৰ স্কুল পৰিদৰ্শকৰ কাৰ্য্যালয়ৰ অন্তৰ্গত গৌৰীপুৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্য্যালয়ৰ এলেকাধীন জৰুৱাৰ চৰ পাব্লিক হাই স্কুলৰ প্ৰধান শিক্ষক আয়ুব আলীৰ বিৰুদ্ধে বিত্তীয় কেলেংকাৰী, অনিয়ম তথা বিয়াগোম জালিয়াতিৰ অভিযোগ তুলিছে স্থানীয় ৰাইজে। প্ৰাপ্ত অভিযোগ মতে ছাত্ৰ ছাত্ৰীৰ সাময়িক মূল্যায়ণ পৰীক্ষাৰ নামত ৰচিদ নিদিয়া কৈ গাইপতি পঞ্চাশ টকা কৈ আদায় লৈ উক্ত ধন আত্মসাৎ কৰাৰ সমান্তৰাল কৈ ছাত্ৰ-ছাত্ৰীৰ দুপৰীয়াৰ আহাৰ মাহেকত দুই এদিন দি বাকী ধন আত্মসাৎ কৰাৰ লগতে ছাত্ৰ ছাত্ৰীৰ বাবে চৰকাৰে আবণ্টন দিয়া ঐক্য পোছাকৰ ধন আত্মসাৎ কৰাৰ অভিযোগ তুলি স্থানীয় ৰাইজ ৰবিয়াল হুছাইন, জাহাঙ্গীৰ আলম শ্বেখ আৰু ছুৰুত জামালৰ স্বাক্ষৰ সম্বলিত এখন লিখিত অভিযোগ যোৱা ৩০য০৫য২০২২ ইং তাৰিখত ধুবুৰী জিলা উপায়ুক্তক দাখিল কৰিছে বুলি অভিযোগত প্ৰকাশ। উল্লেখ্য যে, উক্ত অভিযোগৰ লগত দুৰ্নীতি পৰায়ণ শিক্ষক আয়ুব আলীক ২০১১ চনত দুৰ্নীতিৰ অভিযোগত নিলম্বন কৰা আদেশৰ প্ৰতিলিপি, ২০১১ চনত প্ৰধান শিক্ষক আয়ুব আলীৰ বিৰুদ্ধে ধুবুৰী জিলা শিক্ষা বিষয়া আৰু গৌৰীপুৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াই দুৰ্নীতিৰ প্ৰতিবেদন দিয়া প্ৰতিলিপি আৰু দুৰ্নীতিগ্ৰস্থ শিক্ষক জনৰ বিষয়ে প্ৰকাশ পোৱা কু-কৃতিৰ বাতৰিৰ প্ৰতিলিপি গাঁথি দিয়ে বুলি অভিযোগত প্ৰকাশ। ইয়াৰ উপৰিও স্কুল খনত অস্থায়ী হিচাপে পাঁচ জনকৈ শিক্ষক - কৰ্মচাৰী নিয়োগ কৰি সেইসকল কৰ্মচাৰীৰ দৰমহা বাবদ ১ লাখ ৪৪ হাজাৰ টকা ব্যয় দেখুৱাৰ বিৰুদ্ধে এক ন্যায়িক তদন্ত বিচাৰিছে ৰাইজে। স্মৰ্তব্য যে, প্ৰধান শিক্ষক আয়ুব আলীৰ বিৰুদ্ধে উঠা বিত্তীয় কেলেংকাৰী, অনিয়ম তথা বিয়াগোম দুৰ্নীতিৰ বিৰুদ্ধে ৰাজ্যৰ শাসকীয় বিজেপি মিত্ৰজোটৰ শূন্য সহনশীল মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ৰণোজ পেগু, জিলা উপায়ুক্ত আস্বামুথন এম পি আৰু শিক্ষা বিষয়াই কেনে ধৰণৰ পদক্ষেপ গ্ৰহণ কৰে সেয়াই হব লক্ষণীয় বিষয়। ইয়াৰ উপৰিও বৰ পৰিতাপৰ বিষয় যে চৰকাৰী বন্ধ নথকাৰ সময়তে প্ৰধান শিক্ষক আয়ুব আলীৰ নিজ মইমতালিত তিনি আৰু চাৰি জুন তাৰিখত বিদ্যালয় খন সম্পূৰ্ণ ৰূপে বন্ধ ঘোষণা কৰাত শ শ ছাত্ৰ ছাত্ৰী পাঠদানৰ পৰা বঞ্চিত হৈছে। শূন্য সহনশীল মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্বৰ ৰঙা চকুক বুঢ়া আঙুলি দেখুৱাই নিজ খেয়াল খুচি মতে চলাইছে বিদ্যালয়। চৰকাৰী বন্ধ নথকাৰ সময়তে বিদ্যালয় বন্ধ কৰি দিয়া তিনি আৰু চাৰি জুন ২০২২ তাৰিখৰ দৰমহা বিদ্যালয়ৰ শিক্ষক সকলোক কোনখন আইনৰ আওঁতাত দিব তাকে লৈ উঠিছে প্ৰশ্ন।

## দৰং জিলাত কৃষি বিভাগৰ বিভিন্ন আঁচনিৰ পৰ্যালোচনা কৃষিমন্ত্ৰী অতুল বৰাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙ্গলদৈ, ৪ জুন ঃ** আজি দৰং জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত কৃষি, পশুপালন, অসম চুক্তি ৰূপায়ণ আদি বিভাগৰ মন্ত্ৰী অতুল বৰাই পি এম কিষাণ, প্ৰধানমন্ত্ৰীৰ ফচল যোজনা, মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য যোজনা আদি কৃষকসকলৰ উন্নয়নৰ বাবে দৰং জিলাত ৰূপায়িত হৈ থকা আঁচনিসমূহ পৰ্যালোচনা কৰে।প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ অধীনত কৃষকসকলে পাব লগা সুবিধাসমূহ যাতে যোগ্য হিতাধিকাৰীসকলে লাভ কৰে সেইটো সুনিশ্চিত কৰিবলৈ তেওঁ বিভাগীয় বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে। তেওঁ পশুপালন বিভাগক তেওঁলোকৰ আঁচনিসমূহ ক্ষিপ্ৰতাৰে যথাযথভাৱে ৰূপায়ণ কৰি কৃষকসকলক ইয়াৰ সুবিধা প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ পিছতে সাংবাদিকসকলৰ সৈতে মত বিনিময় কৰি মন্ত্ৰীগৰাকীয়ে কয় যে পি এম কিষাণৰ হিতাধিকাৰীৰ তালিকাসমূহ আসোঁৱাহমুক্ত কৰাৰ বাবে প্ৰচেষ্টা লোৱা হৈছে যাতে অযোগ্য ব্যক্তিয়ে এই আঁচনিৰ সুবিধা লাভ কৰিব নোৱাৰে। দৰং জিলাত শেহতীয়াকৈ হৈ যোৱা বান পৰিস্থিতিৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে বানত ক্ষতিগ্ৰস্ত কৃষকসকলক ক্ষতিপূৰণ প্ৰদানৰ বাবে প্ৰচেষ্টা লোৱা হৈছে। প্ৰধানমন্ত্ৰীৰ ফচল বীমা যোজনাৰ জৰিয়তেও কৃষকসকলক সাহাৰ্য প্ৰদান কৰা হ'ব বুলি তেওঁ জনায়। তেওঁ জিলাখনত ৰূপায়িত হৈ থকা পিএম জে এচ ৱাই, আৰ কে ভি ৱাই আদি আঁচনিৰো পৰ্যালোচনা কৰে। ইয়াৰ উপৰি দৰং জিলাত সাৰৰ যোগান নিয়মীয়া কৰাৰ বাবে বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে বুলি জানিবলৈ দিয়ে। জিলাখনৰ কিছুমান অঞ্চলত কিটনাশক দ্ৰব্য আৰু ৰাসায়নিক সাৰৰ অত্যধিক প্ৰয়োগৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে এই ক্ষেত্ৰত চোকা দৃষ্টি ৰাখিবলৈ কৃষি বিভাগক নিৰ্দেশ দিয়ে বুলি জনায় আৰু কিছুসংখ্যক সাৰৰ দোকানীৰ অনুজ্ঞাপত্ৰ ইতিমধ্যে বাতিল কৰা হৈছে বুলি জানিবলৈ দিয়ে। আজিৰ সভাখনত কৃষি বিভাগৰ সঞ্চালক অনন্ত লাল জ্ঞানী,দৰং জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা, ধৰি সংশ্লিষ্ট বিভাগসমূহৰ মুৰব্বীসকল উপস্থিত থাকে।

## মুকালমুৱাত নৃত্যৰ প্ৰশিক্ষণ কেন্দ্ৰ মুকলিৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ৪ জুন ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী অঞ্চলৰ যুৱক-যুৱতী সকলক উন্নত মানৰ নৃত্যৰ প্ৰশিক্ষণ প্ৰদানৰ লক্ষ্যৰে মুকালমুৱাত নৃত্যৰ নিৰ্ভৰযোগ্য প্ৰশিক্ষণ প্ৰতিষ্ঠান এটি মুকলিৰ বাবে প্ৰস্তুতি চলাইছে। মুকালমুৱাস্থিত ফ্লোৰেঞ্চ স্কুলত শীঘ্ৰে নৃত্যৰ প্ৰশিক্ষণ কেন্দ্ৰটি মুকলি কৰা হ'ব বুলি জানিবলৈ দিয়ে মুকালমুৱা অঞ্চলৰ আগশাৰী নৃত্য শিল্পী দেইজী তালুকদাৰে।৩০ খন সীমিত আসনৰ সুবিধা লৈ ইতিমধ্যে নাম ভৰ্তিৰ প্ৰক্ৰিয়া সম্পুৰ্ণ কৰি তুলিছে আয়োজক মণ্ডলীয়ে। প্ৰতিষ্ঠানখনত আধুনিক নৃত্য, বিহু নৃত্য, খেৰাই নৃত্য, হিপ হপ নৃত্যকে ধৰি বিভিন্ন নৃত্যৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিয়ে দেইজী তালুকদাৰে। ইচ্ছুক তথা আগ্ৰহী যুৱক-যুৱতীয়ে ৯৩৯৫৫-৪৬৩৮১ অথবা ৯৩৬৫০-৯৩৪৯৩ ম'বাইল নম্বৰত আগতীয়াকৈ যোগাযোগ কৰি নাম ভৰ্তিৰ প্ৰ-পত্ৰ লাভ কৰিব পাৰিব বুলি জানিবলৈ দিয়ে।

## বিদ্যানগৰত নাবালিকাক ধৰ্ষণৰ অপচেষ্টা, লম্পট যুৱকক জে'ললৈ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৪ জুন ঃ** ৰাজ্যত পুনৰ এজন লম্পটে এগৰাকী নাবালিকাক ধৰ্ষণৰ অপচেষ্টা চলোৱাৰ এক ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, কামৰূপ জিলাৰ বকো সমষ্টিৰ নগৰবেৰা আৰক্ষী থানাৰ অন্তৰ্গত নগৰবেৰাৰ বিদ্যানগৰত সংঘটিত হৈছে এনে লজ্জাজনক ঘটনা। বিদ্যানগৰৰ মহিদুল ইছলাম নামৰ এজন লম্পট যুৱকে পথত খেলি থকা অৱস্থাত নাবালিক এগৰাকীক ধৰ্ষণৰ অপচেষ্টা চলায়। নাবালিকজনী এই ঘটনা অইনক জনালে হত্যাৰ ভাবুকিও দিয়ে লম্পট যুৱকজনে। পিছত নাবালিকাজনীয়ে চিঞৰ-বাখৰ কৰাত ঘটনাটো পোহৰলৈ আহে। ঘটনাই সৃষ্টি কৰিছে তীব্ৰ চাঞ্চল্যৰ। পিছত ঘটনা সংক্ৰান্তত নাবালিকাজনীৰ পিতৃয়ে ইতিমধ্যে নগৰবেৰা আৰক্ষী থানাত যুৱকজনৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰাত উক্ত এজাহাৰৰ ভিত্তিত নগৰবেৰা আৰক্ষীয়ে নিশাই যুৱকজনক আটক কৰি আজি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। এই জঘন্য ঘটনাই নগৰবেৰা অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।



## আগন্তুক পঞ্চায়ত আৰু লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি শিৱসাগৰ বিজেপিৰ গুৰুত্বপূৰ্ণ সাংগঠনিক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, দ্ৰোৰ্ণ খণ্ডীয়া শিৱসাগৰ, ৪ জুন ঃ** শনিবাৰে শিৱসাগৰ জিলা হাঁহচৰা ক্ৰীড়া আৰু সাংস্কৃতিক কেন্দ্ৰ প্ৰকল্পৰ প্ৰেক্ষাগৃহত আগন্তুক পঞ্চায়ত আৰু লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্যৰাখি ভাৰতীয় জনতা পাৰ্টিৰ এখনি গুৰুত্বপূৰ্ণ সাংগঠনিক সভা অনুষ্ঠিত হয়। উক্ত সভাত ভাৰতীয় জনতা পাৰ্টিৰ শিৱসাগৰ জিলাৰ সভাপতি ময়ুৰ বৰগোহাঁই, যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ, ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, জিলা প্ৰভাৰী শ্ৰীযুত ৰূপম গোস্বামী, সহ-প্ৰভাৰী সুভাষ দত্ত আৰু থাওৰা বিধানসভা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই উপস্থিত থাকে। উক্ত সভাত জিলাৰ বিষয়ববীয়া তথা মণ্ডল সমূহৰ প্ৰভাৰী, জিলা পৰিষদৰ তত্বাৱধায়ক, পঞ্চায়ত তত্বাৱধায়ক,সহ-তত্বাৱধায়ক, শিৱসাগৰ জিলাৰ চাৰিখন পৌৰসভাৰ সভাপতি সকল উপস্থিত থাকে। উল্লেখ্য যে, উক্ত সাংগঠনিক সভাখনত ভাৰতীয় জনতা পাৰ্টীৰ শিৱসাগৰ জিলাৰ পঞ্চায়ত নিৰ্বাচন আৰু আগন্তুক লোকসভাৰ নিৰ্বাচনৰ প্ৰস্তুতিৰ ওপৰত বিভিন্ন বিষয়ৰ ওপৰত আলোকপাত কৰা হয়। ভাৰতীয় জনতা পাৰ্টীৰ শিৱসাগৰ জিলাৰ সভাপতি ময়ুৰ বৰগোহাঁয়ে সভাপতিত্ব কৰা সভা খনিত পুৱাৰ ভাগত দলীয় পতাকা উত্তোলন কৰে শিৱসাগৰ জিলাৰ ভাৰতীয় জনতা পাৰ্টীৰ সভাপতি ময়ুৰ বৰগোহাঁয়ে। বন্তি প্ৰজ্বলন আৰু মাতৃ বন্দনা কৰে শিৱসাগৰ জিলাৰ প্ৰভাৰী ৰূপম গোস্বামী আৰু সহঃপ্ৰভাৰী সুভাষ দত্তই। সভাৰ উদ্দেশ্যে ব্যাখ্যা কৰে বিজেপিৰ শিৱসাগৰ জিলাৰ সাধাৰণ সম্পাদক প্ৰনৱ চেতিয়াই। সভাত আগন্তুক পঞ্চায়ত আৰু লোক সভাৰ নিৰ্বাচনৰ ওপৰত বহুত গুৰুত্বপূৰ্ণ মন্তব্য ৰাখে সাংসদ তপন কুমাৰ গগৈয়ে। লগতে ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই নিৰ্বাচনৰ বাবে দলটোৰ কৰ্মী সকলক টঙালি বান্ধিবলৈ তেজস্বী ভাষণ প্ৰদান কৰে। সভাত উপস্থিত থাকে ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য সমীৰ গগৈ, মানস সন্দিকৈ। শেষত ৰাষ্ট্ৰীয় সংগীতেৰে সভাখনৰ সামৰণি পৰে।

## মহুৰামুখৰ বৰটিকা স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰত প্ৰসৱপূৰ্বক স্বাস্থ্য পৰীক্ষা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ৪ জুন ঃ** গৰ্ভৱতী মহিলা আৰু নৱজাতকৰ মৃত্যু ক্ৰমাত বৃদ্ধি পাই অহাৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰৰ স্বাস্থ্য বিভাগে বিশেষ আঁচনি গ্ৰহণ কৰি আহিছে।ইয়াৰে অংশ হিছাপে বোকাখাত মহকুমাৰ মহুৰামুখৰ বৰটিকা স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰত প্ৰসূতিৰ স্বাস্থ্যৰ গুণগত মানদণ্ডৰ প্ৰতিশ্ৰুতিৰে ৬ দিনীয়াকৈ বিশেষ প্ৰসৱপূৰ্বক স্বাস্থ্য পৰীক্ষাৰ আজি সমাপ্ত হৈছে।সামুহিক স্বাস্থ্য বিষয়া ত্ৰৈলোক্য শইকীয়াৰ নেতৃত্বত ৯ খন গাৱঁৰ প্ৰসূতি সকলক সামৰি কৰা স্বাস্থ্য পৰীক্ষাত প্ৰসূতিৰ ৰক্তহীনতা, ৰক্তচাপ,সন্তানৰ অৱস্হিতি,প্ৰসূতিৰ স্বাস্থ্য আদিৰ ওপৰত বিষেষ গুৰুত্ব প্ৰদান কৰা হয় আৰু অধিক জটিলতা থকা প্ৰসূতিক উন্নত স্বাস্থ্যৰ বাবে উন্নত স্হানলৈ স্হানান্তৰ কৰা হয়।ইফালে ব্ৰহ্মপুত্ৰৰ মাজত অৱস্হিতি লহৰে আৰু শিয়াল চাপৰীৰ গৰ্ভৱতী সকলে ব্ৰহ্মপুত্ৰৰ কেইবাটাও সুঁতি পাৰ হৈ বহু কষ্টৰ মাজতো আহি উক্ত স্বাস্থ্য পৰীক্ষাত অংশ লোৱাত সন্তুষ্টি প্ৰকাশ কৰিছে স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰটোৰ কৰ্তৃপক্ষই। সামুহিক স্বাস্থ্য বিষয়া ত্ৰৈলোক্য শইকীয়াক উক্ত ৬ টা দিনৰ স্বাস্থ্য পৰীক্ষাত সহযোগ কৰিছে আশা চুপাৰভাইজাৰ মৌচুমী শইকীয়া,দুগৰাকী এ এন এম ক্ৰমে মৌচুমী ডেকা আৰু পদ্মেশ্বৰ মিৰ্ধাৰ লগতে ৯ খন গাৱঁৰ ৯ গৰাকী আশা কৰ্মী।

## 'দ্য নিউজ লেন্স'ৰ প্ৰথম বাৰ্ষিক বৰ্ষপূৰ্তিৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছয়গাঁও, ৪ জুন ঃ** এবছৰ পূৰ্ব দক্ষিণ কামৰূপ মিৰ্জাৰ পৰা জন্ম লাভ কৰি ইতিমধ্যে ৰাইজৰ মাজত ভূয়সী সমাদৃত হোৱা নিউজ পৰ্টেল চেনেল 'দ্য নিউজ লেন্সৰ অহা জুনত প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস। পৰিচালন সঞ্চালক বিশ্বজিৎ কলিতাই জানিবলৈ দিয়া মতে মিৰ্জাস্থিত যাদব কমপ্লেক্সৰ মুখ্য কাৰ্যালয়ত বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰিবলৈ লোৱা কাৰ্যক্ৰমণিকা অনুসৰি পুৱা ৫ বজাত পতাকা উত্তোলন কৰিব আবকাৰী বিভাগৰ সচিব কমল কুমাৰ বৈশ্য। মঞ্চ মুকলি কৰিব বিশিষ্ট ব্যৱসায়ী বাবুলাল জৈনে। ১০-১৫ বজাত শ্বহীদ বেদীত মাল্যাৰ্পণ কৰিব কামৰূপ জিলা উপায়ুক্ত কৈলাশ কাৰ্তিক এনে। বন্তিপ্ৰজ্বলন কৰিব বিশিষ্ট ব্যৱসায়ী তথা সমাজ কৰ্মী অনিল দাসে শ্বহীদ তৰ্পণ কৰিব বিধায়ক হেমাঙ্গ ঠাকুৰীয়াই। ১০-৩০ বজাত 'দ্য নিউজ লেন্স'ৰ নতুন ভৱনৰ দ্বাৰ মুকলি কৰিব সমাজকৰ্মী শান্ত লাল জৈনে আৰু ললিত কুমাৰ জৈনে। বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰিব পশ্চিম কামৰূপ বন সংমণ্ডল বিষয়া ডিম্পী বৰাই। ১১বজাত সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰিব কামৰূপ জিলা আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়। তাৰ পিছত অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক জগদীশ পাটগিৰিৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰিব অসম মাধ্যমিক শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চান্দ জৈন। সভাত উপস্থিত থাকিব সাংসদ অজিত কুমাৰ ভূঞা, ড: গুণেশ্বৰ চহৰীয়া, ভুবিন ৰাভা।সন্ধিয়া সাংস্কৃতিক মঞ্চ মুকলি কৰিব বিজেপি যুৱ মৰ্চাৰ হিমাংশু শেখৰ বৈশ্য আৰুসংগীত পৰিৱেশন কৰিব জনপ্ৰিয় কণ্ঠশিল্পী কুমাৰ ভৰেশে। উদ্যোক্তাসকলে আটাইৰে উপস্থিতি কামনা কৰিছে।

## তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ সফল সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৪ জুন ঃ** পহিলা জুন আৰু আজি গুৱাহাটী মহানগৰীত ৰাজ্যৰ শিক্ষা বিভাগে সামগ্ৰিক উত্তৰণৰ বাবে তৃতীয় পৰ্যায়ৰ গুণোৎসৱ পাণবজাৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ সফল সামৰণি পৰে। দ্বিতীয় দিনৰ প্ৰাতঃ সভাৰে আৰম্ভ হোৱা অনুষ্ঠানত বিদ্যালয়ৰ নিৰীক্ষক প্ৰিয়ম্বদা চুতীয়া, সহায়ক ৰাজীৱ ৰঞ্জন ধৰ, চি আৰ চি ইস্বিতা ধৰ, বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী বন্দনা বৰুৱা, সহ শিক্ষয়িত্ৰী দেৱাহুতী শইকীয়া, ৰিংকী শইকীয়া, পূৰ্ণিমা তালুকদাৰ, পৰিচালনা সমিতিৰ সভাপতি দীপমণি শৰ্মা, সদস্য ঘনকান্ত দাস, মাতৃ গোটৰ বিষয়ববীয়াসকল উপস্থিত থাকে।



## চটাই ঘৰফলীয়া প্ৰাথমিক বিদ্যালয়ত মুখ্য সচিব জিষ্ণু বৰুৱা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ৪ জুন ঃ** টীয়ক সমষ্টিৰ চটাইস্থিত ১১৩ নং ঘৰফলীয়া প্ৰাথমিক বিদ্যালয়ত অসম চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱা আজি উপস্থিত হৈ ছাত্ৰ ছাত্ৰী সকলৰ লগত বাৰ্তালাপ কৰে।উল্লেখযোগ্য যে মুখ্য সচিবগৰাকী গুনোৎসৱ উপলক্ষ্যে উক্ত বিদ্যালয়খনত উপস্থিত হৈ বিদ্যালয়ৰ পৰিৱেশ,আন্তঃগাঁথনিকে ধৰি ছাত্ৰ ছাত্ৰীৰ পঢ়াৰ মানদণ্ড আদিত আলোকপাত কৰি ছাত্ৰ ছাত্ৰী সকলক তেওঁৰ পাঠ্যক্ৰম অন্তভূক্ত বিভিন্ন বিষয়ত শিক্ষা প্ৰদান কৰি কিদৰে আগুৱাই যাব তাৰ ওপৰত মন্তব্য আগবঢ়ায়।ইপিনে অসমীয়া ভাষাৰ সমান্তৰালকৈ ইংৰাজী আৰু হিন্দী ভাষাটোও সৰুৰে পৰা ছাত্ৰ ছাত্ৰী সকলক শিকোৱাৰ ক্ষেত্ৰত শিক্ষক তথা অভিভাৱক সকলক গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান জনায়। ইপিনে এই গুণোৎসৱে অসমৰ শিক্ষাৰ ক্ষেত্ৰখনত আমোল পৰিৱৰ্তন আনিব আৰু এই ইতিবাচক পৰিৱৰ্তনে অনাগত দিনবোৰত ছাত্ৰ ছাত্ৰী সকলক সৰ্বত্তোপ্ৰকাৰে আগুৱাই নিয়াত সহায়ক হ'ব বুলি মুখ্য সচিবগৰাকীয়ে আশা প্ৰকাশ কৰে।


Affordable Health Mission
GNRC Quality•Value•Trust
স্বাস্থ্য-বাৰ্তা
প্ৰকাশ পালে জুন সংখ্যা
জিএনআৰচি স্বাস্থ্য




ওচৰৰ বিপণীৰ পৰা আপোনাৰ কপিটো আজিয়েই সংগ্ৰহ কৰক

## চামতাৰ বন বিভাগৰ কৰ্মচাৰী, সমাজকৰ্মী ভৱানী বৰ্মনৰ মৃত্যুত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ৪ জুন ঃ** পশ্চিম নলবাৰী ৰাজহ চক্ৰ বিষয়াৰ অন্তৰ্গত পশ্চিম চামতা শালেপাৰা চুবুৰিৰ সমাজকৰ্মী তথা ভূমি সংৰক্ষণ বিভাগৰ কৰ্মচাৰী ভৱানী বৰ্মনৰ যোৱা ২ জুনৰ নিশা ৭.৩০ বজাত মধুমেহ ৰোগত আক্ৰান্ত হৈ (৫৪) বছৰ বয়সত অকাল বিয়োগ হয়। ভৱানী বৰ্মন সৰুৰে পৰা এজন অতি সামাজিক আৰু হাস্যৰসিক মনৰ মানুহ আছিল। চামতা আঞ্চলিক ক্ৰীড়া সংঘৰো এজন সদস্য আছিল। ধৰ্মপুৰ সমষ্টিৰ বিধায়ক তদা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ অতি ঘনিষ্ঠ আছিল। যোৱা কিছুবছৰ ধৰি মধুমেহ ৰোগত আক্ৰান্ত হৈ বিভিন্ন চিকিৎসা কৰে যদিও লাহে লাহে ভৱানী বৰ্মনৰ শৰীৰ দুৰ্বল হৈ পৰে। পাছলৈ কিডনী আদিও দুৰ্বল হৈ পৰে। ভৱানী বৰ্মনৰ যদিও পশ্চিম চামতাৰ শালেপাৰাত ঘৰ, যোৱা কিছুবছৰ আগতে পশ্চিম নলবাৰী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখত খাটাৰূপীয়াবাথানত মাটি কিনি এটি সুন্দৰ ঘৰ সাজি থাকিবলৈ লৈছিল। যোৱা কিছুদিন আগতে ভৱানী বৰ্মন কিছু অসুস্থ হৈ পৰাত



নলবাৰীৰ সাৰথি হস্পিটাললৈ চিকিৎসাৰ বাবে নিয়ে যদিও উন্নত চিকিৎসাৰ বাবে গুৱাহাটী মেডিকেল কলেজ আৰু পিছলৈ গুৱাহাটীৰ এপল' হস্পিটালত চিকিৎসা কৰি চিকিৎসকে চিকিৎসা অব্যাহত ৰাখে যদিও নিয়তিয়ে তাক ক্ষমা নকৰিলে আৰু যোৱানিশা মৃত্যুবৰণ কৰে। তেখেতৰ মৃত্যুত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে চামতা আঞ্চলিক ক্ৰীড়া সংঘ, শালেপাৰা গাঁও উন্নয়ন সমিতি আদিয়ে গভীৰ সমবেদনা জনায়। কালি তেখেতৰ মৃতদেহ নৱনিৰ্মিত খাটাৰূপীয়াবাথানত থকা ঘৰলৈ আনে আৰু পিছত নিজ গাঁও পশ্চিম চামতালৈ নি অজস্ৰ গুণমুগ্ধৰ উপস্থিতিত ৰাজহুৱা শ্মশানত সৎকাৰ কৰা হয়। মৃত্যুৰ সময়ত পত্নীৰ লগতে এজন পুত্ৰক এৰি থৈ যায়।

ইণ্ডিয়ন বেঁক Indian Bank ইলাহাবাদ ALLAHABAD

মাণ্ডলিক কাৰ্যালয় ঃ শৰ্মা এণ্ড শৰ্মা মাৰ্কেট, দ্বিতীয় মহলা, আৰ. জি. বৰুৱা ৰোড, চানমাৰি, গুৱাহাটী, অসম- ৭৮১০০৩

ই-মেইল ঃ zoguwahati@indianbank.co.in

**পৰিশিষ্ট- IV-A [বিধি ৮ (৬) চাওক]**
**স্থাৱৰ সম্পত্তিৰ বিক্ৰীৰ বাবে বিক্ৰী জাননী**

**স্থাৱৰ সম্পত্তি বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী ছিকিউৰিটাইজেচন এণ্ড ৰিকনষ্ট্ৰাকচন অৱ ফাইনেনচিয়েল এছেটছ এণ্ড এনফোৰ্চমেণ্ট অৱ চিকিউৰিটি ইণ্টাৰেষ্ট এক্ট-২০০২ৰ অধীনত পঢ়ি উঠি চিকিউৰিটি ইণ্টাৰেষ্ট (এনফোৰ্চমেণ্ট) বিধি-২০০২ৰ বিধি ৮ (৬) অনুসৰি।**

এই জাননীৰ জৰিয়তে ৰাইজক সাধাৰণভাৱে আৰু ঋণ লওতাসকলক আৰু গেৰাণ্টাৰসকলক বিশেষভাৱে জনোৱা হ'ল যে তলত বৰ্ণনা কৰা স্থাৱৰ সম্পদৰ ছিকিউৰ্ড ক্ৰেডিটৰৰ ওচৰত বন্ধকীকৃত/নিৰিখিত, **কায়িক/কনষ্ট্ৰাকটিভ/প্ৰতিকী** ভাৱে (যিটো প্ৰযোজ্য হয়), ইণ্ডিয়ান বেংক, ৰঙিয়া দংপাৰ শাখাৰ কৰ্তৃত্বশীল বিষয়াই, ছিকিউৰ্ড ক্ৰেডিটৰে নিজৰ দখললৈ আনিছে। এই সম্পদ বিক্ৰী কৰিব 'য'ত আছে', 'যি হিচাপত আছে', 'যি ধৰণে আছে' ভিত্তিত অহা ০৭.০৭.২০২২ তাৰিখে উদ্ধাৰ কৰিবলৈ **৮৪,৭৫,০৭৪.০০টকা (চৌৰাশি লাখ পয়সত্তৰ হাজাৰ চৌষত্তৰ টকা কেবল)** (**৩১.০৮.২০২১** তাৰিখৰ ভিত্তিত) ইণ্ডিয়ান বেংক, ৰঙিয়া দংপাৰ শাখা, ছিকিউৰ্ড ক্ৰেডিটৰ, **মেছাৰ্চ বিকাশ এণ্টাৰপ্ৰাইজ, স্বত্বাধিকাৰী বিকাশ কুমাৰ দাস, তেতেলিগুৰি, ষ্টেচন ৰোড, ৱাৰ্ড নং ৯, ডাকঘৰ আৰু থানা-ৰঙিয়া, জিলা- কামৰূপ, অসম-৭৮১৩৫৪ৰ পৰা** (ঋণ লওতা আৰু গেৰাণ্টাৰৰ নাম আৰু ঠিকনা)।

ই-নিলামৰ জৰিয়তে বিক্ৰী কৰিব খোজা সম্পদৰ সবিশেষ বিৱৰণ তলত উল্লেখ কৰা হ'ল ঃ

| | |
|---|---|
| সম্পদৰ সবিশেষ বিৱৰণ | মুক্ত হৈ থকা ভূমিৰ সকলো সম্পদ আৰু অংশ আৰু এটা বিল্ডিং, নামত আছে শ্ৰী বিকাশ কুমাৰ দাস, পিতা-শ্ৰী মাণিক দাস, পঞ্জীয়ন বিক্ৰী দলিল নং ৮৬৯, তাৰিখ-১২.০৫.১৯৯৮, পৰিমাপ হ'ল ০৫ লেচা আৰু ০৩ লেচা (মুঠ-০৮ লেচা)। আৰৰি আছে দাগ নং ২৮০ আৰু ২৮১, কে পি পট্টা নং ৩০ আৰু ২২ যথাক্ৰমে অৱস্থিত আছে তেতেলিগুৰি, ষ্টেচন ৰোড, ৱাৰ্ড নং ৯, গাঁও গুৰুকুছি, পাণ্ডুৰি মৌজাৰ অধীনত, ৰঙিয়া, জিলা-কামৰূপ, অসম-৭৮১৩৫৪। |
| দায়বদ্ধতা, যদিহে আছে | অৱগত নহয় |
| সংৰক্ষিত মূল্য | ২৫,৪৭,৮২৩.০০টকা |
| ইএমডি পৰিমাণ | ২,৫৪,৭৮২.০০টকা |
| বিড ইনক্ৰিমেণ্টেল পৰিমাণ | ১০,০০০.০০ টকা |
| ই-নিলামৰ তাৰিখ আৰু সময়, ই-নিলাম সেৱা প্ৰদানকাৰীৰ প'ৰ্টেলত **https://www.mstcecommerce.com/auctionhome/ibapi** | ০৭.০৭.২০২২ দুপৰীয়া ০১.০০ বজাৰ পৰা বিয়লি ০৫.০০ বজালৈ |
| সম্পদৰ আইডি নং | আইডিআইবি ১১৩৬০২৯১৮২৬ |

নিবিদাকাৰীসকলক পৰামৰ্শ দিয়া হ'ল পৰ্যবেক্ষণ কৰিবলৈ ৱেবছাইট (**www.mstcecommerce.com**), আমাৰ ই-নিলাম সেৱা প্ৰদান কৰা এমএছটিচি লিঃৰ, যাতে অনলাইন মাধ্যমেৰে নিবিদাত অংশ ল'ব পাৰে। কাৰিকৰী সহায়ৰ বাবে অনুগ্ৰহ কৰি ফোন কৰিব পাৰিব এমএছটিচি হেল্প ডেস্ক নং ০৩৩-২২৯০১০০৪ আৰু অন্যান্য হেল্পলাইন নম্বৰ যিসমূহ উপলব্ধ আছে সেৱাকাৰীৰ হেল্প ডেস্কত। এমএছটিচি লিঃৰ পঞ্জীয়ন স্থিতিৰ বাবে অনুগ্ৰহ কৰি যোগাযোগ কৰিব পাৰে **ibapiop@mstcecommerce.com** আৰু ইএমডি স্থিতিৰ বাবে যোগাযোগ কৰিব পাৰে **ibapifin@mstcecommerce.com** সৈতে।
সম্পদৰ সবিশেষ আৰু সম্পদৰ ফটো আদিৰ বাবে, লগতে নিলামৰ চৰ্তাৱলীৰ বাবে পৰ্যবেক্ষণ কৰিব পাৰিব **https://ibapi.in** আৰু এই প'ৰ্টেলৰ বিষয়ৰ স্পষ্টীকৰণৰ বাবে অনুগ্ৰহ কৰি যোগাযোগ কৰিব পাৰিব হেল্পলাইন নম্বৰ '১৮০০১০২৫০২৬' আৰু '০১১-৪১১০৬১৩১' সৈতে।
**নিবিদাকাৰীক পৰামৰ্শ দিয়া হ'ল সম্পদৰ আইডি নং ব্যৱহাৰ কৰিবলৈ,** ওপৰত উল্লেখ কৰা অনুসৰি যেতিয়া ৱেবছাইট **https://ibapi.in** আৰু **www.mstcecommerce.com** ত সম্পদ পৰ্যবেক্ষণ কৰা হয়।

**তাৰিখ ঃ ০১.০৬.২০২২**
**স্থান ঃ ৰঙিয়া**
**কৰ্তৃত্বশীল বিষয়া**

*M. No. DA/BTC/K/Dev-4(Pt)/2022-23/280* *Dt. 03/06/2022*

**QUOTATION**

The Director of Agriculture, BTC, Kokrajhar invites Sealed quotation affixing non-refundable Court Fee Stamp of **Rs. 8.25** (Rupees Eight & Twenty-five paisa) only from the registered firm in BTC, suppliers for Vermi Compost under **"Organic Farming"** scheme for the year 2022-23 (SOPD) as per **(Sl. No. 1, 2, 3, 4 & 5)** as per term & conditions details given below and will be received up to **10-06-2022 at 3:30** PM and same will be opened on the same date & time. The quotations or their representative may present in the office of the undersigned at the time of opening.

| Sl. No. | Item | Variety/Type | Rate | Tender value | Remarks |
|---|---|---|---|---|---|
| 1 | Distribution of Vermi Compost for Kokrajhar District. | Reputed Company | Per qtl. | Rs. 16.00 Lakh | |
| 2 | Distribution of Vermi Compost for Chirang District. | Reputed Company | Per qtl. | Rs. 16.00 Lakh | |
| 3 | Distribution of Vermi Compost for Baksa District. | Reputed Company | Per qtl. | Rs. 16.00 Lakh | |
| 4 | Distribution of Vermi Compost for Tamulpur District. | Reputed Company | Per qtl. | Rs. 16.00 Lakh | |
| 5 | Distribution of Vermi Compost for Udalguri District. | Reputed Company | Per qtl. | Rs. 16.00 Lakh | |

**TERMS & CONDITON:**

1. The approved Firm / Supplier shall have to supply items within 7 (seven) days on receipt of supply order.
2. Details items may be seen in the office of the undersigned during the office hours from 04-06-2022 to 10-06-2022.
3. The Quotationers should submit up-to-date tax clearance certificate and BTC registration certificate issued by Director of Agril, BTC, Kokrajhar, Trade License Certificate, Dealership license, PAN Card, GST Registration Certificate etc. to the authority.
4. The Quotations should be submitted separately as per Sl. No. 1, 2, 3, 4, & 5 in sealed envelop superscribed on the cover as **"Organic Farming"** etc. for the year 2022-23.
5. The authority is not bound to accept the lowest rates of quotations and reserves all the right to reject any / all the tenders at a time without assigning any reason thereof.
6. The rate should be shown separately for different type of Articles and varieties including all Taxes.
7. The rate should be quoted inclusive FOR.
8. The quotationers will have to deposit 2% (for general) and 1% (for ST/SC/OBC/MOBC) as security money in the form of Bank Draft / Fixed Deposit / Call Deposit in favour of the ***Director of Agriculture, BTC, Kokrajhar*** as per scheme for the year 2022-23 which will be refundable in due course.

Sd/- M. Das,
Director of Agriculture,
BTC, Kokrajhar.

*IPR(BTC)-84/2022*



মোৰ নাম পংখী, বয়স ৭ বছৰ

# মিলিজুলি গঢ়োঁ



■ টুনমণি বৰদলৈ

চাইকেলখন লৈ কুশল শইকীয়াই ৰাস্তাইদি গৈ থাকোতে বিদ্যালয়ৰ ওচৰতে এজাক ১০-১৫ বছৰীয়া ল'ৰা-ছোৱালী জুম পাতি কথা পাতি থকা দেখি চাইকেলখন পথৰ কাষত ৰখাই সিহঁতৰ কাষ পালেগৈ। কুশল শইকীয়া এজন সমাজ সংগঠক তথা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত ডেকা-বুঢ়া, ল'ৰা-ছোৱালী সকলোৰে ককা। ৰমেন, বিজুলী, অংকিতা তোমালোক আজি কিয় স্কুল নগ'লা? ইয়াত কি কৰি আছা ?

সিহঁত আটাইকেইটাই ককাকক দেখি চিঞৰি ক'লে- ককা, আজি আমাৰ স্কুল বন্ধ।

তোমালোকৰ স্কুল বন্ধ, কিয় ? নাজানো ককা, আজি আমাক ছাৰহঁতে কিতাপ আনিবলৈ মানা কৰিছে কিন্তু স্কুল আহিবলৈ কৈছিল সেই বাবে আহিছো ককা। আমাক আজি গছপুলি ৰুবলৈ দিম বুলি কৈছে।

অ' হয় নেকি? তোমালোকে তাৰমানে আজি কিয় গছপুলি ৰুব লাগে নাজানা। অংকিতা, ৰুবলু, বাবলু, পিংকি তোমালোক সকলো মোৰ ওচৰলৈ আহা আমি সৌ আঁহতজোপাৰ তলতে বহোঁগৈ ব'লা।

আটায়ে গছজোপাৰ তলত ককাকক আগত লৈ শাৰী পাতি বহিল। ককাকে সকলোলৈকে চাই ক'বলৈ ধৰিলে-

আজি ৫ জুন, আজিৰ দিনটোকে বিশ্ব পৰিৱেশ দিৱস বুলি কোৱা হয়। কিয়নো আমাৰ পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি ১৯৭৪ চনৰ আজিৰ দিনটোত মানৱ জাতিৰ কল্যাণৰ বাবে সুস্থ পৰিৱেশ সংৰক্ষণ আৰু গোলকীয় উষ্ণতাৰ প্ৰতি সজাগ কৰিবৰ বাবে ৰাষ্ট্ৰ সংঘই বিশ্ব পাৰিপাৰ্শ্বিকতা দিৱস হিচাপে বছৰে বছৰে পালন কৰিবলৈ আহ্বান জনাইছিল। সেয়ে প্ৰতি বছৰতে একোটা মূলমন্ত্ৰ লৈ এই বিশ্ব পৰিৱেশ দিৱস বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান লগ-লাগি স্কুল-কলেজবিলাকত বেছিকৈ পাতিবলৈ লৈছে। কিয়নো স্কুলবিলাকত সৰহসংখ্যক ছাত্ৰ-ছাত্ৰী লগ হৈ এনে কাম কৰিবলৈ ভাল লাগে তথা বহু কথা ছাত্ৰ-ছাত্ৰীসকলক শিকাব পাৰি। বৰ্তমান গোলকীয় উষ্ণতা বিশ্বৰ সবাতোকৈ ভয়াৱহ সমস্যা, যাৰ ফলত পৃথিৱীৰ তাপমাত্ৰা ৬ ডিগ্ৰী চেলচিয়াছ বৃদ্ধি হ'বলৈ ধৰিছে। উষ্ণ প্ৰবাহৰ ফলত সুমেৰু আৰু এণ্টাৰ্কটিকাৰ বৰফ গলিবলৈ আৰম্ভ হোৱাৰ ফলত সাগৰপৃষ্ঠৰ উচ্চতা ৪০ চেণ্টিমিটাৰ পৰ্যন্ত বৃদ্ধি হোৱাৰ সম্ভাৱনাই দেখা দিছে। জহৰ দিনৰ সংখ্যা বৃদ্ধি হৈ জাৰৰ দিন কমি ধুমুহা আৰু বনজুইৰ মাত্ৰা বাঢ়িব ধৰিছে। এতিয়া আমাজানলৈ মন কৰাচোন বনজুইয়ে জীৱকুলৰ বাসস্থান ক্ৰমান্বয়ে শেষ কৰি পেলাইছে আৰু সেই আমাজানৰ পৰাই পৃথিৱীয়ে ২০ শতাংশ অ'ক্সিজেন পায় আছিল গম পাইছানে। এতিয়া ভাবাচোন আমাৰ বাবে এয়া কিমান ক্ষতি হৈছে। ইয়াৰ ফলতে অচিন ৰোগৰ সৃষ্টি হ'ব ধৰিছে, এলাৰ্জিৰ প্ৰকোপ বাঢ়িবলৈ লৈছে, জীৱ-জন্তুৰ আচৰণ সলনি হৈ অখাদ্য ভক্ষণ কৰিবলৈও লৈছে। এইবিলাকৰ পৰা পৰিত্ৰাণ পাবলৈ আমি গছপুলি ৰোপণ কৰিব লাগিব। গছ থাকিলেহে প্ৰাকৃতিক ভাৰসাম্য অটুট থাকিব, গম পাইছা। পিছে এটা কথা নহয়, গছপুলি বুলি ক'লে কোনবোৰ গছ হ'ব পাৰে তোমালোকে জানানে বাৰু ?

ককা, তুমিয়েই কোৱাচোন? - অংকিতাই ককাকক সুধিলে।

ককাকে ক'লে - বাঁহ, টকৌ, তামোল, নাৰিকল, কল এইবোৰক কিন্তু আমি ৰুবলৈ লোৱা গছ বুলি ধৰা নাযায়, কিয়নো ইহঁতৰ কাণ্ডৰ পৰা ঠাল-ঠেঙুলি নোলায়। আমি ৰুবলৈ লোৱা গছপুলি বুলি ক'লে আঁহত গছ, কঁঠাল গছ , গমাৰী গছ, আম গছ, বৰ গছ, বকুল গছ আদিৰ পুলিকহে বুজায়।

অ' হয় নেকি ককা, পিছে গছৰ তলত বহিলে কিয় সোনকালে ঠাণ্ডা অনুভৱ হয় ? -ৰমেনে ককাকক সুধিলে।

ককাকে ক'লে - গছৰ তলত বহিলে ঠাণ্ডা লগাৰ মূল কাৰণটো হ'ল বাষ্পীভৱন। বাষ্পীভৱনৰ ফলত গছৰ তলত স্বাভাৱিক উষ্ণতা হ্ৰাস পায় সেয়ে শীতল অনুভৱ কৰোঁ।

পিংকীয়ে ককাকক সুধিলে - ককা লাজুকী বনৰ পাতবোৰ চুই দিলে জাপ খাই যায় কিয় ?

ককাকে ক'লে - তৃণভোজী প্ৰাণীৰ পৰা নিজকে ৰক্ষা কৰিবৰ বাবে লাজুকী বনৰ পাতবোৰ চুই দিলে জাপ খায় যায়, কাৰণ পাতবিলাকত দুই ধৰণৰ কোষ থাকে প্ৰসাৰক আৰু সংকোচক নামৰ । পাতবোৰ চুই দিলে প্ৰসাৰক কোষলৈ পানী প্ৰৱাহিত হৈ পাতবোৰ শিথিল হৈ পৰে ফলত পাতবোৰ জাপ খায় যায়। বাৰু, তোমালোকে কোৱাচোন আমাৰ চাৰিওফালে থকা জীৱ-জন্তুৰ পৰা আমি কি কি শিকিব পাৰোঁ।

কি কি শিকিব পাৰো ককা ? - আটায়ে একেলগে সুধিলে।

ককাকে ক'লে - শুনা তেতিয়াহ'লে, তোমালোকে মন কৰিবাচোন ভেৰা এবিধ শান্ত প্ৰাণী সেয়ে আমি ভেড়াৰ দৰে শান্ত হ'ব লাগে, কুকুৰৰ দৰে প্ৰভুভক্ত হ'ব পাৰিব লাগে, পৰুৱাৰ দৰে সঞ্চয়ী হ'ব লাগে , মৌ-মাখিৰ দৰে কৰ্মী হ'ব লাগে, মাছৰোকাৰ দৰে লক্ষ্য স্থিৰ কৰিব লাগে, বগলীৰ দৰে ধৈৰ্যশীল হ'ব লাগে আৰু হাতী ৰাস্তাৰে গ'লে কুকুৰে ভুকে তোমালোকে মন কৰিছা নিশ্চয়। হাতীয়ে কিন্তু কুকুৰৰ ফালে কেৰাহীকৈও নাচায় ইয়াৰ অৰ্থ হল সৎ আৰু নিকা মানুহে অযথা সমালোচনালৈ কেতিয়াও ভয় কৰিব নালাগে। এটা কথা ঠিক কিন্তু শিয়ালৰ দৰে ধূৰ্ত আৰু চিতল মাছৰ দৰে ইলুটি-সিলুটি অৰ্থাৎ দুতলীয়া কেতিয়াও হ'ব নালাগে গম পাইছানে। এহ ব'লা ব'লা বহু সময় হ'ল আমি সকলোৰে মিলি গছপুলি ৰোৱগৈ ব'লা। বতৰো অলপ এতিয়া ঠাণ্ডা কৰিছে। তোমালোকে গাঁত খান্দা দেই আমি সৌ হাবিখনৰ পৰা ভাল চাই গছপুলি দুটামান আনোগৈ। ৰবীন , তুমি শৰ্মা বৰ্তাৰ ঘৰৰ পৰা কলপুলি দুটাও লৈ আহাগৈ যোৱা অহা বছৰৰ পৰা আমি ইয়াতে বহি কল-বুট তেতিয়াহে খাব পাৰিম নহয় জানো। বাবলু তুমি কলৰ গাঁতটো এহাত এমুঠন দিবা , তেতিয়াহে কলৰ গোটবোৰ ভাল হ'ব। সকলোৱে হাঁহি-ধেমালিৰে মিলিজুলি হাতে-কামে লাগিবলৈ।

ফোনঃ ৯৯৫৪৬৪৮০



# বাৰীৰ ফলমূলবোৰ


■ গৌৰী মহন্ত

ভীম মালভোগ জাহাজী
জাতি মনোহৰ তুলসী
অনেক আছে কল,
বিধে বিধে কল খাই
শৰীৰত বঢ়োৱা বল।
গছৰ পৰা ছিঙি আনা
এপাচি পকা আম,
আহাৰ মাহত সকলোৱে
ভগাই মেলি খাম।
শৰীৰটো যদিও খহুলা,
কঁঠাল ফলৰ ৰজা,
গৰমৰ দিনত কঁঠালগুটি পিটিকাৰে
লোৱা পঁইতা ভাতৰ মজা।
বাৰীৰ ঢাপত শাৰী শাৰী
আনাৰস ৰুই থ'বা,
পূৰঠ হ'লে ছিঙি আনি
তাৰ সোৱাদ ল'বা।
ডাঙৰ গছ নাচপতি
লোমা লোমে লাগে,
লেটেকু পনিয়লৰ নাম শুনিলে
জিভাৰ পানী পৰে।
আমলখিত আছে অপাৰ পুষ্টি
লাগে ডাল-পাত ভৰি,
তেঁতেলি অমৰা এই ফলবোৰত
গুণ আছে ঔষধি।
গছত আছে অসংখ্য লিচু
থোকা থোকে লাগি,
জাক পাতি পাতি পুৱাতেই আহি
ভাটোবোৰে খাই খুঁটি।
কাঁইটৰ মাজত লাগি আছে সৌৰা
শাৰী পাতি কুটকুৰা,
বিন্ধিব কিন্তু সাৰধানে ছিঙি
ভাগ বটোৱাৰা কৰি লোৱা।
অতিকৈ টেঙা কৰ্দৈ ফল
আচাৰ কৰি থোৱা,
খাবলৈ সুস্বাদু পকা ৰহদৈ
গছৰ যত্ন লোৱা।
জাৰৰ দিনত কমলা, চকলা
ৰবাব খাবা কাটি,
পকাই-কেঁচাই বগৰী নিমখ
কেতিয়াও নাখাবা ৰাতি।
বাৰীৰ সতেজ ফলমূল খাবলৈ
ফলৰ গছ ৰুবা,
বতৰৰ ফল বতৰত খাবা
সু-স্বাস্থ্যৰ গৰাকী হ'বা।
*ফোন ঃ ৯৪৩৫৭-৪২০৮৪*

# পাঠশালাৰ পদ্য

■ মঞ্জিত হাজৰিকা

এদিন সন্ধিয়া ককাই নাতিক
কাষত বহাই ল'লে,
মৰমেৰে মূৰত হাত ফুৰাই
সাধু এটি ক'লে।
শুনা নাতি আজি তোমাক
ক'ম অতীজৰ কথা,
আমাৰ দিনত পাঠশালালৈ
হৈছিল কেনেকৈ যোৱা।
ধূলি-বালিৰে উমলি থাকোতেই
হ'লো ছবছৰীয়া শিশু,
বিদ্যালয়নো কি বস্তু
গমেই পোৱা নাছিলো।
এদিন গধূলি পিতায়ে মোক
ক'লে এষাৰ কথা,
পোনাকণ কালিলৈ ন বজাত
পাঠশালালৈ যাম ওলাবা।
কথা শুনি পিতাইৰ মই
ৰ' লাগি চালো,
পিতাইৰ মুখত জিলিকি থকা
হাঁহি এটি দেখিলোঁ।
পিছদিনা মোক পুৱাতে আয়ে
কাপোৰ পিন্ধাই দিলে,
মৰম কৰি বোলে পোনা
পঢ়িবি দেই ভালকে।
কিনো কথা ক'লে আয়ে
পিছে বুজিহে নেপালোঁ,
পাঠশালালৈ আহিহে আচল
কথাটি বুজি পালো।
এখন শৰাইত তামোল-পাণ দি
পিতায়ে সেৱা ল'লে,
ল'ৰাটিক আপোনাক গতালো বুলি
কথা এষাৰ ক'লে।
সিদিনাৰ পৰাই নিতৌ ন বজাত
পাঠশালালৈ যাব লাগে,
অ, আ, ক, খ আৰু নেওঁতা
সদায় গাওঁ লগে-ভাগে।
পাঠশালাত আখৰ শিকি
বিশ্ববিদ্যালয়লৈ গ'লো,
শিক্ষিত হৈ পিছলৈ জানা
চাকৰি এটিও পালো।
পিছে পোনা তত্বৰ কথা
কওঁ এষাৰি শুনা,
চাকৰিমুখী শিক্ষাত পিছে
নেথাকে জীৱনৰ কথা।
পঢ়িবা লিখিবা শিকিবৰ বাবে
শিক্ষাই জ্ঞান দিয়ে,
জ্ঞানে জীৱনৰ সকলো পথ
সুগম কৰি তোলে।
আজি তোমাক সাধুৰ মাজত
ক'লো অতীজৰ কথা
চকুলৈ তোমাৰ টোপনি আহিছে
আইৰ কাষলৈ যোৱা।
*ফোন ঃ ৬০০০৭-০৯০৯৬*



সৃষ্টি দাস, অৰুণোদয় ইংলিছ মিডিয়াম স্কুল, দশম শ্ৰেণী

# স্কুলীয়া মিমি

■ বীণা বৰুৱা

আমাৰ মিমি স্কুললৈ যায়
কিমান যে তাইৰ ৰং,
স্কুল বন্ধ বুলি ক'লেই দেখোঁ
নাকতে উঠে খং ।
ঘৰত একো খাবই নোখোজে
স্কুলত টিফিন খায়,
টিফিনক যদি জলপান বোলো
পোন্দোৱাকৈ চায় ।
ৰাইম্‌ছ গাই ভাল পায় তাই
পদ্য কিন্তু নাগায়,
পদ্য যদি মই গাই শুনাওঁ
মুখলৈকে নাচায় ।
ৰাষ্ট্ৰীয় সংগীত 'জন গণ মন'
দুদিনতে শিকিলে পাছে,
জাতীয় সংগীত 'আপোনাৰ দেশো'
গাই গাই তাই নাচে ।
স্কুললৈ যোৱা এমাহমানহে হৈছে
পৰীক্ষাৰ ৰুটিন দিলে
পৰীক্ষা যে কি বুজিয়েই নাপায়,
খাই নে কাণত পিন্ধে ।



# গছ

গছেই দিয়ে আমাক অক্সিজেন
গছেই আমাৰ প্ৰাণ
গছ অবিহনে এই জগতত–
নাথাকে জীৱ আন।
গছে দিয়ে ফলমূল
আমাক
গছে দিয়ে ছাঁ,
ঘামি জামি গৰমত বহো
দিয়ে মলয়াৰ- বা।
গছ ৰুই কৰিম
আমি সংৰক্ষণ
কৰিম প্ৰদূষণ ৰোধ
বিশ্বত শান্তিৰ পৰিৱেশ গঢ়িম
গছক কৰিম মোহ... ।


■ জুৰি শৰ্মা ডেকা
*ফোন ঃ ৯৩৯৫০-৭৩৮৭৭*

# মৰমৰ অকণিহঁত-

মৰম ল'বা । ভালে আছা নিশ্চয় । আজি কি দিৱস তোমালোকৰ বাৰু সকলোৱে মনত আছেনে ? আজি হ'ল বিশ্ব পৰিৱেশ দিৱস । প্ৰত্যেক বছৰৰ ৫ জুন তাৰিখটো সমগ্ৰ বিশ্বতে 'বিশ্ব পৰিৱেশ দিৱস' হিচাপে পালন কৰি অহা হৈছে । ১৯৪৭ চনৰ আজিৰ এই দিনটোতে সমগ্ৰ মানৱ জাতি তথা সমগ্ৰ জীৱকুলৰ কল্যাণৰ বাবে আৰু সুস্থ পৰিৱেশ ৰচনাৰ বাবে আৰু গোলকীয় উষ্ণতাৰ প্ৰতি সকলোকে সজাগ কৰিবৰ বাবে ৰাষ্ট্ৰসংঘই প্ৰতি বছৰে এই বিশ্ব পাৰিপাৰ্শ্বিকতা দিৱস হিচাপে পালন কৰিবলৈ আহ্বান জনাইছিল । আৰু তেতিয়াৰে পৰা প্ৰতি বছৰৰ ৫ জুন তাৰিখে সমগ্ৰ বিশ্বতে এই দিৱস বৰ উলহ-মালহেৰে পালন কৰি অহা হৈছে । আমাৰ মানুহৰ বহু ভুলৰ বাবে আৰু সজাগতাহীনতাৰ বাবেই জধে-মধে গছ-গছনি কটাৰ ফলত, পাহাৰ আদি কাটি, মাটি খান্দি তহিলং কৰাৰ ফলতে আমাৰ চাৰিওফালে থকা পৰিৱেশ বিনষ্ট হোৱাৰ লগতে বায়ুমণ্ডল ভয় লগা ধৰণে দূষিত হৈ পৰিছে । যাৰ ফলত গোলকীয় উষ্ণতা দিনে দিনে বৃদ্ধি হৈ গৈ আছে আৰুবায়ুমণ্ডল দূষিত হৈ পৰাৰ ফলত নানা ধৰণৰ বেমাৰ-আজাৰ আদিও বৃদ্ধি পাবলৈ ধৰিছে । প্ৰকৃতিৰ এই বিনন্দীয়া পৰিৱেশ যেনেদেৰে প্ৰতিদিনে ধ্বংস কৰি আছো আমি মানুহ নামৰ সভ্য জাতিটোৱে, ফলত ইয়াৰ কু-প্ৰভাৱ অকল যে মানুহৰ ওপৰতে পৰিছে এনে নহয় । প্ৰকৃতিৰ সকলো প্ৰাণী যেনে-চৰাই-চিৰিকটি, জীৱ-জন্তু সকলোৱে ওপৰত পৰিছে । ফলত আজি পৃথিৱীৰ বুকুৰ পৰা বহু পখী-পক্ষী, জীৱ-জন্তু বিলুপ্ত হ'বলৈ ধৰিছে । সেয়ে তোমালোকেও প্ৰকৃতি ধ্বংস ৰোধৰ একোগৰাকী সক্ৰিয় যোদ্ধা হোৱা । হোৱাই-নোহোৱাই গছ-গছনি, তৰু-তৃণ ধ্বংস নকৰিবা আৰু আনকো এনেবোৰ দুষ্কাৰ্যৰ পৰা বিৰত থাকিবলৈ আহান জনোৱা । য'তে-ত'তে জাবৰ-জোঁথৰ পেলাই আমাৰ চাৰিও কাষৰ পৰিৱেশ নষ্ট কৰাৰ পৰাও বিৰত থাকিবা । তেতিয়াহে বিশ্ব পাৰিপাশ্বিকতা দিৱস পালনৰ অৰ্থ থাকিব। অ' এটা কথা এইবাৰৰ বিশ্ব পৰিৱেশ দিৱস-২০২২ৰ শ্ল'গান কি জানানে? শ্ল'গানটো হ'ল— 'এখনেই মাথোঁ পৃথিৱী' (Only One Earth)।! সেউজীয়া ধৰণীখন সেউজীয়া কৰি ৰাখিবলৈ আমাক লাগিব এটা সেউজীয়া মন আৰু তেতিয়াহে পৃথিৱীখনো সেউজীয়া হৈ থাকিব। আমি এই দিৱসতে প্ৰকৃতিক সুন্দৰ কৰি ৰখাৰ পণ লওঁ আহা। বাৰু আজিলৈ এৰিছো দেই।



তোমালোকৰ-
ভূপেন মামা



# ঢোল হেন কণী পাৰে চুঙাৰ বাদুলী

■ বন্দনা মহন্ত

মৰমৰ মইনাহঁত !

তোমালোকে এটা ফকৰা যোজনা শুনিছানে?

'ঢোল হেন কণী পাৰে চুঙাৰ বাদুলী।' তাৰ মানে কি বাৰু ? তাৰ মানে হৈছে যিটো কথা কেতিয়াও সম্ভৱ নহয়। অৰ্থাৎ চুঙাৰ বাদুলীবোৰ সৰু সৰু, সিহঁতে ঢোলটোৰ সমান কণী পাৰিব নোৱাৰে। পাৰিব জানো? আমাৰ অসমত বাদুলী দুই প্ৰকাৰৰ দেখিবলৈ পাওঁ। এবিধ হৈছে বৰ বাদুলী, আন বিধ হৈছে চুঙা বাদুলী। বৰ বাদুলীক বাদুলী বুলিয়েই কোৱা হয়। চুঙা বাদুলীবোৰে চুঙা বা সৰু সৰু পুৰণা বিন্ধাবোৰত সোমাই থাকে। বৰ বাদুলীবোৰে জাক পাতি গছত ওলমি থাকি বসবাস কৰে। বাদুলী হৈছে পৃথিৱীৰ একমাত্ৰ স্তন্যপায়ী উৰিব পৰা জন্তু। বাদুলীৰ বৈজ্ঞানিক নাম হ'ল CHIROPTERA . গ্ৰীক ভাষাত Cমানে হাত আৰু pteron মানে পাখি। বাদুলীৰ শৰীৰৰ আকাৰৰ জোখমতে মগজটো অন্য প্ৰজাতিৰ প্ৰাণীতকৈ ডাঙৰ হয়। বাদুলীক চৰাই বুলি ভুল নকৰিবা। বিজ্ঞানীসকলে বিশ্বাস কৰে যে পৃথিৱীলৈ বাদুলীৰ আগমন ঘটিছিল প্ৰায় ১০ লাখ বছৰৰ আগতে। বেছি ভাগ বাদুলীৰ শৰীৰৰ বৰণ মুগা আৰু ক'লা হয়। ঠাইভেদে কমলা ৰং থকা বাদুলীও পোৱা যায়। বাদুলীৰ পাখি দুখন আঙুলিৰ হাড়ৰ ৰূপান্তৰ, ওপৰৰ অংশটো এখন পাতল ছালেৰে ঢাকি ৰাখে। বাদুলীৰ কাণ নিগনিৰ দৰে। বাদুলীক বহুতে অন্ধ বুলি ভাবে। প্ৰকৃততে ই অন্ধ নহয়। বাদুলীয়ে দুৰ্বল ঠেংৰ বাবে খোজকাঢ়িব আৰু থিয় হ'ব নোৱাৰে। গছৰ ডালত নাইবা যিকোনো ঠাইত ওলমি থাকে। বাদুলীবোৰৰ কিছুমান কাম অন্য জীৱ-জন্তুৰ লগত অকণো নিমিলে। ইহঁতে নিশা চিকাৰ কৰে আৰু দিনত শোৱে। সেয়েহে ইহঁতক নিশাচৰ প্ৰাণী বুলি কোৱা হয়। বাদুলীয়ে চিকাৰ কৰিবলৈ দৃষ্টি শক্তিৰ ওপৰত নিৰ্ভৰ নকৰে। ইহঁতে ডাঙৰ শব্দ মুখেৰে উলিয়াই উৰি থাকে। এই শব্দ মানুহে নুশুনে। কিয়নো ইহঁতে কৰা শব্দৰ প্ৰাবল্য বহুত বেছি । সিহঁতে মুখেৰে যি শব্দ কৰে সেই শব্দবোৰৰ প্ৰতিধ্বনি সিহঁতৰ কাণলৈ ঘূৰি আহে। ফলত সিহঁতে গম পাই এই প্ৰতিধ্বনি ওচৰৰ পৰা আহিছেনে দূৰৰ পৰা আহিছে। সেই মতে সিহঁতে উৰণৰ দিশ নিৰ্ণয় কৰি লয়, যাতে সিহঁতে উৰি যাওঁতে অপ্ৰত্যাশিতভাৱে ক'তো খুন্দা খাব লগা নহয়। ইহঁতে এই পদ্ধতিৰেই চিকাৰো কৰে। বেছি ভাগ মাইকী বাদুলীয়ে চিকাৰ কৰোতে পোৱালিবোৰ ঠেঙৰ মাজত সাৱধানেৰে লৈ যায় । বেছি ভাগ বাদুলীয়ে জিৰণি, টোপনি, পোৱালি জন্ম দিয়া ইত্যাদি কামবোৰ মূৰটো তললৈ কৰি ওলমি থাকিয়েই কৰে। সাধাৰণতে ডাঙৰ বাদুলীবোৰে ডাঙৰ গছত বাস কৰে। সৰু বাদুলীবোৰে গুহাত বাস কৰে। পুৰণি এৰাপৰলীয়া ঘৰতো বাদুলীয়ে বাস কৰা দেখা যায়। প্ৰায়বোৰ বাদুলীয়েই পোক-পৰুৱা খাই জীয়াই থাকে। কিন্তু বিষুৱীয় অঞ্চলত থকা বাদুলীয়ে ফলমূল, ফুলৰ ৰেণু আৰু ফুলৰ মৌ খায় । গছৰ ডালত পৰি ওলমি ওলমি জাক পাতি ফলমূল খোৱাটো ইহঁতৰ অভ্যাসৰ দৰে। ফলমূলবোৰ চোবাই ৰসবোৰ খাই সিতাবোৰ পেলাই দিয়ে। সিহঁতৰ বহল চেপেটা পতাৰ নিচিনা দাঁত থকা বাবে মুখৰ ভিতৰতে ফলটো পিহি পেলাব পাৰে। ফুলৰ ৰেণু আৰু মৌ খোৱা বাদুলীৰ জিভা অন্য বাদুলীতকৈ দীঘল। বাদুলী প্ৰায় ২০০০ প্ৰজাতিৰ আছে । বহুতে ভাবে প্ৰায়বোৰ বাদুলীৰ স্বভাৱ একে ধৰণৰ। কিন্তু নহয়। বিশ্বৰ আটাইতকৈ বৃহৎ বাদুলী হ'ল গ'ল্ডেন ক্ৰাউন ফ্লাইং ফক্স। দুৰ্লভ প্ৰজাতিৰ ইহঁতৰ এটা পৈণত বাদুলীয়ে পাখি মেলিলে ইয়াৰ এটা মূৰৰ পৰা আনটো মূৰলৈ দৈৰ্ঘ্য হ'ব ৫ ৰ পৰা ৬ ফুট পৰ্যন্ত ।Bumblebee নামৰ বাদুলীৰ প্ৰজাতিটো সকলোতকৈ সৰু । ইয়াক থাইলেণ্ডত পোৱা যায়। ভেম্পায়াৰ বাদুলীয়ে তেজ খাই জীৱন নিৰ্বাহ কৰে ।Pipistrelle নামৰ বাদুলীবোৰৰ ওজন বৰ কম। ইহঁতৰ দৈৰ্ঘ্য মানুহৰ কনিষ্ঠ আঙুলিটোৰ সমান । Fruit bat নামৰ বাদুলীৰ প্ৰজাতিটো হ'ল 'গোৱাম' নামৰ এটা জাতিৰ পৰম্পৰাগত খাদ্য। টেক্সাচৰ 'ব্ৰাকেন বাদুলী গুহা' বৰ্তমানলৈকে মানুহে জনা আটাইতকৈ ডাঙৰ বাদুলীৰ বাসস্থান। ফলমূল খাই বাদুলীয়ে ত্যাগ কৰা বিস্তাত ফলমূলৰ গুটি মাটিত পৰি বীজ বিস্তাৰ হয়। বাদুলীৰ গোবৰ কৃষকৰ বাবে অতি উত্তম সাৰ। বাদুলী কৃষকৰ বন্ধু। ই শস্য নষ্ট কৰা জীৱ খাই কৃষকক উপকাৰ কৰি আহিছে । চীন আৰু জাপানত বাদুলীক সুখৰ প্ৰতীক বুলি ভবা হয় । বাদুলী সংৰক্ষণৰ বাবে 'আন্তৰ্জাতিক বাদুলী সংৰক্ষণ সংস্থা' গঢ়ি উঠিছে । কিছুমান মানুহৰ হাতত বাদুলী চোৰাংভাৱে এতিয়াও নিঃশেষ হৈ আহিছে । প্ৰকৃতি জগতৰ এই মূল্যৱান প্ৰাণীটোক ৰক্ষা কৰিবলৈ আমি চেষ্টা কৰা উচিত ।

*ফোন ঃ ৯৪৩৫৫-৩০৪৪৭*



হাঁহি ভূঞা, প্ৰথম শ্ৰেণী, শান্তাপ্ৰিয়া প্ৰাথমিক বিদ্যালয়



## ৰঙা তেজ

তেগমণি প্ৰধান

এটুকুৰা দুখৰ কবিতা কেতিয়াবা
কলম চিঁয়াহী হৈ
নিগৰিত নহয়
নিগৰিত হয়
এটোপাল ৰঙা তেজ হৈ...।

## নাপিতৰ ঘৈণীয়েক পলাল

দিছেন গগৈ

হেলৌ অ' কোনে কৈছে?
কি? আমাৰ তাৰ নাপিতৰ ঘৈণীয়েক
জনী পলাল! কথাটো বৰ বেয়া হ'ল,
সিহঁতে এতিয়া কথাষাৰ থানাত
অথবা মহিলা পাৰিবাৰিকত দিব।
কথাটো ভাবিব দেই।
ৰাখিছো দেই।
গেছৰ চৌকাত
গাখীৰ গৰম কৰিছো।
এৰিবই নোৱাৰো।'

## জীৱনৰ জয়গান

জয়িতা চক্ৰৱৰ্তী

জীৱনৰ চাকনৈয়াত পাৰাপাৰ বিচাৰি
আশাৰ লয়লাস,
প্ৰাপ্তিৰ হেঁপাহত এৰি অহা
কিছু আধৰুৱা হাবিয়াস।
তথাপি,
মৌন হৃদয়ে, ব্যাকুল চকুযুৰিয়ে
নৃত্য ধাৱমান সময়ৰ বুকুত
প্ৰেমৰ সপোন ৰচে,
দাপোণত ভাহি উঠে
অযাচিত মৰমৰ প্ৰতিদান...।
পোৱা-নোপোৱাৰ দোমোজাত,
কিছু প্ৰাপ্তিৰ মাদকতাত,
কিছু ব্যৰ্থতাৰ বেদনাত,
কিছু স্মৃতিৰ তাড়নাত,
হৃদয়ে গায় জীৱনৰ জয়গান...!!

## ভাষাহীন কবিতা

অম্লিতা চৌধুৰী

অস্ফুট ভাষা দিয়ে লেখতে মনে চায় একটি
ভাষাহীন কবিতা।
কিন্তু কি কৰবো বল?
ছন্দগুলো যে মিলছে না।
একটি সাদা কাগজে আঁকতে মনে চায়
বৰ্তমানেৰ অনুভবেৰ কিছু ছবি ।
কিন্তু কি কৰব বল?
ৰং গুলো যে মিলছে না।

## শিক্ষিত নিবনুৱা

মনালিছা বড়া বৰুৱা

আজোককাৰ আখলৰে
নিষ্প্ৰভ
ফিৰিঙতিটোৰ আজি যেন
উত্তাপ ক্ৰমাৎ বৃদ্ধি পাইছে।
ঘৰৰ ভিতৰে বাহিৰে,
ৰাজপথৰ ভিৰতো
উত্তাপবোৰ বাঢ়িছে আৰু বাঢ়িছে।

সিহঁতৰ হৃদয়বোৰত
এতিয়া ধোঁৱাৰ এখন ক'লা আৱৰণ,
ডেই যোৱা কলিজাৰ
আৰ্তনাদ আৰু
হুমুনিয়াহ লাগি
গভীৰ ৰাতিবোৰেও চকুলো টোকে।

কলম ধৰি ধৰি নিমজ হোৱা
হাতৰ আঙুলিবোৰ
প্ৰখৰ ৰ'দত ছিঁৰাল ফাট মেলা
শইচভূমিৰ দৰেই ফাট মেলে,
তাতেই গজি উঠে
বোকাময় পথাৰৰ
বহু তৃণ-অপতৃণ।

লাহে লাহে
সিহঁতৰ পৰিচয় সলনি হয়,
ডিগ্ৰীধাৰী নামৰ পৰা
চহা খেতিয়ক
নতুবা
হাড়ভগা শ্ৰম কৰা মজদুৰলৈ।।

## ক'লা দাগ

দীপাংকৰ মালাকাৰ

কোন তুমি
কিয় আহিছিলা
মোৰ আকাশলে
জোন হৈ অহা তোমাৰ ৰূপত ক'লা দাগ
কোনো দিনাই আশা কৰা নাছিলোঁ
যোৱা গুচি যোৱা
মোৰ পৰিধিৰ বাহিৰত
নহ'লে ময়েই যাওঁ
তোমাৰ বৃত্তৰ বাহিৰত
দীৰ বহু দূৰত
য'ত তুমি মোক ঢুকি নাপাবা।

## নদীবোৰ অভিমানী নাৰী

ৰুষ্টম গগৈ

বুকুত হাজাৰ অভিমান লৈ
নীৰৱে বৈ থাকা তই
অভিমানী নাৰী,
চপৰা-চপৰে
দুখৰ খহনীয়াত জাহ যায়
তোৰ এটা দুটা বহুতো সপোন,
আকাশৰ স'তে তোৰ
প্ৰগলভ প্ৰেমে বাধা নামানি
ক্ৰমশঃ আগবাঢ়ি যায়,
কঁহুৱাফুলীয়া তোৰ অভিমানবোৰ
নাৰৰীয়াৰ লগত কৰা চুপতিবোৰ
সুবিধা পালেই ঠেহ পাতে
ওফন্দি উঠে, ক্ৰমান্বয়ে
তোৰ যাত্ৰা এখন সাগৰৰ অভিমুখে ।

## অনামী আদৰ

বিবেকা হাজৰিকা

.ঘৰমুৱা ভাগৰ এটাই
ঘূৰি ঘূৰি পিছলৈ চায়
ক'ত কেতিয়া শেষ হ'ব শূন্যতা
নিমাতী সময়ে মাতিব
পোহৰে দেখুৱাই দিব
নিৰাকাৰ পূৰ্ণতা
.
কান্দিছিলো
নিদিলে - নোৱাৰিলে দিব
হাঁহিছিলো
নাথাকিল - এৰি গুচি গ'ল
সময়ে নোৱাৰিলে দিব
তৃষ্ণাৰ জুয়ে দেখুৱাই দিলে
আত্মাৰ সেন্দূৰীয়া বাট
সপোন এটাই পোনাই দিলে
থৰক বৰক খোজবোৰ
দূৰণিৰ মায়া এটাই কাণে কাণে ক'লে
আহি থাকা নোপোৱালৈকে
মই হাত মেলি দিলো
চুবলৈ অনামী আদৰ
আহি আছোঁ
আহিয়েই আছোঁ
বাৰে বাৰে মচি লৈছোঁ শূন্যতাৰ ভাগৰ
.
বেলিটোৱে কয়
এন্ধাৰ পাৰ হ'লেই অনন্ত পোহৰ
জোনটোৱে কয়
আকাশলৈ চোৱা
আছে তুমি বিচৰা অন্তহীন পোহৰ
বতাহত তেওঁৰ সুগন্ধি পালেই
জীৱনৰ লহৰ
যন্ত্ৰণাই পুৰি পেলাই শূন্যতাৰ ভাগৰ
অচিনাকি বাটটোৱে মোক লৈ যায়
নিসংগ নীৰৱতাই কয়
আছে
তোমাৰ বাবে বৈ আছে
অনামী আদৰ।

## যি বাটে নামিছিল জোনাক

ৰূপামণি গগৈ

যি বাটে নামিছিল জোনাক,
সেই বাটেৰেই আহিছিলা
জোনাকৰ ফুল সিঁচি, মোৰ হৃদয় বনত।
কথা আছিল মৰমৰ বৰষুণত তিতি
হেঁপাহৰ জোনাক আঁকাৰ কথা দুগালত।
প্ৰতি উজাগৰী নিশা দুচকুত সপোন সাজি
আলফুলে সামৰো সাঁচতীয়া মৰম তোমালৈ।।
ক্ৰমশঃ
আঁউসীৰ আন্ধাৰত হেৰাল মনৰ জোনাক
অপেক্ষাৰ সময় বোৰত
আজি আৰু নাই তুমি উভতি অহাৰ চিন ।
স্বপ্নহাৰা ক্ৰন্দসী জোনে
ছটিয়াই মাথোঁ দুখৰ আবিৰ জোনাকৰ।।
যি জোনাকত হৃদয় প্ৰতি ক্ষণ
সপোন ভাগে প্ৰতি পল।
যি বাটে আঁতৰি গ'লা
সেই বাটে আৰু নাহে জোনাক
স্তব্ধ মই,
যাতনাৰ ছুৰীৰে ৰেপি ৰেপি
ক্ষত বিক্ষত ভগ্ন কলিজা।
তথাপি
হৃদয়ৰ সমস্ত ভালপোৱা
উছৰ্গিত তোমাৰ নামত
সুখী হোৱা সদায় তুমি
যি বাটে গুচি গ'লা,
সেই বাটে আৰু নানামে জোনাক ।।

## মৌন ওঁঠৰ কোলাহল

নিবেদিতা ভূঞা ৰাজকুমাৰী

সমীৰণৰ মূৰ্ছনা,
নৃত্যৰতা শুভ্ৰবসনা কহুঁৱা
দুলি দুলি আগবাঢ়ে ফুটুকী পখিলীজনী ঐ !
কাৰ দুচকুৰ তই জাগ্ৰত সপোন ?
অগা-ডেৰা কুঁৱলীৰ দুষ্টালিয়ে চুমি যোৱা
আপোন আপোন সেমেকা পৰশ,
নিস্তব্ধ নৈৰ বুকুত পুৱাৰ ৰেঙনি।

দিনান্তমুখী বেলিটো
বঁকদিয়াইদি বাট বোলোতে
নৈৰ মোহনাতে উজুটি খালে।
মৌপিয়াৰ সন্ধানী দৃষ্টি,
ৰাজহংসৰ যুগলবন্দীত
আইৰ সপোনৰ উকমুকনি;
নিদ্ৰাত মগন অভিমানী শেৱালিয়ে সাৰ পাই
আধাফুটা হাঁহিৰে জোনাকক আদৰে
ধূপ-ধূনা, চন্দন-অৰ্ঘ,
শাৰদীয় প্ৰাতঃক্ষণত জলছবিত প্ৰতিভাত
কোনোবা প্ৰোষিতভৰ্তৃকা লাস্যময়ীৰ
মৌন ওঁঠৰ কোলাহল।

## এজাক বৰষুণেই যথেষ্ট নহয়

শ্যামল বড়া

সংশয় - তেজবোৰ পানী হ'ল
এদিন হয়তো বিহু হব
বিহৰ সাগৰত পৰি ককবকাব
এখন ৰঙা সেন্দূৰ ৰঙী নাও
নীৰৱে উচুপি ৰ'ব এখন সেউজীয়া গাঁও,

সংগ্ৰাম - নৰ্মদাৰ লেতেৰাবোৰ চাফা কৰিবলৈ
এজাক বৰষুণেই যথেষ্ট নহয়
কেৱল মচিবহে পাৰি তেজৰ দাগ
এখন সাগৰো লাগিব
বিলীন হ'বলৈ তাৰ বুৰঞ্জী ।

## তেজৰ সূৰ্য

এম দেৱজিৎ বড়া

শেৱালি ফুলৰ গামোচা, তেজৰ সূৰ্য, একবিংশ,
আই পিতাই তুমি ইত্যাদি

পিতাইৰ পথাৰৰ ডাঙৰিবোৰ /কেইবা খলপীয়া
বাঁহীৰ সুৰত গঢ়া/ আইৰ কাণৰ থুৰীয়া ।
শেৱালী ফুলৰ গামোচাখন গাত লৈ /একবিংশ
থাপনাত তুমি /তোমাৰ হাতত তেজৰ সূৰ্য ।
মোৰ দবাখেলৰ দুখনি হাত অৱগাহন /মাটি
আখৰাৰ খোলৰ ছেৱত নাচিব খোজা /জীৱন
জীৱিকাৰ সন্ধানত ।
আইৰ মাতত মাকো সৰে
আইৰ মাতত গোহালিৰ দামুৰী দৌৰে
জেতুকা বুলীয়া চুলিৰ ভাঁজত /জন্মতে লাগি
অহা / বীজৰ ফাঁকে ফাঁকে লিহিৰি আঙুলি /
টোপনি ধৰে ।
সপোনত আকৌ এবাৰ চুই চাব খোজো
পিতাইৰ পথাৰ
আইৰ নিচুকনি, ৰ'দ সেউজীয়া ইত্যাদি ।
আৰু তোমাৰ জৰায়ুত গোপনে বাঢ়িব খোজা
মোৰ একবিংশ তেজাল সূৰ্য ।

## ব্যৰ্থতাৰ চাকনৈয়া

মেঘমল্লিকা

উৰলি পৰক জীৱন,
স্বপ্নভঙ্গৰ অবাধ ব্যৰ্থতাৰ চাকনৈয়াত
অৱসান নৈৰাশ্য নীতিহীন তাড়না...
জোৰা-টাপলি মৰা আশাবোৰৰ
পৰি সমাপ্তি হওক,
দুখৰ ভাগ বতৰানো কি কৰিম
সুখবোৰ তোমাৰ হওক
দুখবোৰ একান্তই ব্যক্তিগত মোৰ...!

## 'কৰ্ষণ মৌনতাৰ'

অণিমা দেৱী

হে' আলোক পিয়াসী পোহৰ সন্ধানী
তোমাকেই কৈ যাওঁ সৃষ্টি স্থিতি আৰু লয়ৰ কথা
বুজিবা তুমি শুনিবা মৌন থাকি
ৰৌদ্ৰোজ্জ্বল এটি সুন্দৰ পুৱাত
নিৰ্মল নিয়ৰত স্নান কৰি
সমীৰৰ শীতল ঢৌত
নিদিবা উৰুৱাই অশ্ৰু বন্যা বোৱাই এটি হুমুনিয়াহ।
জানো সৃষ্টি আছে বাবেই ধ্বংসৰ তাণ্ডৱ
আৰু জানো ধ্বংসতেই সৃষ্টি নতুনৰ
এই ভঙা আৰু গঢ়াৰ খেলাতে ওমলে
ৰহস্যে ভৰা কত যে আসক্তি।
প্ৰেম দয়া ক্ষমা সততা আৰু মমতাতে
আছে সৃষ্টিৰ মধুৰ মাদকতা
হিংসা লোভ অসূয়া কামনা বাসনাত
আছে যে ধ্বংসৰ কুটিলতা।
কুৰুক্ষেত্ৰত তুমি কাণ্ডাৰী কৃষ্ণ হৃদয়ত তোমাৰ অপাৰ মমতা
যদিও তাতো ধ্বংসৰ আখৰা দুষ্কৃতিৰ
আৰাধনা মাথোঁ সুন্দৰৰ ।
তুমি কোৱা তুমি হেনো সুন্দৰৰ পূজাৰী
কিয় তেনে হৃদয়ত তোমাৰ অস্তমিত
সূৰ্য্যৰ মৌন আৰাধনা
বুজি পাওঁ মৌনতাৰ ভাষা
মৌনতাৰেই আমিও দিব পাৰোঁ মনৰ বতৰা
নহয় কিন্তু অস্তমিত সূৰুজ
লক্ষ্য উদিত সূৰ্য্য আমাৰ
পঙ্কিলতাৰ এই বিশাল ধৰাৰ
আমিয়েই চয়নিকা চৌদিশৰ
নেলাগে পঢ়িব বুৰঞ্জী বেলিমাৰ
দুষ্কৃতিৰ বুকুতেই সৃষ্টি হওক নতুন আশাৰ।

## আকাশৰ ৰং

ৰীতামণি বৰদলৈ

আকাশৰ ৰং নীলা,
কজলা ডাৱৰে যদিও কেতিয়াবা ভুমুকিয়ায়,
আকাশে ৰং সানে নিৰ্ভেজাল ৰূপত
আৰু উজ্জ্বল মুখবোৰে মিচিকিয়াই হাঁহে!
কেতিয়াবা দৰিদ্ৰতাৰ সুযোগ লৈ অবাঞ্ছিত
খলা বমাখিনিয়ে
জীৱনলৈ
অমাৱস্যা নমাই আনে!
লুভীয়া দুচকুৰ পৰা পৰিত্ৰাণ পাবলৈ
আমাৰ যে কিমান প্ৰস্তুতি?
কেতিয়াবা ধৰাশায়ী হয় অসুস্থ দেহা।
নিৰাময়ৰ উপায় নেপাই আত্মজাহ যায়
নিৰপৰাধী জীৱ।
প্ৰতিবাদ চলি থাকে।
আকাশে ৰং সানিব নোৱাৰে বিষাদৰ পঁজাত।
শেঁতাপৰা মুখবোৰে পোহৰ বিচাৰি ফুৰে।
ময়ো ভাবোঁ
কেতিয়াবা,
চমৎকাৰ হওক!
আকাশৰ সাতোৱৰণীয়া ৰং উপচি পৰক
চৌপাশে!
গাঁৱৰ পদূলি,
চহৰে, নগৰে,
পাহাৰে, ভৈয়ামে
পৰ্বতে কন্দৰে
বিস্তৃত হৈ থকা
মলিনতাৰ অন্ত পৰক!!

## প্ৰেয়সী

মানসী শইকীয়া

নাভাবিবা তুমি, বিচাৰি পাবা
প্ৰেয়সীৰ ঠিকনা,
নহয় তাই, তোমাৰ বহনা।
তাই তাইতেই আছিল,
মাথো তুমিহে নুবুজিলা।
তুমি এটি অমূল্য ৰত্ন
নুবুজিলে তোমাৰ তত্ব।
সময় পাখী লগা কাঁড়,
জীৱন কচুপাতৰ পানী।
আধাফুলা কলিৰ,
নাথাকে যে সুৰভি,
বুটলি লোৱা,
ফুলি থকা ফুলৰ পাপৰি।
ভৰাই তোলা, হৃদয় কৰণি।
নাভাবিবা তুমি বিচাৰি পাবা
প্ৰেয়সীৰ ঠিকনা...।

## উপলব্ধি

ৰাণু ফুকন

বতাহে সামৰে
হৃদয়ে এৰি দিয়া
গধুৰ উশাহ ,
জীৱন ব্যাপ্ত আঁচনিৰ
সফলতা বিফলতাৰ ঘনত্ব
বুকুত সামৰি
মৌন বতাহজাকে দি যায়
উপলব্ধিৰ মহিমা ,
দিয়া আৰু লোৱাতেই
জীৱন অলকানন্দাত ভাহে
সুখ দুখৰ অমিয়া লহমা !

## মৌনতাৰ ভাষা

নৱনীতা গগৈ বৈৰাগী

নিৰ্জনতা বুকুত শুই পৰা
ৰাতিবোৰ বৰ দীঘলীয়া
তাৰে মাজতেই উশাহত উফৰি
ডাঙৰ হয় এটা সেউজীয়া
পাৰহীন নদীৰ ঘাটত টুলুং ভুটুং
অৱশিষ্ট এটা ক'ৰবাত লুকাই
ওলমি ৰোৱা মৌনতা ভাষাবোৰো নিসংগতা
কাৰ স'তে বাৰ্তালাপ কৰোঁ
সময়ৰ ভেঙুচালিত
সকলোবোৰ যেন নীৰৱে অনুবাদ কৰোঁ....।

## এঙাৰেৰে আকাশৰ ছবি অঁকা ছোৱালীজনী

ইভা হাজৰিকা

এঙাৰেৰে মাটিত আকাশৰ ছবি অঁকা ছোৱালীজনী
এতিয়া ডাঙৰ হ'ল
নিৰ্মেঘ আকাশৰ সীমাহীন নীলা
আৰু তাইৰ সীমাহীন অভাৱ
দুইটাই সীমাহীন
পিছে চিত্ৰকল্পৰহে মিল নাই

বিড়ম্বনাই যেন লগ নেৰিবই কেতিয়াও

চাকৰিৰ মেলাত
তাইৰ চেণ্ডেল এপাত ছিগিল
ফিচিককৈ সৰি পৰা শ্লেষৰ হাঁহিটো
ভিৰত বাট বিচাৰি হেৰাই থাকিল।

## বিষাদৰ পাণ্ডুলাম

পূৰবী বৰুৱা ফুকন

বিষাদৰ পেণ্ডুলাম গতিৰে ক্ৰমাৎ বাঢ়িছে
নিৰ্জনতা
নিসংগ সময় আৰু মৌন ওঁঠৰ ভাষা

বুকুৰ জাঁজিত কোনোবা নাৱৰীয়াৰ নিষ্ঠুৰ খেলা
অসহায় দুচকুৰে ভেটা ভাঙি বৈ আহে বাৰিষা

ঢৌ এটা উজাই আহি খুন্দিয়াই ভাঙিব খোজে
বুকুৰ শুভিত পালতৰা

ব্যস্ততাৰ অজুহাতত বিচ্ছিন্নতাৰ নামেই
নহয় জানো প্ৰতাৰণা!!

## পুঞ্জীভূত দুখ

নলিনী আইদেউ

কাষত থাকিও আজি
তুমি মোক সুধিছা
ভালনে খবৰ
দেখা জানো নাই তুমি
দুখৰ পিৰামিড
মোৰ জীৱনৰ
দৌৰিছো কেৱল
মৰীচিকাৰ পিচত
দেহৰো কৰা নাই খবৰ
কাষত আছা যদি
আপোন হোৱা তুমি
জুমি চাব পাৰাচোন
পুঞ্জীভূত দুখবোৰ
মোৰ হৃদয়ৰ
যেন কাদম্বিনী
সৌ দূৰ নীল আকাশৰ
তেতিয়াই পাবা তুমি
মোৰ ভালনে খবৰ !!

## গজালি

মন মইনা চুতীয়া শইকীয়া

এই, তোমাৰ বাবেইতো ৰচিছিলো দেখোন
বহুত সপোন?
আকিঁ দিছিলা তুমি মোৰ বুকুত
সপোনৰ বহুত ৰঙা নীলা ছবি।
তোমাক লৈ ৰচিছিলো বহু কবিতা।
কবিতাৰে পাতিছিলো এডৰা
জীপাল বাৰী!
য'ত ঠন ধৰি উঠিছিল মৰমৰ
গজালিবোৰে।
পুখা মেলিছিল বহুৰঙী কল্পনাৰ,
আৰু এতিয়া
সকলো উদং।
যেন খৰলিৰ পথাৰ

## প্ৰিয় শব্দবোৰ

প্ৰতিমা চাংমাই

এতিয়া বাৰু কিদৰে বোটলোঁ
শব্দৰ জুনুকা
নিঃশব্দ বুকুত জুনুক কৰি বাজি উঠিবলৈ
ক'ত হেৰুৱালোঁ মোৰ
নূপুৰ পিন্ধা শব্দ

গোটাই লোৱা শব্দবোৰে দেখোন
মোকেই আঘাত কৰে
মোৰ বুকুৰ বাহিৰে ভিতৰে হানি খুঁচি
শব্দবোৰ মতলীয়া হয়

ৰ'দ গৈ গৈ
হাচনাহানাই বেৰি ধৰা
সাঁজ লগা পৰত
উপস্থিত হওঁগৈ মোৰ স্বতন্ত্ৰ দ্বীপত
হাঁহাকাৰ কৰোঁ
প্ৰিয় শব্দবোৰৰ বাবে
আন্ধাৰতে স্পৰ্শ কৰোঁ
কিছুমান শব্দহীন শব্দ...!

## ফাগুন অহাৰ সময়তে

বিজয় গগৈ

কোনেওটো নাজানে
মই কেতিয়া আহো
তোমাৰ কাষলৈ।
কওঁ নেকি খুলি ভাঙি
তোমাৰ মোৰ গোপন কথা ।
ক'লেই কিজানি লাজতে
খহি পৰিব পাৰে
এচপৰা কজলা আকাশ,
নতুবা সৰি পৰিব পাৰে
নীল আকাশৰ দুটিমান সন্ধ্যা তৰা।
খুলি থোৱা তোমাৰ পদূলিৰ নঙলা, জপনা ।
উন্মনা ফাগুনৰ পছোৱা জাকে লৈ আহিব
মোৰ অহাৰ বতৰা।।

## চেতনাৰ চাবুক

ৰাতুল চেতিয়া ফুকন

বাৰান্দাত বহি আছোঁ মই
চোতালত উমলি আছেহি
এজাক ৰ'দৰ চৰাই
বুকুৰ ভিতৰত গুঁজৰি উঠিছে
পিঞ্জৰাবদ্ধ এটা বাঘ
কামীহাড়ৰ সজা ভাঙি
নাচিবলৈ মন তাৰ ।
চেতনাৰ চাবুকলৈ কেৰেপ নকৰা
উৎসাহী কামনা ।
তাৰ তীক্ষ্ণ নখৰ আঁচোৰত
তলমল তেজৰ প্ৰবাহ ।

## মই মজদুৰ

গণেশ কৈৰী

মজদুৰিৰ বাবে মই কাম কৰো
কৰ্মই মোৰ জীৱিকা মাত্ৰ
ধৰ্ম বা নিমিত্ত নহয়
শাৰীৰিক সুখ বৰ্জিত নহয়
সুখ স্বাচ্ছন্দ্য লভিবৰ বাবে
অতিৰিক্ত মজুৰি সদায় লাগে।
অতিৰিক্ত মজুৰি দিব পৰা জনৰ
মই ভৃত্য, অনুগত হওঁ
মজুৰি জোখেৰে মই কাম কৰো
কেৱল মজুৰিৰ বাবে।
কৰ্ম সম্পাদনাৰ বাবে
মোৰ অধিকাৰ আছে।
ভালদৰে খোৱা পিন্ধা থকাৰ
শিক্ষা-দীক্ষা আৰু মানুহৰ বাবে থাকিব লগা
আছুতীয়া সংগোপন ব্যৱস্থাৰ।
কৰ্মী মৌ মাখিৰ দৰে মোৰ প্ৰাপ্য।

এখন সমাজৰ
হিংসা শোষণ বৰ্জিত
সমভাৱে বৰ্তি থকাৰ বাবে
সমস্ত সাধাৰণ মানৱ অধিকাৰ।
শাৰীৰিক, মানসিক আৰু নিষ্পেষিত নহ'বৰ বাবে
মোৰ আছে আজন্ম মানৱ অধিকাৰ...।
মই শ্ৰমিক, মই মজদুৰ
চিন্তাবিদ হোৱাৰ অৰ্হতা নাই
কাৰ্লমাৰ্ক্স, লেনিনবাদ পঢ়া নাই
মোটা মুনাফা বুটলি ফুৰা
কোনো সদস্যক মই চিনি পোৱা নাই
তেওঁলোক সকলো ভাল হ'ব পাৰে,
তেওঁলোকৰ উত্থানত মোৰ কোনো খেদ নাই।
মোৰ মাথোঁ আৰ্তনাদ তেওঁলোকৰ প্ৰতি
মোৰ শৰীৰটোক মুনাফাৰ আওতাত নভৰাবা
হাত-ভৰি, মূৰ আদি ইন্দ্ৰিয়বোৰ মুচৰি নিছিঙিবা।

## প্ৰহেলিকা

জোনমণি বড়া বৰুৱা

কোনো প্ৰমান নোহোৱাকৈ
তোমাৰ মোৰ এখন চুক্তি হৈ গ'ল
হৃদয়ে হৃদয়ৰ.......
মোৰ হৃদয়ৰ
দ্ৰাঘিমাৰ শীৰ্ষবিন্দু পোৱা
দুৰন্ত অপৰাধী তুমি...
মোৰ বুকুৰ কাঁচলিত
তোমাৰ সপোন থৈ
তুমি গুচি গ'লা
কাহানিও উভতি নহাৰ প্ৰতিশ্ৰুতিৰে...
গধূলিৰ পাতল এন্ধাৰ ফালি
কলিজাৰ চেঁচুকত
তোমাৰ পৰশত গজালি মেলা
ঢেঁকীয়াৰ কুহিঁবোৰ বুকুত নধৰা হৈ
ঠেকা ঠেকি কৰেহি
আজিও
প্ৰহেলিকা হৈ ।

# প্ৰথম পৃষ্ঠাৰ পৰা—

## কান্ধত নাঙল-যুৱলি লৈ

ভৰা সময়। বৰ্তমান ব্যস্ততাই আগুৰি ধৰিছে কৃষক তথা কৃষকসকলৰ পৰিয়ালবৰ্গক। যৌৱন নামিছে খেতিপথাৰৰ বুকুলৈ। গাৰ ছাল দেই-পুৰি নিয়া প্ৰখৰ ৰ'দ, শৰীৰৰ পৰা ওলোৱা টোপাটোপে ঘাম আৰু সময়ে সময়ে ডবাপিটা বৰষুণৰ আচোৰৰ টোপাল। মুঠতে প্ৰকৃতিৰ এই অপছন্দৰ কাৰ্যবোৰক গাত লৈও হালোৱা ব্যস্ত হৈ পৰিছে পথাৰত নিজৰ মাটিডৰাৰ লগতে আন আনসকলৰ খেতি উপযোগী মাটিসমূহ চাহ কৰা, হাল বোৱা, কঠীয়া পাৰিবলৈ মাটিডৰা মৈ দিয়া, আলি কটা আদি কামত। খেতিয়ক পৰিয়ালৰ সকলোকে দেখিবলৈ পোৱা গৈছে খেতিপথাৰৰ লগত জড়িত বিভিন্ন কামত ব্যস্ত হৈ পৰাত। পথাৰৰ বোকা পানীৰ গোন্ধত ভাহি আহিছে আশাৰ বতৰা। হালোৱা, হজুৱা, ৰোৱনী কোনোজনেই এতিয়া খেতিপথাৰৰ বুকুত বিচৰা নাই দুখৰ প্ৰতিচ্ছবি। বানপানীয়ে গ্ৰাস কৰা ৰাজ্যৰ ঠায়ে ঠায়ে একাংশ খেতিপথাৰ অদ্যাপি পানীৰ কৱলৰ পৰা মুক্ত নহ'লেও আন একাংশত আকৌ আহিছে খেতিৰ অনুকূল অৱস্থা। ইপিনে, বানপানী নোহোৱা খেতি পথাৰলৈও বৰুণ দেৱতাই দয়াৰ চকু মেলি প্ৰকৃতিয়ে বৰষুণৰ পানীৰে ওপচাই পেলাইছে। সেয়েহে এতিয়া ৰ'বলৈ যেন আহৰি নাইকিয়া হৈছে কৃষকসকলৰ। কাহিলি পুৱাৰ পৰাই সূৰ্যাস্তৰ পৰলৈ খেতিপথাৰতেই তেওঁলোকে কটাইছে অধিক সময়। আকাশলৈ মূৰ দোৱাই তেওঁলোক এতিয়া ব্যস্ত হৈছে জীৱনৰ নানানটা সপোন ৰচাত। উল্লেখ্য যে, এই হেন খেতিৰ বতৰত পূৰ্বতে কৃষকসকলৰ মূল লগৰী আছিল হালৰ গৰুহাল। অন্ততঃ জেঠ, আষাৰ মাহৰ ভিতৰত যাতে কৃষকৰ গৰুহাল নৰিয়াপাটীত নপৰে তাৰ স্বাৰ্থতেই কৃষকসকলে নামঘৰত গৰখীয়া সেৱা পাতি আশিস লৈছিল। খোৱা-বোৱাৰ পৰা থকালৈকে গৰুহালৰ বিশেষ যতন লোৱা হৈছিল। এই সময়তেই গোহালিৰ এই গৰুহালেই একোটা কৃষক পৰিয়ালক মৰ্যাদাৰ আসনত থিয় কৰাইছিল। তিনিহাল-চাৰিহাল পৰ্যন্ত গৰুৰে যাৰ গোহালি শুৱনি কৰিছিল, সেই পৰিয়ালৰ মুৰব্বীজনে এক বিস্তৃত এলেকাত মহাজন নামে সম্বোধিত হৈছিল। তিনিহাল-চাৰিহাল গৰুৰে একেদিনাই কিমান পুৰা মাটি চহালে তাৰ এক বিস্তৃত বিৱৰণ সমনীয়াৰ আগত দাঙি ধৰি এই মহাজনসকলে আকৌ আত্মগৌৰৱ কৰিছিল। আনহাতে, হালৰ গৰুহালৰ পুৱাৰ ডিঙিৰ টিলিঙা বজাৰ শব্দ শুনিয়েই চুবুৰিৰ বোৱাৰী-জীয়ৰীয়ে শোৱাপাটী এৰিছিল। ঠিকদৰে গৰুহালৰ ওভতনি যাত্ৰাৰ উমান লৈয়েই চুবুৰিৰ বোৱাৰী-জীয়ৰীয়ে সন্ধিয়াৰ চোতাল সাজিছিল। গোহালিৰ গৰুহালক গৃহলক্ষ্মী জ্ঞান কৰিয়েই গিৰিহঁতে নিতৌ গধূলি গোহালিত ধূপ-ধূনা দিয়াৰ ব্যৱস্থা কৰিছিল। কিন্তু, সম্প্ৰতি সময়-পৰিৱেশ সকলো সলনি হ'ল। পৰিৱৰ্তনৰ এই পৰিৱেশক স্বীকাৰ কৰিয়েই পূৰ্বৰ পৰিস্থিতিৰ ক্ষেত্ৰত আহি পৰিছে বহুখিনি পাৰ্থক্য। বৰ্তমান পূৰ্বৰ খেতিৰ বতৰত অতিকৈ প্ৰয়োজনীয় হালৰ গৰুহাল এতিয়া যেন এলাগি হোৱাৰ দিশে ধাৱমান হ'বলৈ ধৰিছে। বিভিন্ন কাৰকৰ পৰিপ্ৰেক্ষিতেই সম্প্ৰতি এলাগি হ'বলৈ ধৰিছে হালৰ গৰুহাল। বৰ্তমান সময়ত অস্বাভাৱিকভাৱে বৃদ্ধি পোৱা বলধ গৰুৰ দামে কৃষকৰ উৎসাহ দুগুণে স্তিমিত কৰিছে কৃষকৰ মৰমৰ গৰুহালৰ প্ৰতি। স্মৰ্তব্য যে, বৰ্তমান সময়ত জিলাখনৰ প্ৰতিখন ডাঙৰ বজাৰতে এহাল বলধ গৰু অতি কমকৈ হ'লেও ৮০-৯০ হাজাৰ বা তাতোকৈ অধিক টকাৰ পৰ্যন্ত বজাৰত বিক্ৰী হয় এহাল বলধ গৰু। গতিকে একোজন চহা কৃষকৰ বাবে বজাৰৰ পৰা এহাল বলধ ৮০-৯০ হাজাৰ বা ১ লাখতকৈ অধিক মূল্য দি ক্ৰয় কৰাটো প্ৰায় অসম্ভৱ হৈ পৰিছে। সেয়েহে এতিয়া কৃষকৰ পথাৰত বলধ গৰু হালৰ স্থানত বৰ্তমান অধিকাৰ কৰিছে ট্ৰেক্টৰ, পাৱাৰটিলাৰ আদিয়ে। পূৰ্বতে এহাল বলধ গৰুৰে এদিনত অতিকমেও পাঁচ বিঘা মাটি চাহ কৰি খেতিৰ উপযোগী কৰি তুলিব পাৰিছিল। কিন্তু, এতিয়া এখন ট্ৰেক্টৰ বা পাৱাৰটিলাৰে এহাল বলধৰ তুলনাত দিনটোত প্ৰায় ২০-২৫ বিঘা মাটি চাহ কৰিব পৰা হ'ল আৰু অতি কম সময়তে। ঠিক সেইদৰে, ট্ৰেক্টৰ বা পাৱাৰটিলাৰখন আনক ভাৰালৈ দিও প্ৰতিদিনে বা সপ্তাহত গৰাকীয়ে এক সীমিত পৰিমাণৰ ধনো উপাৰ্জন কৰিব পৰা পথ মুকলি হ'ল। কোনো কোনো গৰাকীয়ে আকৌ বৰ্তমান খেতিৰ বতৰত ট্ৰেক্টৰ বা পাৱাৰটিলাৰখনে নিজৰ লগতে আনৰ মাটিখিনি চাহ কৰাৰ পাছত বছৰৰ বাকীখিনি সময়ত ইটা ভাতা বা বিভিন্ন ব্যৱসায়ৰ কামত ভাৰা দিয়াৰ সু-ব্যৱস্থা কৰি ল'ব পাৰিছে। যাৰ পৰা প্ৰতিমাহে এক বুজন পৰিমাণৰ ধনো উপাৰ্জন কৰিব পৰা হ'ল গৰাকীয়ে। কিন্তু পূৰ্বতে ঘৰৰ বলধ হালেৰে ইমান টকা উপাৰ্জন কৰিব পৰা নাছিল গৰাকীয়ে। সেইবাবে সম্প্ৰতি খেতিপথাৰত কৃষকৰ লগৰী হৈ পৰিছে এই ট্ৰেক্টৰ-পাৱাৰ টিলাৰসমূহ। জেঠমহীয়া এই ব্যস্ততাপূৰ্ণ সময়ত সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাৰ খেতিপথাৰসমূহত সম্প্ৰতি ট্ৰেক্টৰ-পাৱাৰটিলাৰসমূহৰ হৰ হৰ শব্দই ছানি ধৰিছে। বিশেষকৈ জিলাখনৰ বেবেজীয়া, জামুগুৰি, চমুৱাগাঁও, ডিমৌ, ফুলগুৰি, ৰহা, শেতালি, হাতীচোং, কাছমাৰী, চকলাঘাট, বৰডুবিয়া, আইভেটি, নসত্ৰ, ক'ৰচোং, ৰাইদঙীয়া, জাজৰি, মাজগাঁও, ডুমডুমীয়া, বালিসত্ৰ, বটদ্ৰৱা, কুঁজিসত্ৰ, বৰচিলা, শিলপুখুৰী, জাগিয়াল, কপাহেৰা, ৰহধলা, ভালুকমাৰী, কাকমাৰী, বৰক'লা, দক্ষিণপাট, নৰৈ, পাথৰি, অৰ্জুনতল, তুলসীমুখ, ডাকৰঘাট, ঘাঁহী, বৰজহা, পেটবহা, জাগীয়াল, গটঙা, পলাশনিৰ লগতে চহৰৰ দাঁতিকাষৰীয়া অঞ্চলসমূহ যেনে- ডিফলু, ম'হখুলী, মাজৰআটী, মৰিকলং-বৰঘাট, শিয়ালেখোৱা, তেলিয়াগাঁও, ডিমৰুগুৰি-পহুকটা, চেঁচামুখ, উৰিয়াগাঁও, ৰঙাগৰা-হুজত ট্ৰেক্টৰ-পাৱাৰটিলাৰৰ ব্যৱহাৰ অধিক হাৰত দেখিবলৈ পোৱা গৈছে। এইক্ষেত্ৰত ৰাজ্য চৰকাৰে কৃষি বিভাগৰ জৰিয়তে বিভিন্ন ৰাজসাহায্যৰে গ্ৰামাঞ্চলৰ প্ৰতিখন গাঁৱৰ একোটা আত্মসহায়ক গোটৰ যোগেদি ট্ৰেক্টৰ বিতৰণ কৰিছে। লগতে বহু ৰাষ্ট্ৰীয়কৃত বেংকেও কৃষকসকলৰ সুবিধাৰ বাবে অতি সহজতে আজি একোখন ট্ৰেক্টৰ-পাৱাৰটিলাৰ কম সময়ৰ ভিতৰতে পোৱাৰ বাবে ব্যৱস্থা কৰি আহিছে। যাৰ ফলত এতিয়া খেতিপথাৰত কৃষকৰ আপোন হালৰ গৰুহাল নোহোৱা হৈ পৰিছে। সেইদৰে খেতিপথাৰত হালোৱাই বলধ হালৰ পিঠিত এচাৰিৰে কোব দিয়াৰ পিছত কৃষক ৰাইজৰ মুখত সততে শুনিবলৈ পোৱা ঘূৰ ঘূৰ, হেই হেই, যা-যা, ৰ-ৰ শব্দবোৰ। এদিন সঁচাকৈয়ে নাইকিয়া হৈ যাব নেকি আমাৰ কৃষক সমাজৰ মাজৰ পৰা বৰ্তমান খেতিৰ বতৰত অতিকৈ মৰমৰ প্ৰয়োজনীয় হালৰ বলধ গৰুহাল ? সৰ্বত্ৰ ই এতিয়া এক ডাঙৰ প্ৰশ্ন হৈ দেখা দিছে।

## তেজপুৰৰ সোণাবিলত তিনিটি

দাহাংগা (১১) আৰু সুমন দাহাংগা (১০) নামৰ এই তিনিটা শিশু বিদ্যালয়ৰ পৰা আহি একেলগে খেলি আছিল। তিনিটা শিশু একেটা পৰিয়ালৰ। সম্প্ৰতি এক শোকাকুল পৰিস্থিতি বাগিচাখনত। আনহাতে, আৰক্ষী উপস্থিত হোৱাত মৃতদেহকেইটা মৰণোত্তৰ পৰীক্ষা কৰিবলৈ আনিবলৈ ৰাইজে নিদিয়াত সৎকাৰৰ ব্যৱস্থা কৰে। শিশুকেইটাৰ এটা ল'ৰা আৰু বাকী দুজনী ছোৱালী। মৃত তিনিওটি শিশু একেটা পৰিয়ালৰ বুলি জানিবলৈ দিয়ে আৰক্ষীয়ে।

## ৰেচন কাৰ্ড আছে, চাউল

সমিতিৰ বিৰুদ্ধে। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত চৰকাৰে প্ৰদান কৰা ৰেচন কাৰ্ডৰ চাউল হিতাধিকাৰীক নিদি বিগত পাঁচ বছৰ ধৰি আত্মসাৎ কৰি আহিছে এজন এজেণ্টে। এই দুৰ্নীতিৰ বিৰুদ্ধে মাত মাতিলেই ভুৱা গোচৰ জাপি দিয়াৰ ভাবুকি হিতাধিকাৰীৰ বিৰুদ্ধে। মৌন বিশ্বনাথ জিলা প্ৰশাসন আৰু যোগান বিভাগৰ বিষয়া। যিটো সময়ত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দুৰ্নীতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিছে ঠিক তেনে সময়তে বিহালী সমষ্টিৰ ব্ৰহ্মপুত্ৰ চাপৰিৰ এই সুলভ মূল্যৰ এজেণ্টগৰাকীৰ বিৰুদ্ধে উঠিছে দৰিদ্ৰ লোকৰ নামত অহা চাউল আত্মসাৎ কৰাৰ গুৰুতৰ অভিযোগ। অভিযোগ অনুসৰি পশ্চিম সমবায় সমিতিৰ অন্তৰ্গত বিহালীৰ বাঘমাৰীৰ ব্ৰহ্মপুত্ৰ চাপৰিৰ সমবায় সমিতিৰ এজেণ্ট আব্দুল কাদেৰৰ দ্বাৰা ব্ৰহ্মপুত্ৰ চাপৰি অন্তৰ্গত আবণ্টিত খাদ্য সুৰক্ষা চাউল আত্মসাৎ কৰাৰ লগতে এজেণ্ট কাদেৰে নিজৰ তিনিগৰাকীকে পত্নী, পুত্ৰ আৰু জোঁৱাই তিনিজৰ বিয়া হৈ যোৱা জীয়ৰীৰ নামতো সুলভ মূল্যৰ কাৰ্ড প্ৰদান কৰি এক লুণ্ঠন চলাই যোৱা দীৰ্ঘদিনীয়া এক গুৰুত্ব অভিযোগ উঠিছে। আনহাতে, আনৰো খাদ্য নামৰ এগৰাকী গ্ৰাহকৰ ২০১৬ চনৰ পৰাই খাদ্য-সামগ্ৰী বিতৰণ নকৰি আত্মসাৎ কৰাৰ তথ্য পোহৰলৈ আহিছে। এই বিয়াগোম কেলেংকাৰী সন্দৰ্ভত বাঘমাৰীৰ সচেতন কৰ্মী অমল উদ্দিন হক আৰু আলতাফ হুছেইনে বিশ্বনাথ জিলা খাদ্য আৰু অসামৰিক যোগান বিভাগ, উপায়ুক্ত, আয়ুক্ত উত্তৰ অসম সমণ্ডল, সঞ্চালক খাদ্য যোগান আৰু গ্ৰাহক পৰিক্ৰমা দিছপুৰত লিখিত অভিযোগ দাখিল কৰিছে যদিও কোনো ন্যায় পোৱা নাই বৰ্তমান সময়লৈকে। কিন্তু মাজ-সময়ে লিখিত অভিযোগৰ পিছতে যোগান বিভাগৰ সুলভ মূল্যৰ দোকানখন কেইদিনমান বাবে ট্ৰেক কৰি ৰাখিছিল যদিও এজেণ্ট কাদেৰৰ বিৰুদ্ধে যোগান বিভাগে তদন্ত সম্পূৰ্ণ নকৰি পুনৰ আব্দুল কাদেৰক খাদ্য-সামগ্ৰী বিতৰণৰ দায়িত্ব অৰ্পণ কৰা বুলি জানিবলৈ দিয়ে সচেতন যুৱকসকলে। আনহাতে এই এজেণ্টজনৰ বিৰুদ্ধে দুৰ্নীতি পোহৰলৈ আনিবলৈ চেষ্টা কৰা বাঘমাৰী সচেতন কৰ্মী অমল উদ্দিন হক আৰু আলতাফ হুছেইনৰ বিৰুদ্ধে সঁচাই-মিছাই আৰক্ষীক গোচৰ দি এক হাৰাশাস্তি কৰি অহাৰ অভিযোগ উত্থাপন কৰিছে সচেতন যুৱক তথা সমাজকৰ্মী অমল উদ্দিন হক আৰু আলতাফ হুছেইনে। এতিয়া প্ৰশ্ন হয় কাৰ আশীৰ্বাদ এই দুৰ্নীতি সুলভ মূল্য দোকানীয়ে লুণ্ঠন চলাই গৈছে, লগতে কোন কোন বিষয়াৰ সৈতে যোগান অসামৰিক বিভাগৰ বিষয়া জড়িত আছে এই দুৰ্নীতি সুলভ মূল্য দোকানী লগত তাৰ পৰৱৰ্তী প্ৰতিবেদন প্ৰকাশ কৰিবলৈ চেষ্টা কৰিম।

## ভাৱী স্বামীৰ নামত ২০

আৰু ধনৰ অবৈধ লেনদেনৰ অভিযোগত তিনিদিন ধাৰাবাহিক জেৰা কৰাৰ পিছত গ্ৰেপ্তাৰ কৰিছে। তেওঁৰ বিৰুদ্ধে ঠিকাদাৰ ৰাম অৱতাৰ শৰ্মা আৰু অজিত বৰাৰ লগতে অন্য কেবাজনেও পোনপটীয়া অভিযোগ আনিছিল। গোৱা আৰু অন্যান্য পৰ্যটন স্থানত তাইৰ ভাৱী স্বামী ৰাণা পগাগৰ সৈতে অৱসৰ বিনোদন কটোৱা জোনমণি ৰাভাই ৰাণা পগাগৰ জৰিয়তে একাংশ লোকৰ পৰা লাখ লাখ টকা নিজৰ বেংক একাউণ্টত জমা কৰাইছিল। ৰাণা পগাগ আছিল এগৰাকী প্ৰৱঞ্চক আৰু অ' এন জি চি জন সম্পৰ্কবৰ্কী বিষয়া হিচাপে পৰিচয় দি টকা ঠকলি আদায় কৰা নামত বিভিন্ন জনৰ পৰা ধন সৰকাইছিল। ৰাইজে ৰাণা পগাগক বিশ্বাস কৰিছিল একাৰণেই যে তেওঁ জোনমণি ৰাভা ঠিয় দিছিল ৰাণাৰ কাষত। আনকি ধন সৰবৰাহৰ জোন মণিৰ বেংক একাউণ্ট ব্যৱহাৰ কৰা হৈছিল। পিছত জমা হোৱা ধনৰাশি ভাগ বটোৱাৰা কৰাত মতান্তৰ হোৱাৰ বাবেই জোনমণিয়ে নিজকে ধোৱা তুলসীৰ পাত সজাই ৰাণাক গ্ৰেপ্তাৰ কৰিছিল। পিছত ৰাণাৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ১২০ (খ), ১৭০, ৪০৬, ৪১৯, ৪২০, ৪৬৮, ৪৭১, ৪৭২ আদি জাপি দিয়া হৈছিল। কিন্তু প্ৰৱঞ্চক ৰাণাক সহযোগিতা কৰাই নহয় নিজৰ বেংক একাউণ্টক ঠিকাদাৰৰ ধন সৰবৰাহ কৰি জোনমণিয়ে নিজেও ভয়ংকৰ অপৰাধত লিপ্ত হৈছিল। ইফালে বিহপুৰীয়াৰ বিধায়ক অমিয় কুমাৰ ভূঞাৰ মোবাইল ফোনৰ কথোপকথন বাণীবদ্ধ কৰি ৰাখি পিছত সামাজিক মাধ্যমত ভাইৰেল কৰিছিল জোনমণি ৰাভাই। বিহপুৰীয়া আৰু মাজুলীৰ সীমান্তৱৰ্তী অঞ্চলৰ যাতায়াতৰ একমাত্ৰ মাধ্যম আছিল ভুটভুটী নাও। সেই নাও বন্ধ কৰি ধন দাবী কৰিছিল জোনমণিয়ে। কিন্তু বিধায়ক ভূঞাই নেপালীয়া ৰাইজৰ যাতায়াতৰ বাবে নাওকেইখন এৰি দিবলৈ ফোনযোগে জোনমণি ৰাভাক আহ্বান জনাইছিল। এই সাধাৰণ কথাটোকে সংবাদ মাধ্যমৰ ইচ্ছা হিচাপে তুলি ধৰি জোনমণি ৰাভাই বিধায়ক অমিয়ৰ বিৰুদ্ধে অপপ্ৰচাৰ চলাইছিল। কিন্তু জোনমণিৰ এই তথাকথিত সাহস আৰু নিষ্ঠা ভুৱা প্ৰমাণিত হোৱাত আজি মাজুলী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা জোনমণিৰ গাত বিধায়ক অমিয় ভূঞাৰ অভিশাপ লাগিছে বুলিও একাংশই আলোচনা কৰা দেখা গৈছে।

**মাজুলী জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে প্ৰেৰণ কৰিলে ১৪ দিনৰ ন্যায়িক জিম্মালৈ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামনি মাজুলী ঃ** প্ৰৱঞ্চক ৰাণা পগাগক সহযোগিতা কৰি আৰক্ষীৰ জালত পৰা আৰক্ষীৰ উপ-পৰিৰ্দশক জোনমণি ৰাভাক আজি তিনিটা দিনে বাৰ-তেৰ ঘণ্টাকৈ চলোৱা জেৰাৰ অন্তত আজি মাজুলী আৰক্ষীয়ে গেপ্তাৰ কৰে উপ-পৰিৰ্দশকগৰাকীক। এছ আই জোনমণি ৰাভাৰ হ'বলগীয়া স্বামী ৰাণা পগাগ আৰু জোনমণি ৰাভাৰ বিৰুদ্ধে মাজুলীৰ তিনি ব্যৱসায়ীয়ে আজিৰ পৰা প্ৰায় ২৫টা দিনৰ পূৰ্বে গড়মূৰ থানাত দিয়া এজাহাৰৰ ভিত্তিত প্ৰৱঞ্চক ৰাণাক নগাঁৱৰ পৰা ১৮ মে'ত মাজুলী আৰক্ষীয়ে জিম্মাত লৈ ৭ দিনৰ জেৰাৰ অন্তত ২৭ মে'ত আদালতৰ যোগেদি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছিল যদিও জোনমণি ৰাভাৰ ক্ষেত্ৰত আৰক্ষীৰ ভূমিকা দুৰ্বল আছিল। ২ জুনত গড়মূৰ থানাত উপস্থিত হোৱা জোনমণি ৰাভাক মাজুলীৰ আৰক্ষী অধীক্ষক গৌতম বৰাই দুগৰাকীকৈ অভিযোগকাৰীক মুখামুখিকৈ বহুৱাই জেৰা চলায়। প্ৰথম দিনাৰ জেৰাৰ পিছত জোনমণিৰ সন্দৰ্ভত আৰক্ষীৰ ভূমিকা সন্দেহজনক হোৱাত সৰৱ হৈ উঠে মাজুলীৰ সংবাদ মাধ্যমে দ্বিতীয় দিনা অৰ্থাৎ কালিও জোনমণি ৰাভাক দুই ভুক্তভোগী ব্যৱসায়িক একেলগে বহুৱাই ডেৰ ঘণ্টাৰ জেৰাৰ অন্তত মাজুলীৰ আৰক্ষী অধীক্ষকে বেংক বিষয়া, বিভিন্নজনৰ সাক্ষী গ্ৰহণ কৰাৰ লগতে তদন্ত প্ৰক্ৰিয়াত গাফিলতি নহয় বুলি মন্তব্য প্ৰকাশ কৰিছিল। ইয়াৰ পিছতে কালি গড়মূৰস্থিত কানাড়া বেংকৰ মেনেজাৰগৰাকীক আৰক্ষীয়ে গড়মূৰ থানাত গোচৰ সংক্ৰান্তীয় কথাত সোধা-পোছা কৰে। সন্ধিয়াৰ ভাগলৈ জোনমণি ৰাভাৰ এক্সিচ বেংকৰ 921010021109554 একাউণ্ট নম্বৰত আৰু কানাড়া বেংকৰ 6764101002459 নম্বৰৰ একাউণ্টত মুঠ ২০,৪৭,৫৮৮ টকাৰ লেনদেন ধৰা পৰে। এই তথ্যৰ পিছতেই জোনমণিৰ গ্ৰেপ্তাৰৰ নিশ্চয়তা বাঢ়ি গৈছিল। আজি তৃতীয় দিনা জোনমণিক গড়মূৰ থানাত পুৱা ১০.৩০ বজাৰ পৰা জেৰা কৰাৰ অন্তত মাজুলীৰ আৰক্ষী অধীক্ষক গৌতম বৰাই কয় যে-জোনমণিৰ বিৰুদ্ধে বিভিন্ন তথ্য প্ৰমাণ পোৱা গৈছে। প্ৰয়োজনত জোনমণি ৰাভাক গ্ৰেপ্তাৰ কৰা হ'ব পাৰে বুলি মন্তব্য কৰাৰ পিছত জোনমণি ৰাভাক গড়মূৰ থানাতে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ২০১৮ চনত এছ আই হিচাপে চাকৰি জীৱন আৰম্ভ কৰা থানাখনতেই গ্ৰেপ্তাৰ হ'বলগীয়া হোৱা জোনমণি ৰাভাক থানাতে চিকিৎসকে স্বাস্থ্য পৰীক্ষা কৰোৱা অন্তত আদালতলৈ নিয়াৰ বাবে আৰক্ষীয়ে যো-জা চলায় যদিও থানাতে জোনমণিৰ মাতৃ আৰু জোনমণি কান্দোনত ভাগি পৰে। ইয়াৰ পিছতে দিনৰ ২.১৭ বজাত জোনমণিক মাজুলী জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰে। আদালতলৈ নিয়াৰ সময়ত জোনমণিয়ে— মই ষড়যন্ত্ৰৰ বলি হৈছোঁ। ৰাণা পগাগে মোৰ লগত বিশ্বাসঘাতকতা কৰিলে বুলি চিঞৰি চিঞৰি মন্তব্য কৰে। ইয়াৰ পিছতেই জামিনবিহীন ধাৰাত অভিযুক্ত জোনমণি ৰাভাক মাজুলী জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে ১৪ দিনৰ ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। খাকী পোছাকক কলংকিত কৰা অসম আৰক্ষীৰ উপ-পৰিদৰ্শক জোনমণি ৰাভাক গ্ৰেপ্তাৰ কৰি মাজুলী আৰক্ষীয়ে আইন যে সকলোৰে বাবে সমান তাক প্ৰতীয়মান কৰিলে। উল্লেখ্য যে ৰাণাই ব্যৱসায়ী অজিত বৰাক ONGCৰ দুটা ভুৱা কামৰ ৱৰ্ক অৰ্ডাৰ দিয়াৰ লগতে জোনমণি আৰু ৰাণাৰ জৰিয়তে ONGCৰ বিভাগৰ পেডত ভুৱা ছীল-মোহৰ মাৰি ব্যৱসায়ী বৰাক Work order letter no EE / ONGC /CSR /81-1(A) 2019-20 আৰু 4) Work order letter no.EE/ONGC/CSR/82-1(A)2019-20 নম্বৰৰ ভুৱা অৰ্ডাৰ মতেই বেংক একাউণ্ট খুলিবলৈ দিছিল বুলি অভিযোগ উঠিছিল। উল্লেখ্য যে প্ৰৱঞ্চক এটাৰ সৈতে মিলি অ' এন জি চিত কাম দিয়াৰ টোপ দি লাখে লাখে টকা আত্মসাৎ কৰাৰ কামত জড়িত হোৱাৰ স্পষ্ট অভিযোগ দি মাজুলীৰ তিনিগৰাকী ব্যৱসায়ীয়ে এজাহাৰত এছ আই জোনমণি ৰাভাক মূল অভিযুক্ত হিচাপে উল্লেখ কৰিছিল। প্ৰৱঞ্চক ৰাণা পগাগে মাজুলীৰ ক্ৰমে ব্যৱসায়ী ৰাম অৱতাৰ শৰ্মাৰ পৰা ৪৯ লাখ ৪৬ হাজাৰ আৰু অজিত বৰাৰ পৰা ১৩ লাখ ৭২ হাজাৰ টকা, ৰঞ্জন কুটুমৰ পৰা ২৫ লাখ টকা প্ৰৱঞ্চনাৰে নিয়াৰ সমগ্ৰ ঘটনা ক্ৰমত জোনমণি জড়িত থকাৰ বিষয়ে লিখিত অভিযোগ দাখিল কৰিছিল। ইয়াৰ উপৰি প্ৰৱঞ্চনাৰে ৰাণা পগাগে লোৱা ধন জোনমণিয়ে নিজহাতে গণি লোৱাৰ সন্দৰ্ভতো এজাহাৰত উল্লেখ আছিল। ইফালে একেকেইটা গোচৰত মাজুলী মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে জোনমণিৰ ভাবী স্বামী তথা প্ৰৱঞ্চক ৰাণা পগাগক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছিল।

## জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে

থকা আৰক্ষীয়ে। দৰাচলতে ফ্ৰান্স অপেনৰ ছেমি ফাইনেলৰ খেলক ক'ৰ্টৰ ভিতৰলৈ দৌৰি সোমাই যোৱা যুৱতীগৰাকী এগৰাকী পৰিৱেশ কৰ্মী। জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে অভিনৱ প্ৰতিবাদ সাব্যস্ত কৰাৰ উদ্দেশ্যে তেওঁ তেনেদৰে ক'ৰ্টৰ ভিতৰলৈ সোমাই গৈ ক'ৰ্টত থকা নেটেৰে নিজকে বান্ধি পেলোৱাৰ চেষ্টা কৰিছিল। ফ্ৰান্স অপেনৰ ছেমি ফাইনেল খেল যিহেতু বিশ্বৰ কোটি কোটি লোকে ইণ্টাৰনেটৰ মাধ্যমত অথবা টেলিভিছনত চাই আছিল সেয়ে এনে প্ৰতিবাদ কৰিলে বিশ্বৰ কোটি কোটি লোকে জলবায়ু পৰিৱৰ্তনৰ বিষয়ত সজাগ হ'ব বুলি ভাবিয়েই যুৱতীগৰাকীয়ে এনে প্ৰতিবাদ কৰিছিল। যুৱতীগৰাকীয়ে জলবায়ু পৰিৱৰ্তনৰ বিষয়ত ফ্ৰান্সৰ চৰকাৰে প্ৰদৰ্শন কৰি অহা নিষ্ক্ৰিয়তাৰ প্ৰতিবাদ জনাবলৈয়েই এনে প্ৰতিবাদ কৰা বুলি তেওঁ প্ৰকাশ কৰিছে। যুৱতীগৰাকীৰ এনে প্ৰতিবাদৰ বাবেই ফ্ৰান্স অপেনৰ ছেমি ফাইনেলখন ১৩ মিনিটৰ বাবে বন্ধ হৈ পৰে। প্ৰতিবাদ সাব্যস্ত কৰা যুৱতীগৰাকীৰ নাম আলিজি, বয়স তেওঁৰ ২২ বছৰ। ডাৰ্নিয়েৰ ৰেনোভেশ্বন নামৰ সংগঠনটোৰ তেওঁ এগৰাকী সদস্য বুলি জানিব পৰা গৈছে। এই সংগঠনটোৱে প্ৰকৃতি সুৰক্ষা আৰু জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে গণ সজাগতাৰ সৃষ্টি কৰি আহিছে। যুৱতীগৰাকীৰ এনে প্ৰতিবাদে সমগ্ৰ বিশ্বৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। এখন বিশ্ববিখ্যাত খেলৰ ছেমি ফাইনেল চলি থকাৰ মাজতে খেলত বাধা প্ৰদান কৰাৰ বাবে আলিজিৰ বিৰুদ্ধে কিবা শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি সেয়া এতিয়ালৈকে জানিব পৰা হোৱা নাই।

## ভাৰতে স্থাপন কৰিলে বিশ্বৰ

স্থাপন কৰিছে। এছিয়াৰ সৰ্ববৃহৎ আন্তৰ্জাতিক লিকুইড মিৰ'ৰ টেলিস্কোপ (আইএলএমটি) ২৪৫০ মিটাৰ উচ্চতাত স্থাপন কৰা হৈছে। আৰ্যভট্ট গৱেষণা পৰ্যৱেক্ষণ বিজ্ঞান প্ৰতিষ্ঠানৰ (এআৰআইএছ) অধীনত এই টেলিস্কোপ স্থাপন কৰা হৈছে। জ্যোতিৰ্বিজ্ঞানৰ গৱেষণাৰ ক্ষেত্ৰত এই টেলিস্কোপে বিশেষ সহায় কৰিব বুলি আশা কৰা হৈছে। এয়াই হৈছে বিশ্বৰ প্ৰথম তৰল-দাপোণ টেলিস্কোপ। দূৰবীণটো পৃথিৱীৰ কাষত থকা ছায়াপথ আৰু অন্যান্য জ্যোতিৰ্বৈজ্ঞানিক উপাদানবোৰ পৰ্যৱেক্ষণ কৰিবলৈ ব্যৱহাৰ কৰা হ'ব। পেৰাবোলইড আকৃতিৰ প্ৰতিফলিত পৃষ্ঠই টেলিস্কোপটোত আইনা হিচাপে কাম কৰিব। ৪ মিটাৰ ডায়েমিটাৰৰ এই পৃষ্ঠটোৱে পোহৰ কেন্দ্ৰীভূত কৰি মহাকাশৰ গৱেষণাত সহায় কৰিব। বেলজিয়াম, কানাডা, পোলেণ্ড আৰু উজবেকিস্তানৰ সহযোগত ভাৰতে স্থাপন কৰা লিকুইড মিৰ'ৰ টেলিস্কোপটো বেলজিয়ামৰ এডভান্সড মেকানিকেল এণ্ড অপ্টিকেল ছিষ্টেমছ কৰ্প'ৰেচনৰ উদ্যোগত নিৰ্মাণ কৰা হৈছিল। ই হিমালয়ৰ ২৪৫০ মিটাৰ উচ্চতাৰ পৰা গ্ৰহাণু, ছুপাৰনোভা, মহাকাশৰ আৱৰ্জনা আৰু আন সকলো মহাকাশীয় বস্তু নিৰীক্ষণ কৰিব।

## অভিযুক্ত ৰে'ল বিভাগৰ কৰ্মচাৰী ছেৰু খানক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ৪ জুন ঃ** কোকৰাঝাৰৰ গোসাঁইগাঁও মহকুমাৰ শ্ৰীৰামপুৰৰ ভাইৰিগুৰিত ২ জুনত সংঘটিত এটি ধৰ্ষণ কাণ্ডই সমগ্ৰ মহকুমাটোতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে শ্ৰীৰামপুৰত ৰে'ল বিভাগত কৰ্মৰত মহম্মদ ছেৰু নামৰ তিনিটা সন্তানৰ পিতৃ এজনে এগৰাকী নাবালিকাক ধৰ্ষণ কৰা ঘটনাই ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আৰক্ষীয়ে ইতিমধ্যে অভিযুক্ত মহম্মদ শেৰুক আটক কৰিছে। অভিযোগ মতে অভিযুক্ত যুৱকগৰাকীয়ে নৱম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰীগৰাকীক বিভিন্ন প্ৰলোভন দি দীৰ্ঘ দিনৰ পৰা তেওঁৰ সৈতে শাৰীৰিক সম্পৰ্ক স্থাপন কৰি আহিছিল। স্থানীয় ৰাইজে উক্ত ঘটনা জানিব পাৰি যোৱা দুই জুনত নিশা লম্পট যুৱকজনক ছাত্ৰীগৰাকীৰ ঘৰতে অশালীন কামত লিপ্ত অৱস্থাত হাতে-লোটে ধৰে। কিন্তু স্থানীয় একাংশ ৰাইজে লম্পট যুৱকজনৰ পৰা বৃহৎ অংকৰ ধন লৈ এৰি দিয়াৰ অভিযোগ উঠিছে। পাছত সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছা আৰু চি ডব্লিউ চিৰ (শিশু কল্যাণ সমিতি) সদস্যই ঘটনা সন্দৰ্ভত আৰক্ষীক অৱগত কৰাত আৰক্ষীয়ে যোৱানিশা অভিযুক্ত যুৱকজনক আটক কৰে।

## ছ'ল'গেমী, নিজৰ সৈতেই বিয়া

কাৰণ ক্ষমাৰ বিয়াৰ বাবে নাই কোনো পাত্ৰ। নিজৰ সৈতেই বিবাহত বহিব যুৱতীগৰাকী। আচৰিত হ'লেও এয়াই সঁচা। গুজৰাটত এয়া প্ৰথম একক বিবাহৰ ঘটনা। গুৰুত্বপূৰ্ণ কথাটো হ'ল ক্ষমাই সকলো নীতি-নিয়ম মানি আবদ্ধ হ'ব বিবাহপাশত। নিজেই নিজৰ শিৰত পিন্ধিব সেন্দূৰ। বিয়াত নাথাকিব দৰা, নাথাকে কোনো দৰাপক্ষ। টাইমছ অৱ ইণ্ডিয়াৰ সৈতে বাৰ্তালাপত ক্ষমাই কয়— তেওঁ কেতিয়াও বিবাহপাশত আবদ্ধ হ'ব বিচৰা নাছিল। কিন্তু কইনা হোৱাটো এটা সপোন আছিল। সেই বাবেই নিজৰ সৈতেই বিবাহৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ পিছতে তেওঁ অনলাইনত অনুসন্ধান কৰিলে যে কোনো দেশৰ মহিলাই নিজৰ সৈতে বিবাহত বহিছে নেকি। কিন্তু তেওঁ কাকোৱে নাপালে। ক্ষমাই কয় যে তেওঁ দেশত সম্ভৱতঃ নিজৰ সৈতে বিয়া হোৱা প্ৰথমগৰাকী যুৱতী হিচাপে উদাৰহণ হ'ব। ক্ষমা এখন ব্যক্তিগত ফাৰ্মত চাকৰি কৰে। তেওঁ কয়, এয়া আত্মস্বীকৃতিৰ কাম। মানুহে আন ব্যক্তিৰ সৈতে বিয়াত বহে, যাক তেওঁলোকে ভাল পায়। মই নিজকে ভাল পাওঁ। সেই বাবে নিজৰ সৈতে বিয়াৰ সিদ্ধান্ত লৈছো। তেওঁ কয়, নিজৰ সৈতে বিবাহত বহা কাৰ্যক কিছুমান লোকে অপ্ৰাসংগিক বুলি ভাবিব পাৰে। কিন্তু মই যি দেখুৱাব বিচাৰিছো সেয়া হ'ল মহিলাসকল যে গুৰুত্বপূৰ্ণ তাক প্ৰমাণ কৰা। ভাৰতত এনে ধৰণৰ বিয়া এয়াই প্ৰথম বুলি বহুতে ক'ব বিচাৰে।

## বন্ধ কৰিব মধুপুৰ সত্ৰৰ সত্ৰীয়া

চৰকাৰ তথা ধুবুৰী জিলা প্ৰশাসনক ভুল তথ্য-পতিৰে বিপথে পৰিচালিত কৰাৰ পৰিপ্ৰেক্ষিতত সত্ৰখনত এক বিশৃংখল পৰিস্থিতিৰ সৃষ্টি হৈ আছে। মধুপুৰ সত্ৰ সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে সদৰী কৰা মতে অসম সত্ৰ মহাসভাৰ সভাপতি তথা মধুপুৰ সত্ৰ সমিতিৰ সভাপতি জিতেন্দ্ৰ নাথ প্ৰধানী আৰু স্থানীয় তদাৰক সমিতিৰ সম্পাদক কেশৱ প্ৰধানীৰ লগত ৩ জুন তাৰিখে ধুবুৰী জিলাৰ উপায়ুক্তৰ লগত হোৱা এক আলোচনাৰ সময়ত উপায়ুক্তগৰাকীয়ে সভাপতিগৰাকীক জিলা প্ৰশাসনৰ এই সিদ্ধান্ত বিষয়ে অৱগত কৰায়। উপায়ুক্তগৰাকীয়ে লগতে সভাপতিগৰাকীক জনোৱা অনুসৰি অতি কম সময়ৰ ভিতৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মধুপুৰ সত্ৰ ভ্ৰমণ কৰি সত্ৰখনত উদ্ভৱ হোৱা সমস্যাসমূহৰ নিৰাময়ৰ বাবে সত্ৰ সমিতি আৰু ৰাইজৰ লগত মত বিনিময় কৰিব। প্ৰসংগ ক্ৰমে উল্লেখ্য যে ২৯ মে' তাৰিখে সত্ৰ সমিতিৰ প্ৰধান সম্পাদক তথা প্ৰাক্তন সাংসদ কুমাৰ দীপক দাস আৰু প্ৰচাৰ সম্পাদক যুগান্ত বায়নে মুখ্যমন্ত্ৰীগৰাকীক দিছপুৰৰ জনতা ভৱনত সাক্ষাৎ কৰি মধুপুৰ সত্ৰৰ সাম্প্ৰতিক পৰিস্থিতিৰ বিষয়ে বিতং আলোচনা কৰিছিল। ইয়াৰ উপৰি যোৱা ১২ এপ্ৰিলত মধুপুৰ সত্ৰত অসম আৰু পশ্চিম বংগৰ বিভিন্ন সত্ৰৰ সত্ৰাধিকাৰৰ লগতে প্ৰায় ২০০ ভকত-বৈষ্ণৱৰ উপস্থিতিত হোৱা ৰাজহুৱা সভাই এনে নিৰ্মাণ কাৰ্য বন্ধ কৰি সত্ৰখনৰ এক বিকল্প স্থানত প্ৰস্তাৱিত প্ৰকল্পটো নিৰ্মাণ কৰিবলৈ চৰকাৰক আহ্বান জনাইছিল। ইয়াৰ উপৰি শংকৰদেৱৰ বঁটা বিজয়ী বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া বশিষ্ঠ দেৱ শৰ্মায়ো ৰাজ্য চৰকাৰক এনে সত্ৰীয়া পৰম্পৰাবিৰোধী কাৰ্যৰ পৰা আঁতৰি থাকিবলৈ মুখ্যমন্ত্ৰীক আহ্বান জনাইছিল। মধুপুৰ সত্ৰ সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে প্ৰকাশ কৰা এক বিবৃতিযোগে চৰকাৰৰ শেহতীয়া সিদ্ধান্তক আদৰণি জনাইছে। এইক্ষেত্ৰত মুখ্যমন্ত্ৰী আৰু ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে গ্ৰহণ কৰা শক্তিশালী প্ৰচেষ্টাৰ প্ৰতি সত্ৰীয়া সমিতিয়ে কৃতজ্ঞতা প্ৰকাশ কৰিছে। সত্ৰ সমিতিয়ে লগতে সত্ৰখনৰ উন্নয়নৰ বাবে আৰু পশ্চিম বংগৰ বিভিন্ন অঞ্চলত সত্ৰীয়া কৃষ্টি-সংস্কৃতি আৰু পৰম্পৰা ৰক্ষা কৰাৰ বাবে এক বিস্তৃত আঁচনি গ্ৰহণ কৰি সেইবোৰ আঁচনি কাৰ্যকৰী কৰাৰ বাবে তাৎক্ষণিকভাৱে এক ইতিবাচক পদক্ষেপ ল'ব বুলি আশা প্ৰকাশ কৰিছে।

## গোগামুখৰ জোনমণি

নগৰৰ মাজমজিয়াত থকা জোনমণি হোটেলত আজি গোগামুখ আৰক্ষীয়ে দেহ ব্যৱসায়ী চক্ৰ উৎখাত কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে জোনমণি হোটেলত দীৰ্ঘদিন ধৰি দেহ ব্যৱসায় চলি আহিছে। গোগামুখ থানাৰ পৰা মাথোঁ ২০০ মিটাৰ নিলগত থকা উক্ত হোটেলত ৰমৰমীয়া দেহ ব্যৱসায় চলি থকাটো সৰ্বজনবিদিত। স্থানীয় ৰাইজৰ অভিযোগৰ ভিত্তিত গোগামুখ আৰক্ষীয়ে হোটেলখনত পূৰ্বেও অভিযান চলাই দেহ ব্যৱসায় চক্ৰ ধৰা পেলাইছে যদিও ৰহস্যজনকভাৱে আৰক্ষীয়ে হোটেলখন বন্ধ কৰিব পৰা নাই বা দেহ ব্যৱসায় চলাই থকা হোটেলখনৰ স্বত্বাধিকাৰী ভৱেন পাতৰিৰ ওপৰত কোনো কঠোৰ ব্যৱস্থা ল'ব পৰা নাই। আজি বগীনদীৰ এগৰাকী মহিলাই নিজৰ স্বামীক বিচাৰি জোনমণি হোটেলত উপস্থিত হয় আৰু স্বত্বাধিকাৰী পাতৰিৰ লগত তীব্ৰ বাক্-বিতণ্ডাত লিপ্ত হয়। ভৱেন পাতৰি আৰু মহিলাগৰাকীৰ বাক্-বিতণ্ডা শুনি স্থানীয় শতাধিক ব্যৱসায়ী সমগ্ৰ হোটেলখন ঘেৰি ধৰে আৰু আৰক্ষীক খবৰ দিয়ে। ৰাইজে হোটেলখন ঘেৰি ধৰাৰ পূৰ্বে অভিযোগকাৰী মহিলাগৰাকীৰ স্বামীক জোনমণি হোটেলৰ স্বত্বাধিকাৰী ভৱেন পাতৰিয়ে পলুৱাই পঠিয়ায়। অৱশেষত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ অভিযান চলাই হোটেলখনৰ বন্ধ কোঠাৰ পৰা অসংযত অৱস্থাত থকা চাৰিযোৰ পুৰুষ-মহিলাক আটক কৰাৰ লগতে জোনমণি হোটেলৰ স্বত্বাধিকাৰী ভৱেন পাতৰিকো আটক কৰি থানালৈ লৈ যায়। আৰক্ষীৰ আগত আটাইকেইজনে দেহ ব্যৱসায়ত জড়িত থকাৰ কথা স্বীকাৰ কৰে।

## বিজেপিৰ ৮জনকে ধৰি

প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। নিৰ্বাচিত হোৱা বিজেপিৰ আঠজন সদস্য হৈছে লক্ষ্মীকান্ত বাজপাই, ড° ৰাধা মোহন দাস আগৰৱালা, সুৰেন্দ্ৰ নগৰ, ড° কে লক্ষ্মণ, মিথিলেশ কুমাৰ, বাবুৰাম নিশাদ, সংগীতা যাদৱ আৰু দৰ্শনা সিং। কংগ্ৰেছ দলৰ প্ৰাক্তন নেতা কপিল চিবালো নিৰ্দলীয় প্ৰাৰ্থী হিচাপে নিৰ্বাচিত হৈছে। ৰাষ্ট্ৰীয় লোক দলৰ সভাপতি জয়ন্ত চৌধুৰীকো নিৰ্বাচিত ঘোষণা কৰা হৈছে। দুয়োজন সমাজবাদী পাৰ্টীৰ সমৰ্থনত নিৰ্বাচিত হৈছে। সমাজবাদী পাৰ্টীৰ জাভেদ আলীও নিৰ্বাচিত হৈছে। ৰাজ্যসভাৰ ৰিটাৰ্ণিং বিষয়া ব্ৰজ ভূষণ ডুবেই নিৰ্বাচিত সদস্যসকলক বিজয়ী হোৱাৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰিছে। ইয়াৰ পূৰ্বে শুকুৰবাৰে আনুষ্ঠানিকভাৱে জনোৱা হৈছিল যে ৰাজ্য সভাৰ নিৰ্বাচনত আৰজেডিপ্ৰধান লালুপ্ৰসাদৰ কন্যা মিছা ভাৰতীকে ধৰি বিহাৰৰ পাঁচোজন প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। আন চাৰিজন প্ৰাৰ্থী হৈছে ফৈয়াজ আহমেদ (আৰজেডি), খিৰু মাহতো (জনতা দল ইউনাইটেড), সতীশ চন্দ্ৰ ডুবে আৰু সম্ভু শৰণ পেটেল (বিজেপি)। ঝাৰখণ্ডৰ পৰা ৰাজ্য সভাৰ নিৰ্বাচনত দুজন প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছে। তেওঁলোক হৈছে ক্ৰমে বিজেপিৰ আদিত্য চাহু আৰু ঝাৰখণ্ড মুক্তি মৰ্চাৰ (জেএমএম) ড° মহুয়া মাঝি। চলিত বৰ্ষৰ জুন মাহৰ পৰা আগষ্ট মাহৰ ভিতৰত ৰাজ্য সভাৰ কেইবাগৰাকীও সদস্যৰ অৱসৰ গ্ৰহণ কৰিব। ফলত খালী হৈ পৰিবলগীয়া ১৫খন ৰাজ্যৰ পৰা ৫৭খন ৰাজ্য সভাৰ আসন পূৰণৰ বাবে ১০ জুনত নিৰ্বাচন অনুষ্ঠিত হ'ব। ইতিমধ্যে শাসকীয় দল বিজেপিকে ধৰি কংগ্ৰেছেও ৰাজ্য সভা নিৰ্বাচনৰ বাবে কঁকালত টঙালি বান্ধিছে। দুয়োটা দলেই ইতিমধ্যে আংশিকভাৱে প্ৰাৰ্থীৰ নাম তালিকা ঘোষণা কৰিছে। ৰাজ্য সভাৰ পৰা অৱসৰ গ্ৰহণ কৰিবলগীয়াসকলৰ ভিতৰত অন্যতম কেইগৰাকীমান ৰাজনীতিক হৈছে কেন্দ্ৰীয় মন্ত্ৰী মুখতাৰ আব্বাছ নাকভি, কংগ্ৰেছ নেতা অম্বিকা ছোনি, জয়ৰাম ৰমেশ, কপিল চিব্বাল আৰু বিএছপিৰ সতীশ চন্দ্ৰ মিশ্ৰা আদি। এইসকল সদস্যই ২১ জুনৰ পৰা ১ আগষ্টৰ ভিতৰত অৱসৰ গ্ৰহণ কৰিব। তদুপৰি উত্তৰ প্ৰদেশত ১১খন আসন খালী হৈ আছে। একেদৰে তামিলনাডুত ছখন আৰু মহাৰাষ্ট্ৰৰ পাঁচখন আসনৰ লগতে বিহাৰ, অন্ধ্ৰ প্ৰদেশ, ৰাজস্থান আৰু কৰ্ণাটকতো ৰাজ্য সভাৰ কেইবাখনো আসন খালী হৈ আছে। মধ্য প্ৰদেশ আৰু ওড়িশাৰ তিনিজনকৈ সদস্য, তেলেংগানা, ছত্তীশগড়, পঞ্জাৱ, ঝাৰখণ্ড আৰু হাৰিয়ানাৰ দুজনকৈ আৰু উত্তৰাখণ্ডৰ এজন সদস্যই ৰাজ্য সভাৰ পৰা ইতিমধ্যে অৱসৰ গ্ৰহণ কৰিছে।



*ভালে আছেনে গুজৰাটৰ পৰা আমদানি কৰা গীৰ গাই। খবৰ ল'লেগৈ পশুপালন মন্ত্ৰী অতুল বৰাই, শনিবাৰে*

## বিন্নাকান্দি আৰু যোগীজান উন্নয়ন খণ্ডত গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত দাস

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ডবকা, ৪ জুন ঃ** হোজাই জিলাৰ ডবকাস্থিত বিন্নাকান্দি উন্নয়ন খণ্ডৰ কাৰ্যালয়ত আজি উপস্থিত হোৱা গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত দাসে উন্নয়ন খণ্ডৰ বিষয়া-কৰ্মচাৰীৰ সৈতে এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। পিছত সাংবাদিকৰ আগত মন্ত্ৰীজনে কয় যে- 'গ্ৰামোন্নয়ন বিভাগৰ ঠিকাভিত্তিক কৰ্মচাৰীসকলে নীতি-নিষ্ঠতাৰে আৰু উৎসৰ্গিতভাৱে কাম কৰিছে। যেতিয়া তেওঁলোকে চাকৰিত যোগদান কৰিছিল তেতিয়া তেওঁলোকে চুক্তিপত্ৰত উল্লিখিত মাননিৰে কাম কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। তথাপি মানৱতাৰ দৃষ্টিভংগীৰে তেওঁলোকক চাব লাগিব। গতিকে আগন্তুক সময়ত আমি তেওঁলোকৰ সমস্যা সমাধান কৰিব পাৰো নেকি চাম আৰু মুখ্যমন্ত্ৰীকো এই বিষয়ে আমি অৱগত কৰিম।' মন্ত্ৰী দাসে লগতে কয় যে- বিন্নাকান্দি উন্নয়ন খণ্ডত মুঠ ২৪ হাজাৰ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ নিৰ্মাণ হ'ব। পূৰ্বৰ ১২ হাজাৰ গৃহৰ লগত নতুনকৈ ১২ হাজাৰ ৩৫টা গৃহ আবণ্টন দিয়া হৈছে। আমি বিন্নাকান্দি উন্নয়ন খণ্ডৰ বিষয়া-প্ৰতিনিধিক আহ্বান জনাইছো তেওঁলোকে যাতে গাঁও সভা অনুষ্ঠিত কৰি ঘৰৰ কামবোৰ সঠিকভাৱে কৰে। এই গৃহসমূহত আমি বৈদ্যুতিকৰণ, শৌচালয়, জলজীৱন আঁচনিৰ অধীনত বিশুদ্ধ খোৱাপানী দিয়াৰ ব্যৱস্থা কৰিছো। বিন্নাকান্দি উন্নয়ন খণ্ডৰ পূৰ্বৰে পৰা দুৰ্নীতিৰ ক্ষেত্ৰত অভিযোগ আছে বুলি মন্তব্য কৰি গ্ৰামোন্নয়ন মন্ত্ৰীজনে কয় যে- গতিকে বৰ্তমানৰ বিষয়াসকল এইক্ষেত্ৰত সাৱধান হওক, পুৰণা মানসিকতা পৰিহাৰ কৰি দৰিদ্ৰ লোকৰ উন্নয়নৰ স্বাৰ্থত কাম কৰক। বিন্নাকান্দি উন্নয়ন খণ্ডকে ধৰি বিভিন্ন উন্নয়ন খণ্ডত এম জি এনৰেগৰ কাম আধৰুৱা হৈ থকা প্ৰসংগত মন্ত্ৰীজনে কয় যে- যিসমূহ উন্নয়ন খণ্ডত এম জি এনৰেগৰ কাম আধৰুৱা হৈ আছে সেই সমূহ উন্নয়ন খণ্ডত নতুন কাম আবণ্টন দিয়া নহ'ব বুলি সকীয়াই দিয়ে। উল্লেখ্য যে, হোজাই জিলাৰ বিন্নাকান্দি উন্নয়ন খণ্ডত পূৰ্বতে ভয়ংকৰ দুৰ্নীতি সংঘটিত হোৱাৰ বাবে একাংশ বিষয়া -কৰ্মচাৰীৰ লগতে জনপ্ৰতিনিধিও জে'ললৈ যোৱাৰ উপৰি নিলম্বন হৈছিল। মন্ত্ৰী দাসে বৰ্তমানৰ পৰা দুৰ্নীতি কৰিব দিয়া নহ'ব বুলি সকীয়নি দিয়ে। আনহাতে, হোজাই যোগীজান উন্নয়ন খণ্ডৰ প্ৰাক্তন খণ্ড উন্নয়ন বিষয়া আৰু সম্পাদকক নিলম্বন কৰে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ কমিছনৰ বিক্ৰম কৈৰীয়ে CRPD 29/2022/11 নম্বৰৰ নিৰ্দেশযোগে যোগীজানৰ প্ৰাক্তন বিডিঅ' শ্বেতাপদ্ম শৰ্মা আৰু কান্দুলিমাৰী গাঁও পঞ্চায়তৰ প্ৰাক্তন সম্পাদক বিজয় প্ৰকাশ গুপ্তাক নিলম্বন কৰে। কান্দুলিমাৰী পঞ্চায়তত সংঘটিত দুৰ্নীতিৰ অভিযোগত নিলম্বন কৰা হয় দুয়োকে। নিলম্বিত বিডিঅ'গৰাকী বৰ্তমান উদালি উন্নয়ন খণ্ডৰ সহকাৰী বিষয়া আৰু সম্পাদকগৰাকী জুৰীয়া উন্নয়ন খণ্ডৰ গটংগা পঞ্চায়তৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। বিডিঅ' আৰু সম্পাদক নিলম্বন সন্দৰ্ভত মন্ত্ৰী ৰঞ্জিত দাসে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে দুৰ্নীতিত অভিযন্তা জড়িত থাকিলেও কাকো এৰি দিয়া নহ'ব বুলিও মন্তব্য কৰাৰ লগতে তেওঁ কয় যে দুখীয়াৰ ধন শোষণ কৰিব দিয়া নহ'ব, মোৰ কাৰ্যকালত ২২গৰাকী বিষয়া-কৰ্মচাৰীক নিলম্বন আৰু বৰ্খাস্ত কৰা হৈছে। গাফিলাতি কৰিলে কাকো ৰেহাই নিদিওঁ বুলি হুংকাৰ দিয়ে পঞ্চায়ত, জনস্বাস্থ্য আৰু যোগান বিভাগৰ মন্ত্ৰীয়ে। মন্ত্ৰীগৰাকীয়ে কয় যে পঞ্চায়তৰ সভাপতিৰ ঘৰত গৈ পৰ্যালোচনা কৰা ময়েই ভাৰতৰ ভিতৰত একমাত্ৰ মন্ত্ৰী বুলিও মন্তব্য কৰে মন্ত্ৰী ৰঞ্জিত দাসে।



*তেজপুৰত গুণোৎসৱত এখন বিদ্যালয়ত শিক্ষাৰ্থীৰ একাংশ*

## বোকাখাতত পথ দুৰ্ঘটনাত হতাহত ৪

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বোকাখাত, ৪ জুন ঃ** এটা শিহৰণকাৰী পথ দুৰ্ঘটনা। দুৰ্ঘটনাটোৰ সমগ্ৰ দৃশ্য বন্দী হ'ল চি চি টিভি কেমেৰাত। এই শিহৰণকাৰী পথ দুৰ্ঘটনা সংঘটিত হৈছে বোকাখাতত। আজি বোকাখাতৰ জে ডি এছ জি মহাবিদ্যালয়ৰ সন্মুখত ডিব্ৰুগড়ৰ দিশৰ পৰা নগাঁৱলৈ বুলি আহি থকা এ এছ-০৬ ভি-৭০১০ নম্বৰৰ বেলেন' গাড়ীখনে আন এখন গাড়ী অতিক্ৰম কৰি যোৱা অৱস্থাত মহাবিদ্যালয়ৰ সন্মুখত নগাঁও মৈৰাবাৰীৰ পৰা সৰুপথাৰৰ উৰিয়ামঘাটলৈ বুলি গৈ থকা এ এছ-০৫ চি-৯৪৭৪ নম্বৰৰ যাত্ৰীবাহী বাছখনে খুন্দিয়াই কিছু দূৰ চোঁচোৰাই নিয়ে। বেলেন'খনত থকা পাঁচজন যাত্ৰীৰ ভিতৰত চাৰিজন যাত্ৰী ক্ৰমে ডিব্ৰুগড়ৰ পুনম ভৰালী (২৮), প্ৰসেনজিৎ ভৰালী (২৭), নগাঁও কামপুৰৰ নিপুস্মিতা বৰা (২১) আৰু শিলচৰৰ দীপিকা হাজৰিকা (২০) গুৰুতৰভাৱে আহত হয়। দৈব্যক্ৰমে বেলেন'খনৰ চালকজন কম আঘাততে বাচি যায়। সংকটজনক অৱস্থাত আহত চাৰিওকে বোকাখাতৰ শ্বহীদ কমলা মিৰি মহকুমা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে। চিকিৎসালয়ত প্ৰাথমিক চিকিৎসাৰ অন্তত গুৰুতৰভাৱে আহত চাৰিওকে উন্নত চিকিৎসাৰ বাবে যোৰহাট মেডিকেল কলেজ চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আনহাতে, দুৰ্ঘটনাটোৰ ফলত নগাঁও মৈৰাবাৰীৰ পৰা গোলাঘাটৰ সৰুপথাৰ উৰিয়ামঘাটলৈ বুলি গৈ থকা বাছখনৰ যাত্ৰীসকলো কম-বেছি পৰিমাণে আহত হয়। আহতসকলক প্ৰাথমিক চিকিৎসাৰ অন্তত যাবলৈ দিয়া হয়।

## গুণোৎসৱৰ মাজতে ইংৰাজী

ছাত্ৰই পৰীক্ষাৰ বহি পেলাই দিয়াত সব্যসাচী দে' নামৰ শিক্ষকজনে ক্ষোভিত হৈ ষষ্ঠ শ্ৰেণীত অধ্যয়নৰত এগৰাকী ছাত্ৰক কালি উপৰ্যুপৰি চৰিওৱাৰ ফলত ছাত্ৰজনৰ দাঁত, কান আৰু চকু আঘাতপ্ৰাপ্ত হয়। কিন্তু নিশাৰ ভাগত ছাত্ৰগৰাকীয়ে কষ্ট অনুভৱ কৰাত পিতৃ-মাতৃয়ে তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়লৈ লৈ যোৱাৰ লগতে স্থানীয় আৰক্ষী চকীত শিক্ষকজনৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰে। এই এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে অভিযুক্ত শিক্ষকগৰাকীক আৰক্ষী চকীলৈ তলব কৰা বুলি জানিব পৰা গৈছে। আনহাতে শিক্ষানুষ্ঠানখনৰ কতৃপক্ষই ঘটনা সন্দৰ্ভত বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰিছে।

## ১২ বছৰৰ পিছত বিবাহ

আৰু পপ তাৰকা ছাকিৰাই ১২ বছৰীয়া বৈবাহিক জীৱনৰ অন্ত পেলোৱাৰ কথা ঘোষণা কৰিছে। দম্পতীহালৰ দুটা সন্তান আছে। ছাকিৰাই পিকক প্ৰতাৰণা কৰাৰ অভিযোগ উঠিছে। 'আমি পৃথক ঘোষণা কৰিবলগীয়া হোৱা বাবে দুঃখিত। আমাৰ শিশুসকলৰ কল্যাণৰ বাবে, যিসকলক আমি সৰ্বাধিক অগ্ৰাধিকাৰ দিওঁ, আমি পৃথক হ'ব বিচাৰিছো।' তেওঁলোকে এক বিবৃতিত কয়। তিনিবাৰৰ গ্ৰেমী বিজয়ী ছাকিৰা লেটিন আমেৰিকাৰ অতি জনপ্ৰিয়। ছাকিৰাৰ 'হিপছ ড'ণ্ট লাই' আৰু 'ৰেইন, হোৱেৰ'ৰ দৰে গীতসমূহে বিশ্বজুৰি খলকনি তুলিছিল। ২০২০ চনত তেওঁ জেনিফাৰ লোপেজৰ সৈতে মিয়ামীত এনএফএলৰ ছুপাৰ বাউল চেম্পিয়নশ্বিপৰ ফাইনেলৰ শ্ব'ত গীত পৰিৱেশন কৰি খ্যাতি লভিছিল। কি কাৰণত ছাকিৰাই বিবাহ বিচ্ছেদ বিচাৰিছে সেয়া ৰাজহুৱা কৰা নাই। ফুটবলাৰ জেৰাৰ্ড পিকৰ সৈতে ধনৰ লেনদেনৰ বিষয়ত সংঘাত হোৱা বাবেই এই বিচ্ছেদ হৈছে বুলি বহুতে বু বু- বা বা কৰিছে।

# মৃত মুছেৱালাৰ পৰিয়ালে সাক্ষাৎ কৰিলে অমিত শ্বাহক

**চণ্ডীগড়, ৪ জুন ঃ** দুৰ্বৃত্তৰ হাতত প্ৰাণ হেৰুওৱা পঞ্জাবৰ জনপ্ৰিয় শিল্পী তথা কংগ্ৰেছ নেতা সিদ্ধু মুছেৱালাৰ পিতৃ-মাতৃ আৰু পৰিয়ালৰ লোকসকলে শনিবাৰে চণ্ডীগড়ত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰে। উল্লেখ্য যে কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱটে পুৰ্বে উল্লেখ কৰিছিল যে মুছেৱালাৰ পৰিয়ালটোৱে কেন্দ্ৰীয় গৃহমন্ত্ৰীলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰৰ জৰিয়তে পৰিয়ালটোৱে গৃহমন্ত্ৰীক সাক্ষাৎ কৰিব বিচাৰিছে। সেই অনুসৰি শনিবাৰে চণ্ডীগড়ত উপস্থিত থকা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰে। এই সাক্ষাতৰ সময়ত মুছেৱালাৰ পৰিয়ালটোৱে লিখিতভাৱে অৱগত কৰিছে যে সিদ্ধু মুছেৱালাৰ হত্যাকাণ্ডৰ তদন্ত চিবিআইৰ দ্বাৰা কৰোৱাব লাগে। পঞ্জাবৰ বিজেপি নেতাসকলক সাক্ষাৎ কৰাৰ সময়তে শিল্পীজনৰ পৰিয়ালৰ লোকসকলে কেন্দ্ৰীয় গৃহমন্ত্ৰীক দেখা কৰে। উল্লেখ্য যে হাৰিয়ানাৰ পাঞ্চকুলা অঞ্চলত খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া সমাৰোহ আৰম্ভ হৈছে। আজি এই সমাৰোহৰ শুভ উদ্বোধন কৰিবলৈ চণ্ডীগড়ত উপস্থিত হৈছে কেন্দ্ৰীয় গৃহমন্ত্ৰী। চৰকাৰী কাৰ্যসূচীৰ পূৰ্বে অমিত শ্বাহে বিজেপিৰ নেতা আৰু অন্যান্য একাংশক সাক্ষাৎ কৰিছে। যোৱা ২৯ মে' তাৰিখে পঞ্জাবৰ মাঞ্চা জিলাৰ জৱাহৰকে গাঁৱত প্ৰৱেশৰ সময়তে গায়ক সিদ্ধুক গুলীয়াই হত্যা কৰা হৈছিল। ইয়াৰ এদিনৰ পূৰ্বে পঞ্জাবৰ নতুন মুখ্যমন্ত্ৰী ভগৱন্ত মন নেতৃত্বাধীন চৰকাৰে ৰাজ্যখনৰ



চাৰি শতাধিক ব্যক্তিৰ দেহৰক্ষী প্ৰত্যাহাৰ কৰিছিল। এই তালিকাত গায়ক সিদ্ধুৰ নামো আছিল। সেইদিনা নিজৰ গৃহাভিমুখে ৰাওনা হোৱাৰ সময়ত সিদ্ধুৰ এগৰাকী সম্পৰ্কীয় ভাতৃ আৰু বন্ধু আছিল। নিজেই বাহন চলাই গৈছিল। কিন্তু ঘৰ সুমোৱাৰ পূৰ্বেই তেওঁক গুলীয়াই হত্যা কৰা হ'ল। এই ঘটনাই দেশজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে আৰু তেওঁৰ দেহৰক্ষী প্ৰত্যাহাৰৰ বাবেই এনে ঘটনা হোৱা বুলি অভিযোগ উত্থাপন কৰিছে। পঞ্জাবৰ মুখ্যমন্ত্ৰীয়ে সিদ্ধু মুছেৱালাৰ পৰিয়ালক ঘৰত গৈ সাক্ষাৎ কৰাৰ সময়ত একাংশ লোকে প্ৰতিবাদ কৰিছিল। বৰ্তমানলৈকে উচ্চ ন্যায়ালয়ৰ কৰ্মৰত এজন ন্যায়াধীশৰ জৰিয়তে হত্যাকাণ্ডৰ তদন্ত কৰিবলৈ ন্যায়িক আয়োগ গঠন কৰি দিছে। ইয়াৰ উপৰিও পঞ্জাব আৰক্ষীয়ে বিশেষ অনুসন্ধানকাৰী বাহিনী গঠন কৰিছে। দিল্লী আৰক্ষীয়ে সিদ্ধুক হত্যাৰ সন্দেহত গেংষ্টাৰ লৰেন্স বিষ্ণয় আৰু তেওঁৰ সহযোগীসকলক অভিযুক্ত কৰিছিল। কিন্তু বিষ্ণৱে এই অভিযোগ অস্বীকাৰ কৰিছে। ইয়াৰ বিপৰীতে কানাডাত বসবাস কৰা এজন শিখ গেংষ্টাৰে গায়ক সিদ্ধুক হত্যা কৰা বুলি সন্দেহ প্ৰকাশ কৰা হৈছে। বৰ্তমানলৈকে মূল হত্যাকাৰীৰ বিষয়টো সন্দেহৰ আৱৰ্ততে আছে। কোনো পক্ষই প্ৰকৃত হত্যাকাৰীৰ সন্ধান দিবলৈ সক্ষম হোৱা নাই। সেয়েহে নিহত সিদ্ধুৰ পৰিয়ালে আজি কেন্দ্ৰীয় গৃহমন্ত্ৰীক সাক্ষাৎ কৰি হত্যাকাণ্ডৰ তদন্ত চিবিআইক অৰ্পণ কৰিবলৈ জনোৱা আবেদন কিমানদূৰ ফলপ্ৰসু হয় সেই কথা পৰৱৰ্তী সময়ত লক্ষ্যণীয় হ'ব।



*২০০০ বছৰ পুৰণি ইটাৰ দেৱাল উদ্ধাৰ হ'ল বিহাৰৰ পাটনা ৰে'লৱে ষ্টেচনৰ পৰা ছয় কিলোমিটাৰ দূৰত্বত। ভাৰতীয় পুৰাতত্ত্ব জৰীপ বিভাগে কোমৰাহাৰ নামৰ অঞ্চলটোত এটা পুখুৰী খনন কৰি তথ্যানুসন্ধানত ব্ৰতী হোৱাৰ সময়তে এই পুৰণি ইটাৰ দেৱাল, গৃহসজ্জা আদি দৃষ্টিগোচৰ হৈছে*

# কৰ্ণাটকত সোঁপন্থীৰ হনুমান মন্দিৰৰ সন্ধানত মছজিদ অভিযানৰ প্ৰস্তুতি

## ব্যাপক আইন-শৃংখলা অৱনতিৰ আশংকা

**মাণ্ডিয়া, ৪ জুন ঃ** কৰ্ণাটকৰ মাণ্ডিয়া নামৰ স্থানত শনিবাৰে সোঁপন্থী কেতবোৰ দল আৰু সংগঠনে হনুমান মন্দিৰৰ সন্ধানত ব্যাপক জনসমাগমৰ সৃষ্টি কৰে। কিৰানগুৰ জংছনৰ সমীপত অৱস্থিত ত্ৰিৰংগাপাটনা টাউনত এই জনসমাগম হৈছিল। সেই স্থানত অৱস্থিত এটা জামিয়া মছজিদত সোঁপন্থীসকলে অভিযান চলাবৰ বাবেই সমবেত হোৱা বুলি প্ৰকাশ পাইছে। অভিযোগ অনুসৰি জামিয়া মছজিদত পূৰ্বে এটা হনুমান মন্দিৰ আছিল। কিন্তু মোগলৰ শাসনৰ সময়ত এই হনুমান মন্দিৰ ধ্বংস কৰি তাত মছজিদ স্থাপন কৰা হৈছিল। সেয়েহে পূৰ্বৰ হনুমান মন্দিৰ উদ্ধাৰ কৰিবৰ বাবে ব্যাপক জনসমাগম হোৱা বুলি প্ৰকাশ পাইছে। ইফালে আৰক্ষী আৰু প্ৰশাসনে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। আজি পুৱা ছয় বজাৰ পৰা বিয়লি ছয় বজা পৰ্যন্ত ১২ ঘণ্টাৰ বাবে সেই স্থানত ১৪৪ ধাৰা জাৰি কৰিছে। হাজাৰোধিক আৰক্ষী আৰু নিৰাপত্তা বাহিনীৰ জোৱানক নিয়োজিত কৰা হৈছে। জংছনত প্ৰৱেশ কৰিব পৰা আটাইবোৰ পথত নিৰাপত্তাৰক্ষীৰ বেষ্টনী গঢ়ি তোলা হৈছে। চাৰিখন তালাচী চকী স্থাপন কৰা হৈছে আৰু সেই স্থানত ব্যাপক তালাচী চলাই থকা হৈছে। সাপ্তাহিক বজাৰ আৰু সুৰাৰ বিপণীসমূহ সেই স্থানৰ পাঁচ বৰ্গ কিলোমিটাৰ পৰ্যন্ত বন্ধ কৰি দিয়া হৈছে। উপ-আৰক্ষী আয়ুক্ত এছ অৱস্থিয়ে পৰিস্থিতিৰ সম্পৰ্কত



কয় যে চাৰিওফালে চি চি টিভি কেমেৰা সংস্থাপন কৰা হৈছে। উক্ত মছজিদৰ বাবে থকা প্ৰৱেশ পথ সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়া হৈছে। বৰ্তমানলৈকে গোটেই নগৰখনত আৰক্ষীৰ তহল দি থকা বুলি প্ৰকাশ পাইছে। কোনো স্থানতে অপ্ৰীতিকৰ পৰিস্থিতিৰ সূত্ৰপাত হোৱা নাই। মাণ্ডিয়া জিলাৰ আৰক্ষী অধীক্ষক ৰাই য়টিছে সংবাদ মাধ্যমৰ আগত কয় যে যদিহে কোনো লোকে হিংসাত্মক কাৰ্যৰ আশ্ৰয় লয় তেনেহ'লে আইনৰ জৰিয়তে কঠোৰ দণ্ড বিহা হ'ব। উল্লেখ্য যে বিশ্ব হিন্দু পৰিষদে আজি শ্ৰীৰংগাপাটনা নামৰ স্থানত ৰাজহুৱা প্ৰাৰ্থনাৰ আহবান জনাইছিল। লগতে কোৱা হৈছিল যে সেই স্থানত থকা মছজিদত পূৰ্বে এটা হনুমান মন্দিৰ আছিল। গতিকে পূৰ্বৰ মন্দিৰ ভাঙি জামিয়া মছজিদ নিৰ্মাণ কৰিছিল। গতিকে মছজিদৰ চৌহদৰ ভিতৰত হিন্দু সকলকো পূজা-অৰ্চনা কৰিবলৈ অনুমতি দিবলৈ দাবী জনাই আহিছে। অৱশ্যে প্ৰশাসনে সোঁপন্থী সংগঠনৰ এই দাবীৰ প্ৰতি বিশেষ নজৰ আৰু গুৰুত্ব দিয়া দেখা নগ'ল। ইয়াৰ বিপৰীতে আইন শৃংখলা নিয়ন্ত্ৰণৰ বাবে কঠোৰ পদক্ষেপ লোৱা হৈছে আৰু আৰক্ষী-নিৰাপত্তাৰক্ষীৰ জৰিয়তে তহলৰ ব্যৱস্থা শক্তিশালী কৰি তুলিছে। স্থানীয় শান্তিপ্ৰিয় ৰাইজে এই ঘটনাৰ জৰিয়তে যাতে কোনো ধৰণৰ সংঘৰ্ষ বা আইন-শৃংখলাৰ অৱনতি হ'ব নোৱাৰে তাৰ প্ৰতি গুৰুত্ব দিবলৈ চৰকাৰৰ ওচৰত আহ্বান জনাইছে।



*ছুপাৰষ্টাৰ অক্ষয় কুমাৰ অভিনীত 'সম্ৰাট পৃথ্বীৰাজ'ৰ মুক্তিৰ প্ৰথম দিনটোতে ১০.৭০ কোটি টকা সংগ্ৰহ হৈছে। ঐতিহাসিক পৃষ্ঠভূমিত নিৰ্মাণ কৰা এই চলচ্চিত্ৰখনে আৰম্ভণিৰ পৰাই লাভ কৰিছে দৰ্শকৰ সঁহাৰি*

**মহাৰাষ্ট্ৰ চৰকাৰৰ নিৰ্দেশনা**

# ৰাজহুৱা স্থানত মাস্ক পৰিধান কৰাটো বাধ্যতামূলক

**মুম্বাই, ৪ জুন ঃ** দেশত ক'ভিডৰ ভেকচিন প্ৰদান প্ৰক্ৰিয়া অব্যাহত ৰাখিলেও এই ভাইৰাচৰ সংক্ৰমন আৰু আতংকৰ পৰা কোনো পক্ষ মুক্ত হ'ব পৰা নাই। সেয়েহে মহাৰাষ্ট্ৰ চৰকাৰে শেহতীয়াকৈ ৰাজ্যখনত ক'ভিড সংক্ৰমণ প্ৰতিৰোধৰ বাবে পূৰ্বৰ ব্যৱস্থাসমূহ বাহাল ৰাখিবলৈ সিদ্ধান্ত লৈছে। অতিৰিক্ত মুখ্য সচিব প্ৰদীপ ব্যাসে শুকুৰবাৰে এই উপলক্ষে ৰাজ্যখনৰ সকলো জিলা মুৰব্বীলৈ নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনাত কোৱা হৈছে যে ৰাজহুৱা স্থানত কাম-কাজ কৰোঁতে সকলো পৰ্যায়ৰ নাগৰিকে ক'ভিড প্ৰট'কল পালন কৰিব লাগিব। কিয়নো প্ৰতিৰোধ ব্যৱস্থাৰ অভিহনে ক'ভিডৰ সংক্ৰমণ কোনেও ৰুধিব নোৱাৰে। যিকোনো ৰাজহুৱা স্থানত বিশেষকৈ বজাৰ, প্ৰেক্ষাগৃহ, কাৰ্যালয়, হাস্পতাল, শিক্ষানুষ্ঠান, স্কুল, কলেজ, বাছ-ট্ৰেইন আদিত ভ্ৰমণৰ সময়ত মুখত মাস্ক পৰিধান কৰাটো বাধ্যতামূলক। অন্যথা আৰক্ষী আৰু পৰ্যবেক্ষণকাৰীয়ে মাস্ক পৰিধান নকৰাসকলৰ বিৰুদ্ধে জৰিমনা বিহিব পাৰিব। উল্লেখ্য যে জুন মাহৰ পৰা পৰৱৰ্তী তিনি মাহলৈ মহাৰাষ্ট্ৰ চৰকাৰে এই নিৰ্দেশনা জাৰি কৰিছে। ৰাজ্যখনত শেহতীয়াকৈ ক'ভিডৰ সংক্ৰমণ এদিনতে এহেজাৰতকৈ অধিক হৈছেগৈ। ইয়াৰ ফলত সাধাৰণ ৰাইজ সংকিত হোৱাৰ লগতে উদ্যোগ, বাণিজ্য আদিত পূৰ্বৰ অনিশ্চয়তাৰ পৰিৱেশ ঘূৰি অহাৰ আশংকা বৃদ্ধি পাইছে।

# মোট সলাই আত্মপ্ৰকাশ কৰিছে পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়াই

## দেশদ্ৰোহী কাৰ্যত জড়িত পি এফ আইৰ পূৰ্বৰ পৰিচয় আছিল এন ডি এফ, ছিমি আদি

**নতুন দিল্লী, ৪ জুন ঃ** দেশত ইছলামিক মৌলবাদী সংগঠনৰ অন্যতম চৰ্চিত শীৰ্ষত আছে পপুলাৰ ফ্ৰণ্ট অব ইণ্ডিয় চমুকৈ পি এফ আই। এই সংগঠনটো এতিয়া দেশবাসীৰ সাৰ্বভৌমত্ব, ধৰ্মীয় আৰু সমাজিক প্ৰভুত্ব আৰ স্বকীয়তাৰ প্ৰতি ভাবুকি হৈ পৰিছে। বিদেশী শত্ৰু ৰাষ্ট্ৰৰ অবাধ সহযোগত পি এফ আই এতিয়া ইছলামিক সংগঠনসমূহক একত্ৰিত কৰি ভাৰত বিৰোধী কাম-কাজত জড়িত কৰা ঠিকাদাৰলৈ ৰূপান্তৰিত হৈছে। অসমৰ শেহতীয়া বটদ্ৰৱা থানাত অগ্নিসংযোগ কৰা কাৰ্য, গৰুখুটি প্ৰকল্প বাধাগ্ৰস্ত কৰিব খোজা কাৰ্য, কা অৰ্থাৎ নাগৰিকত্ব সংশোধনী আইন বাধাগ্ৰস্ত কৰিব খোজা, ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণত হিংসাত্মক প্ৰতিবাদ কৰা আৰু বিভিন্ন ভুৱা নথিপত্ৰৰে স্থানীয় বিষয়া-কৰ্মীক ভাবুকিৰে বিদেশীৰ নাম অন্তৰ্ভুক্ত কৰিব খোজা কাৰ্যৰ মূল হোতা হিচাপে পৰিগণিত হৈছে। কিন্তু এই সংগঠনটোৰ আগ্ৰাসী মনোভাবৰ আৰত দেশবিৰোধী বৃহৎ চক্ৰ লুকাই থকাটো প্ৰতীয়মান হৈছে। ২০০৬ চনত গঠিত পি এফ আই আছিল মোট সলনি কৰা এন ডি এফ অৰ্থাৎ নেচনেল ডেম'ক্ৰেটিক ফ্ৰণ্ট নামৰ ইছলামিক মৌলবাদী সংগঠনটোহে। সেই সময়ত ভাৰত চৰকাৰে ইছলামিক মৌলবাদীৰ কাৰ্যকলাপ প্ৰতিৰোধৰ বাবে আইনী পদক্ষেপ গ্ৰহণ কৰাৰ ফলশ্ৰুতিত এন ডি এফ হৈছিলগৈ পি এফ আই। ইফালে পি এফ আইৰ সৈতে জড়িত হৈ আছে নেচনেল অ'মেন ফ্ৰণ্ট আৰু কেম্পাছ ফ্ৰণ্ট অব ইণ্ডিয়া নামৰ সংগঠন দুটা। উল্লেখ্য যে ২০১২ চনতে কেৰালা চৰকাৰে ঘোষণা কৰিছিল যে ষ্টুডেণ্টছ ইছলামিক মুভমেণ্ট অব ইণ্ডিয়া অৰ্থাৎ ছিমি নামৰ সংস্থাটোৰ নতুন পৰিচয় হ'ল পি এফ আই। কিয়নো ভাৰত চৰকাৰে নিষিদ্ধ কৰিছিল ছিমি নামৰ সংগঠনটো। এই সংগঠনৰ বিভিন্ন স্তৰৰ নেতা আৰু কৰ্মীৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছিল। গতিকে আৰক্ষী আৰু ন্যায়ালয়ৰ চকুত ধূলি দি নতুন পৰিচয়ৰে একেখিনি মৌলবাদী মানসিকতাৰ ব্যক্তিয়ে পি এফ আই গঢ়ি তুলিছিল। আনহাতে বিভিন্ন সময়ত পি এফ আই নামৰ সংগঠনটোৰ জিম্মাৰ পৰা উদ্ধাৰ হৈছে বোমা, অস্ত্ৰ, গানপাউদাৰ, চোকা অস্ত্ৰ-দা, লাঠী, গ্ৰেনেড আদি। ইফালে বিশ্বত্ৰাস অল কায়দা আৰু তালিবানৰ সৈতেও পি এফ আইৰ সম্পৰ্ক থকাটো প্ৰতীয়মান হৈছে। দেশত



মুছলমানসকলক একত্ৰিত কৰি মূলতঃ ভাৰতবৰ্ষ মুছলমানপ্ৰধান দেশলৈ পৰিৱৰ্তন কৰিবৰ বাবে শীতল মস্তিষ্কৰে ষড়যন্ত্ৰত লিপ্ত হৈ অহা বুলি অভিযোগ উত্থাপিত হৈছে। ইতিমধ্যে কৰ্ণাটকৰ পৰা পোখা মেলা পি এফ আই-এ ভিন ভিন ৰাজ্যত ভিন ভিন পৰিচয়েৰে আত্মপ্ৰকাশ কৰা বুলিও অভিযোগ উঠিছে। কৰ্ণাটকত ফ'ৰাম ফৰ ডিগনিটি, তামিলনাডুত মানিথা নিথি পাছাৰাই, গোৱাত চিটিজেন ফৰাম, ৰাজস্থানত কমিউনিটি ছ'চিয়েল এডুকেচনেল ছ'চাইটি, পশ্চিমবংগত নাগৰিক অধিকাৰ সুৰক্ষা সমিতি, মণিপুৰত লাইলং ছ'চিয়েল ফ'ৰাম, অন্ধ্ৰপ্ৰদেশত এছ'চিয়েচন অব ছ'চিয়েল জাষ্টিছ আদি বিভিন্ন নামেৰে পৰিচিত হৈ আছে। কিন্তু মূল লক্ষ্য হ'ল মৌলবাদী কাৰ্যকলাপ অব্যাহত ৰখা আৰু দেশৰ ভিতৰত থাকিয়েই বিদেশী শক্তিৰ সহযোগত ভাৰতৰ অকল্যাণ কামনা কৰা।

প্ৰণিধানযোগ্য এয়ে যে ২০১০ চনত পি এফ আই জন্মৰ কিছুদিনৰ পিছতে এই সংগঠনটো ছিমিৰ সৈতে সম্পৰ্কিত বুলি ব্যাপক অভিযোগ উঠিছিল। পি এফ আইৰ তেতিয়াৰ মুৰব্বী আব্দুল ৰেহমান আছিল ছিমিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক। ইফালে পি এফ আইৰ সম্পাদক আব্দুল হামিদ আছিল ছিমিৰ প্ৰাক্তন সম্পাদক। এনেকৈয়ে ছিমিৰ বহুসংখ্যক দাগী আৰু অভিযুক্ত নেতাক লৈ পি এফ আই গঠন কৰা হৈছিল। সমান্তৰালভাৱে অন্যান্য বহু ইছলামিক সংগঠনৰ অপৰাধৰ সৈতে জড়িত ব্যক্তিক স্থান দিয়া হৈছিল পি এফ আইৰ মজিয়াত। যাৰ বাবে কেৰালা উচ্চ ন্যায়ালয়ত ২০১২ চনতে তদানীন্তন কেৰালা চৰকাৰে এক শপতনামাৰ জৰিয়তে উল্লেখ কৰিছিল যে পি এফ আই হ'ল ছিমি নামৰ নিষিদ্ধ সংগঠনটোৰ নতুন পৰিচয়। আনহাতে এই সংগঠনটোৱে কেৰালা প্ৰদেশৰ নাৰাথ, কান্নুৰ আদি স্থানত শসস্ত্ৰ প্ৰশিক্ষণৰ বাবে শিবিৰ স্থাপন কৰিছিল। ২০১৩ চনৰ এপ্ৰিল মাহত এনে শিবিৰৰ পৰা বোমা, গ্ৰেনেড, বন্দুক বাৰুদ, ধাৰাল অস্ত্ৰ আদি উদ্ধাৰ কৰিছিল। আনকি বিস্ফোৰক সামগ্ৰী প্ৰস্তুত কৰিবৰ বাবে ব্যৱহাৰ হোৱা কেচা সামগ্ৰী আদিও উক্ত শিবিৰৰ পৰা উদ্ধাৰ হোৱা বুলি তেতিয়াই চৰ্চিত হৈছিল। ইফালে নিয়া অৰ্থাৎ নেচনেল ইনভেষ্টিগেচন এজেন্সিয়ে নাৰাথ অঞ্চলত উপস্থিত হৈছিল উক্ত উদ্ধাৰ হোৱা সামগ্ৰীখিনিৰ লগতে সংগঠনটোৰ কাৰ্যকলাপৰ অধিক তদন্তৰ বাবে। পি এফ আইৰ বিৰুদ্ধে থকা অন্য এক গুৰুতৰ অভিযোগ হ'ল এয়ে যে ২০১২ চনত সংগঠনটোৱে অসম আৰু উত্তৰ পূৰ্বাঞ্চলৰ লোকসকলৰ বিৰুদ্ধে ফেচবুক, টুইটাৰ, এছ এম এছ আদিৰে ব্যাপক অপপ্ৰচাৰ চলাইছিল। সেই সময়ত কোকৰাঝাৰ জিলাত বড়ো আৰু মুছলমান লোকৰ সংঘাত হৈছিল। কিন্তু এই সংঘাতক ৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ গৈছিল পি এফ আই আৰু অন্যান্য কেতবোৰ সংগঠনে। হৰকৎ উল জিহাদ অল ইছলামী অৰ্থাৎ হুজি নামৰ সংগঠনটোও আছিল এই ঘটনাত জড়িত। ২০১২ চনৰ ১৩ আগষ্ট তাৰিখে এটা দিনতে ৬০ নিযুত এছ এম এছ প্ৰেৰণ কৰা বুলি প্ৰকাশ পাইছে। আনহাতে ইয়াৰে ৩০ শতাংশ এছ এম এছ পাকিস্তানৰ পৰা প্ৰেৰণ কৰা বুলিও অনুসন্ধানত ওলাই পৰিছে। উত্তৰ পূবৰ যিসকল লোকে দেশৰ দক্ষিণ অঞ্চলত বিশেষকৈ কেৰালা, কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ আদিত বিভিন্ন প্ৰকাৰে জড়িত আছিল সেইসকলক অত্যাচাৰ চলোৱা হৈছিল। একাংশ আছিল শিক্ষাৰ্থী, অন্য একাংশ আছিল বিভিন্ন পেকেজিং ফেক্টৰীত কৰ্মৰত সাধাৰণ লোক। তেওঁলোকে আতংকত ঘৰমুখী হোৱাৰ সময়তো ৰে'লৰ ভিতৰত আক্ৰমণৰ সন্মুখীন হৈছিল। ইফালে পুনে, চেন্নাই, হায়দৰাবাদ আনকি ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত সমাৰেশ গঢ়ি তুলিছিল পি এফ আইৰ নেতৃত্বত। দেশত এক হাহাকাৰ পৰিস্থিতিৰ জন্ম দিছিল আৰু যাৰ বাবে উত্তৰ পূবৰ বহু লোক বিভিন্ন স্থানত আবদ্ধ হৈ থকাৰ মাজতে নিৰ্যাতনৰ সন্মুখীন হৈছিল। একেটা সংগঠনে ২০২০ চনত নাগৰিকত্ব সংশোধনী আইন চমুকৈ কা'ৰ বিৰুদ্ধে দেশজুৰি ইছলামিক মৌলবাদী মাধ্যমেৰে প্ৰতিবাদী কাৰ্যসূচী সংগঠিত কৰিছিল। এই কথা সেই বছৰৰ প্ৰথম দিনটোতে প্ৰকাশ কৰিছিল তেতিয়াৰ আইন মন্ত্ৰী ৰবি শংকৰ প্ৰসাদে। আনকি এনফোৰ্চমেণ্ট বিভাগেও তেতিয়াৰ গৃহ দপ্তৰক ব্যক্ত কৰিছিল যে বিদেশৰ পৰা এই সংগঠনসমূহলৈ ব্যাপকভাৱে ধনৰ আগমন হৈছে। যাৰ বাবে দেশ বিৰোধী প্ৰতিবাদী কাৰ্যসূচী সংগঠিত কৰা হৈছে। আনহাতে পি এফ আইৰ প্ৰতিষ্ঠাপক নেতা আহমেদ শ্বৰীফে সংগঠনৰ মুখপত্ৰ 'থেজাছ'ৰ জৰিয়তে ব্যক্ত কৰিছিল যে তেওঁলোকৰ লক্ষ্য হ'ল ভাৰতত এখন ইছলামিক ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰা। প্ৰয়োজনত দক্ষিণ ভাৰত আৰু উত্তৰ-পূব ভাৰতৰ একাংশ খণ্ডিত কৰি নতুনকৈ ইছলামিক ৰাষ্ট্ৰৰ সৃষ্টি কৰিব লাগে। মূলতঃ ইছলামিক আগ্ৰাসনৰ বাবেই পি এফ আই নামৰ সংগঠনটোৱে অহৰহ দেশবিৰোধী কাৰ্যত জড়িত হৈ অহাৰ বিষয়টো পোহৰলৈ আহিছে। দেশৰ যিকোনো প্ৰান্তত প্ৰতিবাদী কাৰ্যসূচীৰ ৰূপায়ণ হ'লেই পি এফ আই নামৰ সংগঠনটোৱে ভূমুকি মাৰে আৰু বিদেশী ৰাষ্ট্ৰৰ পৰা আমদানি কৰা ধনৰ জোৰত এনেধৰণৰ প্ৰতিবাদী কাৰ্যসূচী অধিক দীঘলীয়া কৰিবলৈ আৰু হিংসাত্মকভাৱে ৰূপায়ণ কৰিবলৈ উচতনি দি আহিছে। যাৰ বাবে মোট সলনি কৰি আত্মপ্ৰকাশ কৰা পি এফ আই প্ৰকৃততে পূৰ্বৰ বহুকেইটা নিষিদ্ধ ঘোষিত ইছলামিক মৌলবাদী সংগঠনৰ আধুনিক সংস্কৰণ হিচাপে পৰিগণিত হোৱাতো নুই কৰিব নোৱাৰি।

## উত্তৰ-পূব সংবাদ

# মেঘালয়ত আৰক্ষীৰ জিম্মাত মৃত্যু ৩৮


**শ্বিলং, ৪ জুন ঃ** মেঘালয় চৰকাৰে উচ্চ ন্যায়ালয়ত দাখিল কৰা এক শপতনামাত স্বীকাৰ কৰিছে যে ৰাজ্যখনৰ বিভিন্ন আৰক্ষী থানাত মাজে মাজে আৱদ্ধ কৰি ৰখা একাংশ লোকৰ প্ৰাণ হানি হৈছে। সেই অনুসৰি ২০১২ চনৰ পৰা ২০২২ চনলৈকে এক দশকত আৰক্ষীৰ জিম্মাত ৩৮ জন লোকৰ মৃত্যু হৈছে। চৰকাৰে এই তথ্য দাখিল কৰিছে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ বেনাৰ্জী আৰু এইচ এছ টাংখিউৰ দ্বাৰা গঠিত বিচাৰপীঠত। মেঘালয় উচ্চ ন্যায়ালয়ে চৰকাৰক নিৰ্দেশনাৰ জৰিয়তে ব্যক্ত কৰিছিল যে আৰক্ষীৰ জিম্মাত মৃত্যু হোৱা যিকোনো লোকৰ নিকটাত্মীয়ক দহ লাখ টকাকৈ ক্ষতিপূৰণ দিব লাগিব। এই ক্ষতিপুৰণৰ



ধন দুগুণ হ'ব যদিহে জিম্মাত মৃত্যু হোৱা ব্যক্তিৰ বয়স ৪০ বছৰতকৈ কম হয়। আনহাতে সংবাদ মাধ্যমৰ জৰিয়তে এক বিজ্ঞাপন প্ৰকাশ কৰিবলৈ চৰকাৰক নিৰ্দেশ দিছিল। এই বিজ্ঞাপনত আৰক্ষী জিম্মাত মৃত্যু হোৱা লোকসকলৰ পৰিয়ালে আবেদন জনাব পাৰিব। লগতে তথ্যসমূহ চালিজাৰি চাই চৰকাৰে এই লোকসকলক ক্ষতিপূৰণ দিবলৈ পৰামৰ্শ দিছে। এই বিষয়ত অহা ২৯ জুন তাৰিখে পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰিছে।

# ত্ৰিপুৰাত ভোটৰ সন্মুখীন মুখ্যমন্ত্ৰী মাণিক সাহা

**আগৰতলা, ৪ জুন ঃ** ত্ৰিপুৰাৰ নতুন মুখ্যমন্ত্ৰী মাণিক সাহাই অহা ২৩ জুন তাৰিখে উপ-নিৰ্বাচনৰ সন্মুখীন হ'ব। নিজৰ দীঘলীয়া তিনি দশকৰ ৰাজনীতিত মাণিক সাহাই প্ৰথমবাৰলৈ পোনপটীয়া নিৰ্বাচনত অৱতীৰ্ণ হ'ব। উল্লেখ্য যে ৰাজ্যখনত চাৰিটা বিধানসভা সমষ্টিত উপ-নিৰ্বাচন অনুষ্ঠিত হৈছে। অহা ২৩ জুনত আটাইকেইটাৰ ভোট আছে। ইতিমধ্যে শাসকীয় বিজেপিৰ উপৰিও বাঁওপন্থী, কংগ্ৰেছ আৰু তৃণমূল কংগ্ৰেছে বেলেগে বেলেগে প্ৰতিদ্বন্দ্বিতা কৰিব। ৰাজ্যখনত ২০২৩ বৰ্ষত বিধানসভাৰ সাধাৰণ নিৰ্বাচন আছে। তাৰ পূৰ্বেই চাৰিটা সমষ্টিৰ উপ-নিৰ্বাচনৰ জৰিয়তে ছেমি ফাইনেলত অৱতীৰ্ণ হ'ব ৰাজনৈতিক দলবোৰ। কিছুদিনৰ পূৰ্বে তৃণমূল কংগ্ৰেছত দুজনকৈ বিধায়কে বিজেপি ত্যাগ কৰি যোগদান কৰিছিল। ইফালে যোৱা ১৫ মে' তাৰিখে তদানীন্তন মুখ্যমন্ত্ৰী



বিপ্লৱ কুমাৰ দেৱক অপসাৰণ কৰা হৈছিল। তেওঁৰ স্থানত মাণিক সাহা হৈছিল মুখ্যমন্ত্ৰী। মুখ্যমন্ত্ৰী হিচাপে অধিষ্ঠিত হোৱাৰ পিছতে টাউন বৰদোৱালি বিধানসভা সমষ্টিৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হ'ব। অন্য তিনিটা সমষ্টি ক্ৰমে আগৰতলা, সুৰমা আৰু যুৱৰাজ নগৰটো উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। মাণিক সাহাই কংগ্ৰেছ প্ৰাৰ্থী আশীষ কুমাৰ সাহা আৰু ফৰৱাৰ্ড ব্লকৰ প্ৰাৰ্থী ৰঘুনাথ সাহাৰ বিৰুদ্ধে নিৰ্বাচনত অৱতীৰ্ণ হৈছে। সম্প্ৰতি ৰাজ্যসভাৰ সদস্য হৈ থকাৰ লগতে ৰাজ্যিক বিজেপিৰ সভাপতি হৈ আছে। কিন্তু মাণিক সাহাৰ ঘনিষ্ঠ বন্ধু আশীষ সাহাই বিজেপি ত্যাগ কৰি কংগ্ৰেছত যোগদান কৰিছিল আৰু এতিয়া দুয়ো বন্ধুৱে পৰস্পৰৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। ইফালে ভোট গণনা আছে ২৬ জুনত। আটাইকেইটা দলে নিৰ্বাচনী প্ৰস্তুতি তুংগত চলাইছে। পূৰ্বৰ মুখ্যমন্ত্ৰী বিপ্লৱ কুমাৰ দেৱৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰি তিনিজন বিজেপি বিধায়ক ক্ৰমে ৰয় বৰ্মন, আশীষ কুমাৰ সাহা আৰু আশীষ দাসে বিজেপি ত্যাগ কৰিছিল। তেওঁলোকে পৰৱৰ্তী সময়ত কংগ্ৰেছ আৰু তৃণমূল কংগ্ৰেছত যোগদান কৰা দেখা গৈছিল।

# বিদেশী সামগ্ৰী সৰবৰাহৰ গোচৰত মহিলাক গ্ৰেপ্তাৰ

**আইজল, ৪ জুন ঃ** আইজলৰ লেংপুই বিমান বন্দৰত এগৰাকী মোহময়ী যুৱতীক গ্ৰেপ্তাৰ কৰা হৈছে। ২৫ বছৰীয়া যুৱতীগৰাকীৰ বিৰুদ্ধে বিদেশী নিচাজাতীয় সামগ্ৰীৰ অবৈধ সৰবৰাহৰ গোচৰ আছে। আৰক্ষীয়ে অভিযানৰ সময়ত বিজেশী চিগাৰেট, কছমেটিক সামগ্ৰী আৰু অন্যান্য নিচাজাতীয় সামগ্ৰী উদ্ধাৰ কৰিছিল। কলকাতাৰ পৰা নিজ ৰাজ্যত আহি উপস্থিত হোৱাৰ পিছতে তেওঁক বিশেষ অভিযানৰ জৰিয়তে আটক কৰা হৈছে।



# এনডিপিপি ত্যাগ নকৰে বিজেপিয়ে

**ডিমাপুৰ, ৪ জুন ঃ** নাগালেণ্ডৰ ৰাজ্যিক বিজেপিৰ সভাপতি ইমনা আলঙে কয় যে ৰাজ্যখনৰ শাসকীয় এন ডি পি পি মৰ্চাৰ সৈতে ২০২৩ চনৰ বিধানসভাৰ নিৰ্বাচন পৰ্যন্ত বুজাবুজি অব্যাহত থাকিব। এন ডি পি পি আৰু বিজেপিয়ে ২০১৮ চনতে বুজাবুজিত উপনীত হৈছিল। তেতিয়াই তেওঁলোকে আসনৰ ভাগ বটোৱাৰা কৰিছিল। দল দুটাই ৬০ জনীয়া নাগালেণ্ড বিধানসভাত ক্ৰমে ৪০:২০ হাৰত আসনৰ ভাগ বটোৱাৰা কৰিছিল। ফলত নাগা ৰাইজে এই মৰ্চা স্বীকৃতি দিছে আৰু ক্ষমতাত অধিষ্ঠিত কৰিছিল। আগন্তুক ২০২৩ বৰ্ষত ৰাজ্য বিধানসভাৰ নিৰ্বাচন আছে। আগন্তুক নিৰ্বাচনতো বিজেপিয়ে এন ডি পি পিৰ সৈতে মৰ্চা অব্যাহত ৰাখিব। বৰ্তমান নাগালেণ্ড ৰাজ্যিক বিজেপিৰ সভাপতিজন ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী হৈ আছে। বিগত নিৰ্বাচনত বিজেপিয়ে ১২ আৰু এন ডি পি পিয়ে ১৬টা আসনত জয়লাভ কৰিছিল। এন পি এফ দলে ২৭ আৰু এন পি পি দলে দুই, জে ডি ইউ আৰু নিৰ্দলীয়ই এটাকৈ সমষ্টিত জয়লাভ কৰিছিল।



## আন্তঃজিলা কুংফু প্ৰতিযোগিতাৰ সফল সামৰণি


**গুৱাহাটী, ৪ জুন ঃ** গোলাঘাট চহৰত গোলাঘাট কুংফু ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু অসম কুংফু ক্ৰীড়া সন্থাৰ অধীনত অনুস্থিত হোৱা দশম বাৰ্ষিক ৰাজ্যিক ভিত্তিত কুংফু প্ৰতিযোগিতাৰ সফল সামৰণি পৰিছে। উল্লেখ্য যে ল'ৰা আৰু ছোৱালী উভয়ৰে ছাব-জুনিয়ৰ ,জুনিয়ৰ আৰু ছিনিয়ৰ শাখাত অনুষ্ঠিত হোৱা উক্ত প্ৰতিযোগিতাত নলবাৰী জিলা কুংফু ক্ৰীড়া সন্থাৰ পৰা ২৩ জনীয়া ছাত্ৰ ছাত্ৰীৰ দলে অংশ গ্ৰহণ কৰিছিল । প্ৰতিযোগিতাত নলবাৰীৰ দলটোৱে আঠটা সোণৰ পদক, ছটা ৰূপৰ পদক আৰু সমসংখ্যক ব্ৰঞ্জৰ পদক লাভ কৰি মুঠ ২০ টা পদক লাভ কৰি দ্বিতীয় শ্ৰেষ্ঠ দল হিচাপে জিলা খনৰ সুনাম কঢ়িয়াই আনে । সোণৰ পদক লাভ কৰা খেলুৱৈ সকল হ'ল অন্নিশা ভৰদ্বাজ , ডৰিষ্ঠা বৰ্মন ,ৰিহান জাফৰি, চাহিল কুমাৰ ঠাকুৰ , অনিল হক চৌধুৰী , চয়নিকা দেৱী, সুজিত শইকীয়া ,নিবিৰ নিজান শৰ্মা। আনহাতে, ৰূপৰ পদক লাভ কৰা খেলুৱৈ সকল হল ৰিষ্টিয়ানা ৰিয়ান , চাকিল আহমেদ, জাফ্ৰিন যেন আখটাৰ , নিলাংশু কলিতা আৰু ব্ৰঞ্জৰ লাভ কৰা খেলুৱৈ সকল হল অভ্ৰজিৎ সুভাষ ডেকা , হাৰ্দিক তালুকদাৰ, হৃত্তিক লহকৰ, কৃষানু লহকৰ । উক্ত প্ৰতিযোগিতাত নলবাৰীৰ টীম মেনেজাৰ নয়নজ্যোতি তালুকদাৰ , প্ৰশিক্ষক গোবিন্দ কলিতা আৰু অসম কুংফু ক্ৰীড়া সন্থাৰ সম্পাদক তথা নলবাৰীৰ প্ৰশিক্ষক আজহাৰুল আমিন উপস্থিত থাকে।

## আইটা টেলেণ্ট ছিৰিজ টেনিছত ছান্দোগ্য, অৰ্ণভীৰ দ্বিমুকুট অৰ্জন

**গুৱাহাটী, ৪ জুন ঃ** গোলাঘাট টেনিছ ক্লাবত আয়োজিত আইটা টেলেণ্ট ছিৰিজ টেনিছ টুৰ্ণমেণ্টত ছান্দোগ্য ত্ৰিদিব পাঠক আৰু অৰ্ণভী দেৱনাথে দ্বিমুকুট অৰ্জন কৰিছে । এই প্ৰতিযোগিতাৰ ১২ বছৰ অনূৰ্ধ্ব শাখাৰ ল'ৰাৰ ছিংগলছত ছান্দোগ্য ত্ৰিদিব পাঠকে ফাইনেলত অভয় ভৰালীৰ বিৰুদ্ধে ৬-১, ৬-২ ব্যৱধানত জয়লাভ কৰে । ইফালে, ছোৱালী শাখাৰ ছিংগলছ ফাইনেলত অৰ্ণভি দেৱনাথে নয়িম হুছেইনক ৬-৩, ৬-১ ছেটত হৰুৱায় । ল'ৰাৰ ডাবোলছ ফাইনেলত ছান্দোগ্য-অভয় ভৰালী যুটিয়ে নিব্ৰাছ হুছেইন-সমক্ষ শৰ্মা যুটিক ৬-৩, ৬-২ ছেটত আৰু ছোৱালী শাখাত অৰ্ণভী-নয়িম হুছেইন যুটিয়ে আৰিশা মাহিন চৌধুৰী-সংস্কৃতি সৌৰভ বৰাক ৬-১, ৬-১ ছেটত পৰাস্ত কৰি বিজয়ী হয় । ইফালে, অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি গুৱাহাটীৰ টেনিছ প্ৰকল্পত অহা ৬-১০ জুনত অনুষ্ঠিত হ'ব ১৬ আৰু ১৮ বছৰ অনূৰ্ধ্ব শাখাৰ ল'ৰা আৰু ছোৱালীৰ আইটা চেম্পিয়নশ্বিপ ছিৰিজ টেনিছ টুৰ্ণামেণ্ট।

# আজি পুৰুষৰ একক শাখাৰ খিতাপৰ যুঁজত নাডাল-ৰুড






**পেৰিছ, ৪ জুন ঃ** অভিলেখ ২২ সংখ্যক গ্ৰেণ্ড শ্লেম খিতাপৰ সন্ধানত থকা ৰাফেল নাডালে কাইলৈ হ'ব লগা ফ্ৰেন্স অপেনৰ ফাইনেলত কেচপাৰ ৰুডৰ সন্মুখীন হ'ব। উল্লেখ্য যে ফাইনেলত প্ৰৱেশৰ পথত ৰুডে ক্ৰ'ৱেছিয়াৰ চিলিকক ৩-৬, ৬-৪, ৬-২, ৬-২ ব্যৱধানত পৰাস্ত কৰে। এইদৰে টেনিছ ইতিহাসত কোনো গ্ৰেণ্ড শ্লেমৰ ফাইনেলত উপনীত হোৱা নৰৱেৰ প্ৰথমজন টেনিছ খেলুৱৈ হিচাপে পৰিগণিত হয় ৰুড। উল্লেখ্য যে ৰুডে নাডালক নিজৰ আদৰ্শ হিচাপে আখ্যা দিয়ে। ইফালে নাডাল ১৯৩০ ৰ ফ্ৰেন্স অপেনৰ ৰানাৰ-আপ বিল টিল্ডেনৰ পিছতে ৰোঁলা গেৰোঁৰ ইতিহাসত ফাইনেলত উপনীত হোৱা দ্বিতীয়গৰাকী বয়স্ক খেলুৱৈ হিচাপে পৰিগণিত হৈছে। ১৯৩০ ত ফ্ৰেঞ্চ অপেনৰ ফাইনেল খেলাৰ সময়ত টিল্ডেনৰ বয়স আছিল ৩৭ বছৰ। আনহাতে নাডালে ৩৬ বছৰ সম্পূৰ্ণ কৰিছে। উল্লেখ্য যে ২০০৫ ত ফ্ৰেন্স অপেনত অভিষেক ঘটোৱাৰ পিছত প্ৰতিযোগিতাখনত তেওঁৰ ১১৪ খন খেলৰ মাত্ৰ তিনিখনতহে পৰাজিত হৈছে নাডাল। কেৰিয়াৰত অভিলেখ সংখ্যক ২১ বাৰৰ গ্ৰেণ্ডশ্লেম বিজয়ী নাডালে টেনিছ ইতিহাসত সৰ্বাধিক গ্ৰেণ্ডশ্লেম খিতাপ জয়ী হিচাপে ইতিমধ্যে নিজকে প্ৰতিষ্ঠা কৰিছে। উল্লেখ্য যে চলিত ফ্ৰেন্স অপেনৰ কোৱাৰ্টাৰ ফাইনেলত ৰাফেল নাডালে ন'ভাক ডক'ভিচক ৬-২, ৪-৬, ৬-২, ৭-৬ ব্যৱধানত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। ইয়াৰপূৰ্বে চতুৰ্থ ৰাউণ্ডৰ এখন মেচত ক্লে' কোৰ্টৰ বাদশ্বাহ ৰাফেল নাডালে পাঁচটা ছেটৰ এক ধ্ৰুপদী মেচৰ অন্তত কানাডাৰ ফেলিক্স অগাৰ-এলিয়াচিমক ৩-৬, ৬-৩, ৬-২, ৩-৬, ৬-৩ ব্যৱধানত পৰাস্ত কৰি কোৱাৰ্টাৰত প্ৰৱেশ কৰিছিল। উল্লেখ্য যে ৰোঁলা গেৰোঁৰ ইতিহাসত আটাইতকৈ সফল টেনিছ তাৰকা হিচাপে পৰিচিত ১৩ বাৰৰ চেম্পিয়ন নাডালে ফেলিক্সক পৰাস্ত কৰিবলৈ চাৰি ঘণ্টা ২১ মিনিট ধৰি যুঁজত অৱতীৰ্ণ হ'বলগীয়া হয়। কেৰিয়াৰৰ ১৭ সংখ্যক ফেন্স অপেন টুৰ্ণামেণ্টত অৱতীৰ্ণ হোৱা নাডালে প্ৰতিযোগিতাখনত এতিয়ালৈকে ১১১ খন খেলত ভাগ লৈছে আৰু কেৱল তৃতীয়বাৰৰ বাবে এইদৰে বিপক্ষৰ বিৰুদ্ধে এখন মেচত পাঁচটাকৈ ছেট খেলিবলগীয়া হৈছিল। বিগত ফ্ৰেন্স অপেনৰ ছেমিফাইনেলত নাডালক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰা ডক'ভিচে সেইবাৰ দ্বিতীয়বাৰৰ বাৰে ফ্ৰেন্স অপেন খিতাপ জয় কৰিছিল।

# ফ্ৰেন্স অপেন দখল পোলেণ্ডৰ ইগাৰ

**পেৰিছ, ৪ জুন ঃ** বিশ্বৰ এক নম্বৰ স্থানৰ মহিলা টেনিছ খেলুৱৈ ইগা ছিয়াটেকে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ মহিলাৰ একক শাখাৰ খিতাপ দখল কৰিছে। উল্লেখ্য যে আজি অনুষ্ঠিত হোৱা ফাইনেলত পোলেণ্ডৰ ইগা ছিয়াটেক মুখামুখি হয় আমেৰিকাৰ কিশোৰী কোকো গাউফৰ। ৬৮ মিনিটৰ একপক্ষীয় যুঁজত অভিজ্ঞ ইগাই ৬-১, ৬-৩ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে কোকোক। ইয়াৰপূৰ্বে ২০২০ ত ফ্ৰেন্স অ'পেনৰ খিতাপ জয়লাভ কৰা ২১ বছৰীয়া ছিয়াটেকৰ কেৰিয়াৰৰ এইটো হ'ল দ্বিতীয়টো গ্ৰেণ্ড শ্লেম খিতাপ। বিপৰীতে আজি কেৰিয়াৰৰ প্ৰথমখন গ্ৰেণ্ড শ্লেমৰ ফাইনেল খেলিলে ১৮ বছৰীয়া গাউফে। ইফালে, আজি ৰোঁলা গেৰোঁত খিতাপ জয়ৰ লগতে ছেৰেনা উইলিয়ামছৰ অভিলেখো ভংগ কৰিলে পোলেণ্ডৰ টেনিছ সুন্দৰী ইগা ছিয়াটেকে। ক্ৰমাগত ৩৫ খন মেচ জয়ৰ অপৰাজেয় যাত্ৰা অব্যাহত ৰাখিলে ইগাই। ইয়াৰপূৰ্বে ছেমিফাইনেলত জয়ৰ পাছতে ছেৰেনাক স্পৰ্শ কৰিছিল ইগাই। স্মৰ্তব্য যে ২০২০ ৰ ৰোঁলা গেৰোঁৰ চেম্পিয়ন পোলেণ্ডৰ ছিয়াটেকে যোৱা ফেব্ৰুৱাৰীৰ পৰা পৰাস্ত হোৱা নাই আৰু ২০১৩ ত ছেৰেনা উইলিয়ামছৰ ক্ৰমাগত ৩৪ খন মেচ জয়ৰ অভিলেখক স্পৰ্শ কৰিছিল ফাইনেলত প্ৰৱেশ কৰি। উল্লেখ্য যে ইগা ছিয়াটেকে তিনি বছৰৰ ভিতৰত দ্বিতীয়বাৰৰ বাবে ফ্ৰেন্স অ'পেন খিতাপ দখল কৰাত সফল হ'ল। শীৰ্ষস্থানৰ ইগাই ছেমিফাইনেলত ৰাছিয়াৰ ডাৰিয়া কাছাটকিনাক ৬-২, ৬-১ ত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। ইয়াৰপূৰ্বে আমেৰিকাৰ জেচিকা পেগুলাৰ বিৰুদ্ধে কোৱাৰ্টাৰত সহজ জয়লাভ কৰি ইগাই ফ্ৰেন্স অ'পেনৰ অন্তিম চাৰিত প্ৰৱেশ কৰিছিল। ৬-৩, ৬-২ ত জয়ী হৈছিল পোলেণ্ডৰ তাৰকাগৰাকী। ইফালে, মহিলাৰ একক শাখাৰ দ্বিতীয়খন ছেমিফাইনেলত আমেৰিকাৰ কিশোৰী কোকো গাউফে ইটালীৰ মাৰ্টিনা ট্ৰেভিছানক ৬-৩, ৬-১ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰি খিতাপৰ যুঁজলৈ যোগ্যতা অৰ্জন কৰিছিল। উল্লেখ্য যে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ ফাইনেলত প্ৰৱেশ কৰি অভিলেখ গঢ়িছিল আমেৰিকাৰ কিশোৰী কোকো গাউফে। খিতাপৰ যুঁজলৈ অগ্ৰসৰ হোৱা আমেৰিকাৰ কিশোৰী কোকোই ২১ বছৰৰ ভিতৰত আটাইতকৈ কম বয়সীয়া ফ্ৰেন্স অ'পেনৰ চূড়ান্ত প্ৰতিযোগী হিচাপে পৰিগণিত হয়। ইয়াৰপূৰ্বে কোৱাৰ্টাৰ ফাইনেলত আমেৰিকাৰ কোকোই সতীৰ্থ স্লোৱেন ষ্টিফেন্সৰ বিৰুদ্ধে ৭-৫, ৬-২ ত জয়ী হৈছিল।




## নুৰুদ্দিন ট্ৰফীৰ চেম্পিয়ন শিলচৰ ক্ৰিকেট দলক সম্বৰ্ধনা ক্ৰীড়া সন্থাৰ

**গুৱাহাটী, ৪ জুন ঃ** নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ চেম্পিয়ন ট্ৰফী লাভ কৰা শিলচৰ দলক আজি শিলচৰ জিলা ক্ৰীড়া সন্থাই সম্বৰ্ধনা জনায়। ডি এছ এৰ কাৰ্যালয় চৌহদত আয়োজিত হোৱা উক্ত সম্বৰ্ধনা অনুষ্ঠানত ক্ৰীড়া সংগঠক, খেলুৱৈ, নাগৰিক সমাজে অংশ লয় বুলি অৱগত কৰে সভাপতি বাবুল হোড়ে। উল্লেখ্য যে এ চি এৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হৈ যোৱা নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল মেচত শিলচৰে ১০ উইকেটত পৰাস্ত কৰিছিল বিশ্বনাথক। চাৰিদিনীয়া নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল মেচখন তিনিদিনতে সমাপ্ত হয়। উল্লেখ্য যে খিতাপৰ যুঁজৰ মেচখনত প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছিল শিলচৰ দলে। চাৰিদিনীয়া মেচখনৰ প্ৰথমদিনা পোনতে বেটিং কৰা বিশ্বনাথে ১২২ ৰাণতে প্ৰথম ইনিংছ সামৰে। প্ৰত্যুত্তৰত, শিলচৰে প্ৰথম ইনিংছত ২২৩ ৰাণত অলআউট হয়। ইফালে, বিশ্বনাথে ১৪০ ৰাণত দ্বিতীয় ইনিংছ সামৰে। প্ৰত্যুত্তৰত, জয়ৰ বাবে শিলচৰক প্ৰয়োজন হোৱা ৪১ ৰাণ দলে কোনো উইকেট নেহেৰুৱাকৈ দ্বিতীয় ইনিংছত সংগ্ৰহ কৰি জয় অৰ্জন কৰে। মেচৰ শ্ৰেষ্ঠ হয় শিলচৰৰ ৰাহুল সিং। তেওঁ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ বলাৰৰূপেও নিৰ্বাচিত হয়।




শ্ৰীলংকাৰ বিৰুদ্ধে হ'বলগীয়া টি-২০ শৃংখলাৰ পূৰ্বে অনুশীলনত ব্যস্ত অষ্ট্ৰেলিয়াৰ খেলুৱৈ

# ৰোঁলা গেৰোঁৰ হৃদয় বিদাৰক ছেমিফাইনেলত জেৰভৰ আঘাত

**পেৰিছ, ৪ জুন ঃ** ক্লে' কোৰ্টৰ অবিসম্বাদী সম্ৰাট ৰাফেল নাডাল আকৌ এবাৰ প্ৰৱেশ কৰিছে ৰোঁলা গেৰোঁৰ ফাইনেলত। যোৱানিশাৰ ছেমিফাইনেলত নাডালৰ প্ৰতিদ্বন্দী আলেকজেণ্ডাৰ জেভেৰেভে সোঁ ভৰিৰ আঘাতৰ বাবে খেল আধাতে সামৰিবলৈ বাধ্য হোৱাৰ লগে লগে ফাইনেলত স্থান নিশ্চিত হয় নাডালৰ। এইদৰে কেৰিয়াৰৰ ১৫ সংখ্যক ফ্ৰেন্স অপেনত ১৪ বাৰৰ বাবে ফাইনেলত প্ৰৱেশ কৰিছে স্পেনিচ তাৰকাজনে। উল্লেখ্য যে পুৰুষৰ একক শাখাৰ প্ৰথমখন ছেমিফাইনেলত আলেকজেণ্ডাৰ জেভেৰেভে সোঁ গোৰোহাত আঘাত পোৱাৰ পিছতে খেল কিছু সময়ৰ বাবে বন্ধ ৰখা হয়। হুইলচেয়াৰত বহি কোৰ্ট ত্যাগ কৰিছিল জেভেৰেভে। সেই সময়ত মেচখনত নাডাল ৭-৬ , ৬-৬ ব্যৱধানত আগবাঢ়ি আছিল। চিকিৎসকৰ সহায়ত প্ৰথমে কোৰ্ট ত্যাগ কৰা জেভেৰেভে কিছুসময় পিছত পুনৰ কোৰ্টত প্ৰৱেশ কৰি মেচখনৰ পৰা আঁতৰি যোৱা বুলি ঘোষণা কৰে। ইফালে, মেচখনত জয়ী ঘোষণা কৰাৰ পিছতে নাডালে নিজৰ প্ৰথম প্ৰতিক্ৰিয়াতে জেভেৰেভৰ বাবে দুখ প্ৰকাশ কৰে। তেওঁ কয়, 'এইয়া জেভেৰেভৰ বাবে অতি কঠিন আৰু দুখজনক। মই জানো তেওঁ গ্ৰেণ্ড শ্লেম জয়ৰ বাবে কিমান যুঁজ দি আছে। মই নিশ্চিত যে তেওঁ এটাতকৈ অধিক গ্ৰেণ্ড শ্লেম জয়ী হ'ব। মই তেওঁক শুভকামনা জনাইছো।' উল্লেখ্য যে তিনিঘণ্টাতকৈও অধিক সময় ধৰি চলা মেচখনত জেভেৰেভে কঠিন প্ৰত্যাহ্বান জনাইছিল বুলি স্বীকাৰ কৰি নাডালে মেচখনক তেওঁৰ বাবে চলিত প্ৰতিযোগিতাখনৰ আটাইতকৈ কঠিন প্ৰত্যাহ্বান আখ্যা দিয়ে।

## আন্তঃবিদ্যালয় ফুটবল প্ৰতিযোগিতা পূৰ্ণগতিত

**গুৱাহাটী, ৪ জুন ঃ** মৰাণ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত মৰাণ মহাবিদ্যালয় খেল পথাৰত চলি থকা জিয়াউৰ ৰহমান মৰাণ আন্ত:বিদ্যালয় ফুটবলত ব্ৰনচন এণ্ড ব্ৰাউন ইংলিছ একাডেমী আৰু নাহৰণি উচ্চ মাধ্যমিক বিদ্যালয় দ্বিতীয় ৰাউণ্ডলৈ উন্নীত হৈছে । আজি অনুষ্ঠিত প্ৰথমখন খেলত ব্ৰনচন এণ্ড ব্ৰাউন ইংলিছ একাডেমীয়ে মৰাণ মৰাণ জাতীয় বিদ্যালয়ক সামগ্ৰিকভাৱে ৪-৩ গলৰ ব্যৱধানত পৰাজিত কৰে । ব্ৰনচনৰ দিপাংকৰ কিষাণে ২৯ মিনিটত দিয়া গ'লটো ৫০ মিনিটত জাতীয় বিদ্যালয়ৰ মৃগাংক মালব্য চুতীয়াই পৰিশোধ কৰি সমতা স্থাপন কৰে । ফলত ৰেফাৰীয়ে টাইব্ৰেকাৰ পদ্ধতিৰে ফলাফল নিৰ্ণয় কৰে । টাইব্ৰেকাৰত ব্ৰনচনৰ ৰিতু পাংগিং, দিপাংকৰ কিষাণ আৰু নয়নদ্বীপ দত্তই গ'ল দিয়াৰ বিপৰীতে জাতীয় বিদ্যালয়ৰ আকাশ বৰগোহাঁই আৰু মৃগাংক মালব্য চুতীয়াই গ'ল দিবলৈ সক্ষম হয় । আনহাতে চহৰীকটা উচ্চ মাধ্যমিক বিদ্যালয় উপস্থিত নথকাত মৰাণ পাৰলিক উচ্চ মাধ্যমিক বিদ্যালয়ে ৱাক অ'ভাৰ পায়।

# আই পি এলত বেটাৰ ৰূপে নতুন অভিলেখ মহম্মদ ছামিৰ




**নতুন দিল্লী, ৪ জুন ঃ** এইবাৰ আই পি এলত হাতত বেটে উঠাই নাপালে টীম ইণ্ডিয়াৰ সদস্য মহম্মদ ছামিয়ে। ইফালে, এটা ছিজনত বেটিং অবিহনেই খেল শেষ কৰা প্ৰথম ভাৰতীয় ক্ৰিকেটাৰ হিচাপে পৰিগণিত হ'ল মহম্মদ ছামি । ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ ১৫ সংখ্যক ছিজন ইতিমধ্যে সফলতাৰে সমাপ্ত হৈছে । এইবাৰ আই পি এলত বহু কেইজন ক্ৰিকেটৰ মহাতাৰকাই নতুন অভিলেখো গঢ়িছে। তাৰমাজতে নতুন অভিলেখৰ গৰাকী হ'ল ছামি। উল্লেখ্য যে ২০২২ ৰ ছিজনত ৰাজস্থান ৰয়েলছক হৰুৱাই আই পি এলৰ চেম্পিয়ন হয় গুজৰাট টাইটানছ । হাৰ্দিক পাণ্ডিয়াই নেতৃত্ব দিয়া গুজৰাটৰে সদস্য আছিল মহম্মদ ছামি । ছামিয়ে এই ছিজনত ১৬ খন মেচ খেলি ২০ টা উইকেট দখলেৰে নিজৰ নাম লিপিবদ্ধ কৰিলে । গুজৰাট ফাইনেলত উপনীত হোৱা বা চেম্পিয়নৰ খিতাপ অৰ্জন কৰাত ছামিৰ অবদান সৰ্বজনবিদিত। কিন্তু এইবাৰ মহম্মদ ছামিয়ে দলৰ হৈ এখন মেচতো বেটিং কৰা নাছিল। ছামিয়ে ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ ইতিহাসত নতুন অভিলেখ গঢ়িলে। উল্লেখ্য যে বেটিং কৰিবলৈ অহা অবিহনেই আই পি ছিজনৰ সকলো মেচ খেলা প্ৰথম ভাৰতীয় ক্ৰিকেটাৰ হ'ল ছামি।



ইংলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত টেষ্টত শতক অৰ্জন কৰি নিউজিলেণ্ডৰ খেলুৱৈৰ দৰ্শকৰ অভিবাদন গ্ৰহণ

# ৰাষ্ট্ৰীয় যোগ অলিম্পিয়াডলৈ অংকুৰ শইকীয়া

**গুৱাহাটী, ৪ জুন ঃ** অহা ১৮-২০ জুনত হ'বলগা ৰাষ্টীয় যোগ অলিম্পিয়াডত অসমৰ পৰা যাবলগা দলটোত যোৰহাটৰ অংকুৰ শইকীয়াই স্থান লাভ কৰিছে। উল্লেখ্য যে গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত হোৱা ৰাজ্যিক যোগ অলিম্পিয়াডত অংশগ্ৰহন কৰি অংকুৰে সোনৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ষষ্ঠ শ্ৰেনীৰ পৰাই যোগাভ্যাস আৰম্ভ কৰা অংকুৰে ইতিমধ্যে এই দিশত ৰাজ্যিক পৰ্যায়ত বহুকেইটা পুৰস্কাৰ লাভ কৰিছে। অংকুৰ জগদুৱাৰ শংকদেৱ মাধ্যমিকৰ ছাত্ৰ আৰু কাকতি গাঁও নিবাসী ৰঞ্জীত শইকীয়া আৰু কুঞ্জ কাকতি শইকীয়াৰ পুত্ৰ। অংকুৰে প্ৰশিক্ষক মৃদুল চুতীয়া আৰু সুজাতা শৰ্মাৰ ওচৰত যোগৰ প্ৰশিক্ষন গ্ৰহন কৰি আছে।

## ৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতাত নিজৰাৰ সোণৰ পদক লাভ

**গুৱাহাটী, ৪ জুন ঃ** গোৱাত অনুষ্ঠিত হোৱা বি চি এ আই ৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতাত নাহৰকটীয়া আৰক্ষী থানাৰ কৰ্মৰত মহিলা গৃহৰক্ষী জোৱান নিজৰা বৰুৱাই ৭০ কিলোগ্ৰাম শাখাত অসমক প্ৰতিনিধিত্ব কৰি প্ৰথম স্থান দখল কৰি সোণৰ পদক লাভ কৰি ৰাজ্যিক পৰ্যায়ত উজলি উঠাৰ লগতে নাহৰকটীয়ালৈ গৌৰৱ কঢ়িয়াই অনাৰ লগতে অসম আৰক্ষীলৈও সুনাম কঢ়িয়াই আনিছে । ইফালে, নিজৰা বৰুৱাৰ এই সাফল্যত স্থানীয় বিধায়ক তৰংগ গগৈয়ে অভিনন্দন জনাইছে ।

*No. DA/BTC/K/Dev-53/2022-23/ 279* *Dt. 03 / 06 / 2022*

**QUOTATION**

The Director of Agriculture, BTC, Kokrajhar invites Sealed quotation affixing non-refundable Court Fee Stamp of **Rs. 8.25** (Rupees Eight & Twenty-five paisa) only from the registered firm in BTC, suppliers for Scanted Paddy Seeds under **"Rice Dev. Programme"** scheme for the year 2022-23 (SOPD) as per **(Sl. No. 1, 2, 3, 4, 5, 6, 7 & 8)** as per term & conditions details given below and will be received up to **10-06-2022 at 3:30** PM and same will be opened on the same date & time. The quotations or their representative may present in the office of the undersigned at the time of opening.

| Sl. No. | Item | Variety/Type | Rate | Tender value | Remarks |
|---|---|---|---|---|---|
| 1 | Distribution of Scanted Paddy Seeds for Dimakuchi Sub-Divn. | a) Kunkuni Joha<br>b) Bhog Rice | Per qtl.<br>Per qtl. | Rs. 20.00 Lakh | |
| 2 | Distribution of Scanted Paddy Seeds for Udalguri Sub-Divn. | a) Kunkuni Joha<br>b) Bhog Rice | Per qtl.<br>Per qtl | Rs. 20.00 Lakh | |
| 3 | Distribution of Scanted Paddy Seeds for Tamulpur Sub-Divn. | a) Kunkuni Joha<br>b) Bhog Rice | Per qtl.<br>Per qtl. | Rs. 21.00 Lakh | |
| 4 | Distribution of Scanted Paddy Seeds for Mushalpur & Salbari Sub-Divn. | a) Kunkuni Joha<br>b) Bhog Rice | Per qtl.<br>Per qtl | Rs. 24.50 Lakh | |
| 5 | Distribution of Scanted Paddy Seeds for Kajalgaon Sub-Divn. | a) Kunkuni Joha<br>b) Bhog Rice | Per qtl.<br>Per qtl. | Rs. 20.00 Lakh | |
| 6 | Distribution of Scanted Paddy Seeds for Bijni Sub-Divn. | a) Kunkuni Joha<br>b) Bhog Rice | Per qtl.<br>Per qtl | Rs. 20.00 Lakh | |
| 7 | Distribution of Scanted Paddy Seeds for Kokrajhar Sub-Divn. | a) Kunkuni Joha<br>b) Bhog Rice | Per qtl.<br>Per qtl. | Rs. 21.00 Lakh | |
| 8 | Distribution of Scanted Paddy Seeds for Gossaigoan & Parbatjhora Sub-Divn. | a) Kunkuni Joha<br>b) Bhog Rice | Per qtl.<br>Per qtl | Rs. 24.50 Lakh | |

**TERMS & CONDITON:**

1. The approved Firm / Supplier shall have to supply items within 7 (seven) days on receipt of supply order.
2. Details items may be seen in the office of the undersigned during the office hours from 04-06-2022 to 10-06-2022.
3. The Quotationers should submit up-to-date tax clearance certificate and BTC registration certificate issued by Director of Agril, BTC, Kokrajhar, Trade License Certificate, Dealership license, PAN Card, GST Registration Certificate etc. to the authority.
4. The Quotations should be submitted separately as per SI. No. 1, 2, 3, 4, 5, 6, 7 & 8 in sealed envelop superscribed on the cover as **"Scanted Paddy Seed"** etc. for the year 2022-23.
5. The authority is not bound to accept the lowest rates of quotations and reserves all the right to reject any / all the tenders at a time without assigning any reason thereof.
6. The rate should be shown separately for different type of Articles and varieties including all Taxes.
7. The rate should be quoted inclusive FOR.
8. The quotationers will have to deposit 2% (for general) and 1% (for ST/SC/OBC/MOBC) as security money in the form of Bank Draft / Fixed Deposit / Call Deposit in favour of the ***Director of Agriculture, BTC, Kokrajhar*** as per scheme for the year 2022-23 which will be refundable in due course.

Sd/- M. Das,
Director of Agriculture,
BTC, Kokrajhar.

*IPR(BTC)-85/2022*



*গুৱাহাটীৰ ৰাজভৱনত মাছডো আৰু গেট হাস্পতালে আয়োজন কৰা ৬০দিনীয়া মদ তথা তবাকো সচেতনতা অনুষ্ঠানৰ ফ্লেগ অফ কৰিছে ৰাজ্যপাল প্ৰফেছৰ জগদীশ মুখীয়ে, শনিবাৰে*

# বিধ্বস্ত পথত দশক দশক ধৰি জলা-কলা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙামাটি, ৪ জুন ঃ** খুমটাই সমষ্টিৰ ৰঙামাটিৰ সমীপৱৰ্তী পশ্চিম ব্ৰহ্মপুত্ৰ গাঁও পঞ্চায়তৰ ৫ নং ৱাৰ্ডৰ ৰঙামাটি-জৰাগুৰি সংযোগী পথৰ পৰা পুলি কৰৈয়নি বনুৱাবস্তি প্ৰাথমিক বিদ্যালয় হৈ প্ৰায় ৪-৫ কিলোমিটাৰ পথৰ বিধ্বস্ত ৰূপে দশক দশক ধৰি জলা-কলা খুৱাই আহিছে স্থানীয় গাঁওবাসীৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক। দুখনকৈ বিদ্যালয় থকা এই গুৰুত্বপূৰ্ণ পথটো বাৰিষা হ'লেই একাঁঠু পানী হয়, যাৰ ফলত বিদ্যালয়ৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলে জীয়াতু ভুগিবলগীয়া হৈ আহিছে। উল্লেখ্য যে পথটো এম জি এনৰেগাৰ অধীনত কাম আৰম্ভ হৈছিল যদিও আজি পৰ্যন্ত সম্পূৰ্ণ হৈ নুঠিল। যাৰ বাবে ক্ষোভিত হৈ পৰিছে গাঁওবাসী। জৰুৰীকালীন সেৱাৰ বাহনো সোমাব নোৱাৰা এই পথটো এম জি এনৰেগাৰ অধীনত কাম আৰম্ভ হোৱাৰ পাছতো আজি পৰ্যন্ত কাৰ ভুলৰ বাবে সম্পূৰ্ণ নহ'ল বুলিও প্ৰশ্ন উত্থাপন কৰিছে ভুক্তভোগী ৰাইজে। সঘনাই উন্নয়নৰ কথা চৰকাৰৰ জনপ্ৰতিনিধি, পঞ্চায়তৰ কাৰ্যকৰ্তাই ইমান গুৰুত্বপূৰ্ণ পথছোৱাৰ মেৰামতিৰ কামত দৃষ্টি নিদিয়াৰো অভিযোগ উঠিছে।



# আগ্‌ছু খাউৰাং আঞ্চলিক সমিতিৰ নাগৰিক সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভৈৰৱকুণ্ড, ৪ জুন ঃ** সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা খাউৰাং আঞ্চলিক সমিতিৰ উদ্যোগত যোৱা ২ জুন তাৰিখে খাউৰাংস্থিত গোৰ্খা নাট্য ৰঙ্গমঞ্চ প্ৰাঙ্গণত সমিতিৰ সভাপতি ৰাম বস্নেতৰ সভাপতিত্বত নাগৰিক সভা সম্পন্ন হয়। সমিতিৰ সাধাৰণ সম্পাদক কেদাৰ ভট্টৰায়ে আঁত ধৰা সভাত মুখ্য অতিথি ৰূপে উপস্থিত থাকি বক্তব্য ৰাখে আগ্‌ছু ওদালগুৰি জিলা সমিতিৰ সভাপতি ৰাম চেত্ৰীয়ে। সভাত নিৰ্দিষ্ট বক্তা ৰূপে ভাষণ আগবঢ়ায় জিলা সমিতিৰ সাধাৰণ সম্পাদক গোপাল ঢাকালে। উক্ত সভাত আগ্‌ছু ওদালগুৰি জিলা সমিতিৰ উপ-সভাপতি চঞ্চমান চুৱা, সঞ্জীৱ চেত্ৰী, সহ- সম্পাদক বিকাশ ভট্টৰাই,



সাংগঠনিক সম্পাদক কিৰণ চিগ্‌দেল, মুখপত্ৰ সম্পাদক প্ৰণৱজ্যোতি ঘিমিৰে, প্ৰচাৰ সম্পাদক হেমৰাজ চেত্ৰী, জিলা সদস্য দুৰ্গা বস্নেত, গোবিন্দ চেত্ৰী, অসম গোৰ্খা সন্মিলনৰ ৰণেন্দ্ৰপুৰ শাখা সমিতিৰ সাধাৰণ সম্পাদক টেক বাহাদুৰ প্ৰধান, খাউৰাং শাখা সমিতিৰ সাধাৰণ সম্পাদক ইন্দ্ৰ মগৰ, খাউৰাং ভি চি ডি চিৰ অধ্যক্ষ প্ৰেম তামাং, সমাজসেৱক লীলা গুৰুং, দুৰ্গা মগৰ, স্থানীয় মহিলা সমিতিকে ধৰি বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত গোৰ্খাসকলৰ বিভিন্ন জাতীয় সমস্যা সমাধানৰ বিষয় সভাত উল্লেখ কৰা হয়।

# শিৱসাগৰ জিলা কৃষাণ মৰ্চাৰ উদ্যোগত কৃষক সম্পৰ্ক গৰিৱ কল্যাণ অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, দ্ৰোণ খণ্ডীয়া শিৱসাগৰ, ৪ জুন ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰধানমন্ত্ৰীত্বৰ ৮ বছৰ পূৰ্তি উপলক্ষে সমগ্ৰ ভাৰতবৰ্ষতে ১৫দিনীয়া 'সেৱা, সুশাসন আৰু গৰিব কল্যাণ 'কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ লোৱা হৈছে। অনুৰূপ ধৰণে অসমতো অসম প্ৰদেশ ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বত সমগ্ৰ অসমতে কাৰ্যসূচী লোৱা হৈছে। উক্ত কাৰ্যসূচীৰ অধীনত ভাৰতীয় জনতা পাৰ্টী, অসম প্ৰদেশ কৃষক মৰ্চাৰ নেতৃত্বত আৰম্ভ কৰা 'কৃষক সম্পৰ্ক অভিযান'ৰ অংশৰূপে ভাৰতীয় জনতা পাৰ্টী, শিৱসাগৰ জিলা কৃষক মৰ্চাই শিৱসাগৰ জিলাৰ অন্তৰ্গত জয়মতী আৰু ৰমণী মণ্ডলত এই কাৰ্যসূচী শুভাৰম্ভ কৰে। শিৱসাগৰ জিলা কৃষক মৰ্চাৰ সভাপতি নিতুলমণি বড়াৰ নেতৃত্বত শুভাৰম্ভ কৰা কাৰ্য্যসূচীত জিলা কৃষক মৰ্চাৰ বিষয়-ববীয়া তথা কাৰ্যনিৰ্বাহক সদস্যসকলৰ লগতে জিলাখনৰ অন্তৰ্গত বিভিন্ন মণ্ডলৰ সভাপতি আৰু বিষয়ববীয়া তথা কাৰ্যনিৰ্বাহক সদস্য সকল আৰু জিলা মহিলা মৰ্চাৰ নেত্ৰী মামু পাটৰৰ উপস্থিতিত মণ্ডলৰ বহু কৃষক বন্ধুসকলৰ লগত মত বিনিময় কৰা হয়। কৃষক মৰ্চাৰ শিৱসাগৰ জিলাৰ দুই সাধাৰণ সম্পাদক সপোন কুমাৰ দত্ত, পলাশ মোহন বৰুৱা, জিলা উপ-সভাপতি জ্যোতি গগৈ, পৰাজিতা গগৈ, জিতু গগৈ, মুকুল মাধৱ নেওগ, সম্পাদক-ৰাজীৱ বৰকাকতি, দিগন্ত ফুকন, বনিজ চাৰুকিয়া, কাৰ্যলয় সম্পাদক বিজয় কৃষ্ণ শৰ্মা, শিৱসাগৰ পৌৰসভাৰ ৱাৰ্ড কমিউচনাৰ সমীৰ দত্ত, মেডিয়া আহ্বায়ক গোবিন্দ মিলি, সামাজিক মাধ্যম কোষৰ আহ্বায়ক সুনীল সিং ৰাজপুত আৰু বিভিন্ন মণ্ডলৰ সভাপতি- সম্পাদক আৰু কাৰ্যনিৰ্বাহক সদস্যসকল উপস্থিত থাকে।

# গৰুৱাঝাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহঃ শিক্ষক শিৱৰাম ডেকাৰ বিদায় সম্বৰ্ধনা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ৪ জুন ঃ** ওদালগুৰি জিলাৰ খৈৰাবাৰী শিক্ষাখণ্ডৰ অন্তৰ্গত গৰুৱাঝাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহ শিক্ষক শিৱৰাম ডেকাৰ বিদায় সম্বৰ্ধনা সভাখনি আজি ৪ জুনত বিদ্যালয় প্ৰেক্ষাগৃহত গাম্ভীৰ্যপূৰ্ণভাৱে অনুষ্ঠিত কৰা হয়। উদুলি -মুদুলি পৰিৱেশত বিভিন্ন বিদ্যালয়ৰ শিক্ষক- শিক্ষয়িত্ৰী ,দল সংগঠন ,ব্যক্তি বিশেষ তথা শিক্ষাৰ্থীৰ সম্বৰ্ধনা গ্ৰহণ কৰি শিৱৰাম ডেকাই ১৯৮৭ চনৰ পৰা নীৰৱছিন্নভাৱে শিক্ষকতাৰ দৰে পবিত্ৰ মহান বৃত্তিত নিয়োজিত হৈ মানৱ সম্পদ গঢ়িবলৈ প্ৰয়াস অব্যাহত ৰাখিছিলো কিন্তু নাজানো কিমানদূৰ সফল হ'লো।ভাৰত ভূটান সীমান্তৱৰ্তী গৰুৱাঝাৰৰ বৃহত্তৰ ৰাইজে, বুদ্ধিজীৱীয়ে বিচাৰ কৰিব। শিক্ষকতাৰ লগতে ভেৰগাঁও জিলা কোচ ৰাজবংশী সন্মিলনী, ৰঙালী বিহু উদ্‌যাপন, ৰাস মহোৎসৱৰ লগতে চি আৰ চি চি বিষয়া তথা বৃহত্তৰ অঞ্চলৰ সমাজৰ উন্নয়নৰ হকেও অহোপুৰুষাৰ্থ কৰি আহিছিলো বুলি দোহাৰে । বিদ্যালয়খনৰ প্ৰধান শিক্ষক গৌতম হালৈয়ে সঞ্চালনা কৰা আৰু ইন্দ্ৰ কলিতাই আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ বিদায় সভাখনত ওদালগুৰি জিলা সাহিত্য সভাৰ সভাপতি হৰেশ্বৰ কলিতা, টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ড° দিলীপ কুমাৰ বৰুৱা, শিক্ষাবিদ তজৰ আলী আহমেদ, সমাজ হিতৈষী বলিৰাম ডেকা, শিক্ষাবিদ নীলধৰ ডেকা, ভেৰগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি দেৱজিৎ



কুমাৰ ডেকা, টংলা সাহিত্য সভাৰ সভাপতি গৌৰী শংকৰ দাস, চি আৰ চি চি বিষয়া আনোৱাৰ হুছেইন আদিয়ে সদ্য অৱসৰী কৃতী শিক্ষক, সমাজ সেৱক শিৱৰাম ডেকাৰ গুণানুকীৰ্তন কৰি ভাষণ দিয়ে। বিদ্যালয়খনৰ ছাত্ৰ -ছাত্ৰীয়ে সমৱেত সংগীত, বিহু নৃত্য, ঝুমুৰ নৃত্য, নেপালী নৃত্য, কোচ ৰাজবংশী নৃত্য, আধুনিক নৃত্য, দেশপ্ৰেমমূলক নৃত্য প্ৰদৰ্শন কৰি উছৱমুখৰ কৰি তোলা বিদায়ী সভাখনত শিক্ষাৰ্থী, সতীৰ্থ শিক্ষাগুৰু, বিভিন্ন বিদ্যালয়ৰ শিক্ষাগুৰু, গুণমুগ্ধই ফুলাম গামোচা, বিভিন্ন জাতিৰ গামোচা, চেলেং চাদৰ, ফুলাম জাপি, শৰাই-সঁফুৰা, কলম, ধৰ্মগ্ৰন্থ প্ৰদান কৰে। প্ৰায় ৯০০ শিক্ষাৰ্থী থকা বিদ্যালয়খন অন্যান্য চৰকাৰী বিদ্যালয়ৰ তুলনাত বিদ্যালয়খনৰ সুস্থ পৰিৱেশ, সৌন্দৰ্য সুন্দৰ নিদৰ্শন হৈ ৰ'ব। অৱশ্যে শিক্ষাৰ্থী অনুপাতে শিক্ষকৰ সংখ্যা তাকৰ বুলি জানিবলৈ দিয়াৰ লগতে বিদ্যালয়খনত আন্তঃগাঁথনি উন্নয়ন আৰু শিক্ষক নিযুক্তি দিবলৈ চৰকাৰলৈ অনুৰোধ জনাইছে।

# ওৰাঙৰ কাঠপুৰীত বিনামূলীয়া পশু টিকাকৰণ অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৪ জুন ঃ** পশুপালন আৰু পশু চিকিৎসা বিভাগ ওদালগুৰি জিলাৰ উদ্যোগত, কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় পশুৰোগ নিয়ন্ত্ৰণ আঁচনিৰ অন্তৰ্গত পশুৰ চবকা ৰোগ প্ৰতিৰোধৰ উদ্দেশ্যে আজি ওৰাঙৰ কাঠপুৰীত বিনামূলীয়া পশু টিকাকৰণ কৰা হয়। ওৰাং ৰাজ্যিক পশু চিকিৎসা কেন্দ্ৰৰ অন্তৰ্গত বিভিন্ন অঞ্চলত হৈ থকা পশুধনৰ চবকা ৰোগ আৰু চৰ্মৰোগত পশুধন আক্ৰান্ত হৈ কেবাটাও পশু মৃত্যুমুখত পৰাৰ পাছত ৩ জুনত ওৰাং ৰাজ্যিক পশু চিকিৎসা কেন্দ্ৰৰ অধীনত কাঠপুৰী, কলবাৰী, সোণজুলি আদি গাঁৱৰ দুই শতাধিক পশুক বিনামূলীয়া টিকাকৰণ কৰা হয় । ওৰাং ৰাজ্যিক পশু চিকিৎসা কেন্দ্ৰৰ ক্ষেত্ৰ পশু চিকিৎসা কৰ্মী হৰ্ক বাহাদুৰ প্ৰধানে জীৱিকা সখী ৰিকুমণি ডেকাৰ সহযোগত এই বিনামূলীয়া পশু টিকাকৰণ শিবিৰটো অনুষ্ঠিত হৈছিল। উক্ত পশু টিকাকৰণ শিবিৰটোৰ জৰিয়তে অঞ্চলটোৰ ৰাইজ উপকৃত হৈছে।






Azadi Ka Amrit Mahotsav

অসম চৰকাৰ
বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগ

বিশ্ব পৰিৱেশ দিৱস
কেৱল এখনেই ধৰিত্ৰী
৫ জুন ২০২২

দহগৰাকী বিশিষ্ট ব্যক্তিলৈ পৰিৱেশ মিত্ৰ সন্মান
- ড° পদ্মেশ্বৰ গগৈ, গোলাঘাট
- অধ্যাপক পৰিমল চন্দ্ৰ ভট্টাচাৰ্য, কামৰূপ মহানগৰ
- ড° দীনেশ চন্দ্ৰ গোস্বামী, কামৰূপ মহানগৰ
- অধ্যাপক পাৰ্থংকৰ চৌধুৰী, কাছাৰ
- শ্ৰীবিজয় চৌধুৰী, বাক্সা
- শ্ৰীপ্ৰশান্ত বৰদলৈ, নগাঁও
- শ্ৰীমতী মুবিনা আখতাৰ, কামৰূপ মহানগৰ
- শ্ৰীজয়নাল আবেদীন, তিনিচুকীয়া
- শ্ৰীদেৱজিৎ ফুকন, লখিমপুৰ
- শ্ৰীক্ষণজিৎ গগৈ, তিনিচুকীয়া

শ্ৰেষ্ঠ ইক' ক্লাব
মহাবিদ্যালয়—
- তিনিচুকীয়া মহাবিদ্যালয়, তিনিচুকীয়া
- বিজনী কলেজ, চিৰাং
- গুৱাহাটী মহাবিদ্যালয়, কামৰূপ মহানগৰ

বিদ্যালয়—
- আদৰ্শ বিদ্যালয়, মৈৰাবাৰী, মৰিগাঁও
- গোৱালপাৰা বিদ্যাপীঠ উঃ মাঃ বিদ্যালয়, গোৱালপাৰা
- মডাৰ্ণ ইংলিছ স্কুল, বাক্সা
- ধেমাজি ছোৱালী উঃমাঃ বিদ্যালয়, ধেমাজি
- সৰুপেটা উঃ মাঃ বিদ্যালয়, বৰপেটা

শ্ৰেষ্ঠ মহাবিদ্যালয় পৰিৱেশ আৰু জলবায়ু কোষ
- ভোলানাথ মহাবিদ্যালয়, ধুবুৰী
- প্ৰণৱ জুবিলী মহাবিদ্যালয়, কাৰ্বি আংলং
- বাহনা মহাবিদ্যালয়, যোৰহাট

#ONLY ONE EARTH | WORLD ENVIRONMENT DAY 2022 | UN environment programme 50 1972-2022 | Sweden Sverige
FOREST DEPARTMENT, GOVERNMENT OF ASSAM | ASTEC | Environmental Information System INDIA | শ্যামলী

অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদ
আৰু
কলিয়াবৰ মহকুমা প্ৰশাসনৰ তৰফৰ পৰা
৫ জুন ২০২২ তাৰিখে আয়োজিত
'বিশ্ব পৰিৱেশ দিৱস'ৰ
ৰাজ্যিক পৰ্যায়ৰ কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে আটাইকে সাদৰেৰে আমন্ত্ৰণ জনালোঁ।
অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব
অসম চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী
শ্ৰীকেশৱ মহন্ত ডাঙৰীয়া

ইয়াৰ লগতে সংগতি ৰাখি কলিয়াবৰ মহকুমাত একে সময়তে **এক লাখ গছপুলি ৰোপণ** কৰি প্ৰতিপালনৰ সংকল্পৰে **'শ্যামলী কলিয়াবৰ'** প্ৰকল্প ৰূপায়ণৰ প্ৰস্তুতি চলোৱা হৈছে।
এই মহৎ প্ৰয়াসলৈ সক্ৰিয় সহযোগ আগবঢ়াইছে বন বিভাগ, গাঁও পঞ্চায়ত, শৈক্ষিক প্ৰতিষ্ঠান, চৰকাৰী প্ৰতিষ্ঠান, স্বেচ্ছাসেৱী সংগঠন আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ লগতে ৰাইজৰ ব্যক্তিগত অংশগ্ৰহণ।

৫ জুন ২০২২
**কেন্দ্ৰীয় কাৰ্যসূচীৰ স্থান :** কলিয়াবৰ মহাবিদ্যালয় | **সময় :** ৯.৪৫ বজা
**গছপুলি ৰোপণ :** কলিয়াবৰৰ সকলো নিৰ্ধাৰিত স্থানতে দিনৰ **১০:৪৫ বজাৰ** পৰা **১১:০০ বজালৈ**



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

শ্ৰদ্ধেয় প্ৰকৃতিপ্ৰেমী ৰাইজ,

এখন সেউজ-সুন্দৰ ধৰিত্ৰী আমাৰ সকলোৰে কাম্য। জীৱকুল বৰ্তি থকাৰ বাবে এই এখনেই ধৰিত্ৰী। গোলকীয় উষ্ণতাৰ বৃদ্ধি আৰু জলবায়ু পৰিৱৰ্তনে আনি দিয়া শংকাসমূহক লৈ আমি সকলোৱেই উদ্বিগ্ন। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱৰ দিক্‌দৰ্শনত আমাৰ বিভাগে জলবায়ু পৰিৱৰ্তন আৰু অভিযোজনৰ বাবে বিশেষ প্ৰয়াস হাতত লৈছোঁ। ইয়াৰ ভিতৰত গ্ৰামাঞ্চলত জলবায়ু সহনশীলতা বৃদ্ধিৰ বাবে মেধাসম্পন্ন যুৱচামৰ বাবে **মুখ্যমন্ত্ৰীৰ বিশেষ 'ফেল'শ্বিপ' আঁচনি** উল্লেখযোগ্য। পৰিৱেশ সংৰক্ষণৰ হকে সমৰ্পিত হৈ কাম কৰা দহগৰাকী বিশিষ্ট ব্যক্তিক 'পৰিৱেশ মিত্ৰ' হিচাপে আমি সন্মানিত কৰাৰ লগতে 'শ্ৰেষ্ঠ ইক' ক্লাব' আৰু 'শ্ৰেষ্ঠ মহাবিদ্যালয় পৰিৱেশ আৰু জলবায়ু কোষ'সমূহকো সন্মানিত কৰাৰ কথা আজি ঘোষণা কৰিছোঁ।

এই ধৰিত্ৰীক সুৰক্ষিত কৰি ৰাখিবলৈ আমাৰ প্ৰতিজনৰে দায়িত্ব আছে। আহক আমি সকলোৱে মিলি এখন সেউজ ধৰিত্ৰীক ভৱিষ্যৎ প্ৰজন্মক উপহাৰ দিওঁ।

**কেশৱ মহন্ত**
মন্ত্ৰী, বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগ

Janasanyog /D/4776/22
Exclusive/ASTEC/06-2022

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি